

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত


জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ২৭৬ ■ গুৱাহাটী ■ সোমবাৰ, ১৬ মে', ২০২২, ১ জেঠ, ১৯৪৪ শক   RNP/GH/248/2114-2017   গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 276 Dainandin Barta ■ Guwahati, Monday ■ 16 May, 2022 ■ RNI REGD. NO. ASSASS/2010/39449   Total Pages =12 ■ Rs. 10.00 Only



(NHM/D/2022-23/49)


■ ব'হাগৰ অন্তিম বৰষুণত প্লাৱিত ৰাজ্যৰ ভিন্ন স্থান ■

# জেঠৰ আগমনক আদৰণি বানৰ



**বছৰৰ প্ৰথমটো বানৰ আঘাতত বিধ্বস্ত ৰাজ্য, তিনিজন নিহত**

**ছয় জিলাৰ ২৫ হাজাৰ লোক ক্ষতিগ্ৰস্ত, অনিৰ্দিষ্ট কাললৈ যোৰহাট-মাজুলী ফেৰীসেৱা বন্ধ, উত্তৰ-পূব ৰে'লৰেই বাতিল কৰিলে কেইবাখনো ৰে'ল**








## বৰষুণমুখৰ উত্তৰ-পূব ঃ ৰাজধানীত উষ্ণ প্ৰবাহ (৪৯°)

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৫ মে' ঃ** বছৰৰ প্ৰথমটো বানৰ আঘাতে বিপৰ্যস্ত কৰি তুলিছে ৰাজ্যৰ ছখন জিলাৰ প্ৰায় ২৫ হাজাৰ লোকৰ জীৱন। বান আৰু ভূমিস্খলনৰ ঘটনাত এতিয়ালৈকে ৰাজ্যত তিনিজন লোকে প্ৰাণ হেৰুৱাইছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি ৰাজ্যৰ ছখন জিলাৰ ৯৪খন গাঁৱৰ মুঠ ২৪,৬৮১জন লোক ক্ষতিগ্ৰস্ত হৈছে। বানে সংহাৰী ৰূপ ধাৰণ কৰা জিলাকেইখন হৈছে ক্ৰমে- ■ ৮ পৃষ্ঠাত

## সেন্দূৰে বঢ়াই তোলে যৌন উদ্দীপনা

### ভাইৰেল ভিডিঅ'ক লৈ ছ'চিয়েল মিডিয়াত ধুমুহা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৫ মে' ঃ** হিন্দু বিবাহিত মহিলাসকলে সেওঁতাত সেন্দূৰ পিন্ধাটো এক পৰম্পৰাগত নিয়ম। এই সেন্দূৰক লৈয়ে এতিয়া ধুমুহা বলিছে ছ'চিয়েল মিডিয়াত। ■ ৮ পৃষ্ঠাত



## দেৱসাহায়াম পিল্লাইক প্ৰথমবাৰৰ বাবে সন্ত হিচাপে ঘোষণা কৰিলে পোপ ফ্ৰান্সিছে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৫ মে' ঃ** পোপ ফ্ৰান্সিছে দেওবাৰে ভাৰতীয় ব্যক্তি দেৱসাহায়াম পিল্লাইক প্ৰথমবাৰৰ বাবে সন্ত হিচাপে ঘোষণা কৰিছে। পোপৰ দ্বাৰা এনেদৰে সন্ত হিচাপে ■ ৮ পৃষ্ঠাত

## ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি

### অনিৰ্দিষ্ট কালৰ বাবে বন্ধ হ'ল মাজুলী-নিমাতী ফেৰী সেৱা ঃ ফেৰীঘাটত যাত্ৰীৰ হাহাকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ১৫ মে' ঃ** আজি কেইদিনমান ধৰি নেৰানেপেৰা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত আজি দিনৰ ১২ বজাৰ পৰা যাত্ৰীসকলৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি ■ ৮ পৃষ্ঠাত

## আলফা স্বাধীনলৈ গমন আমগুৰিৰ শিৱাণী গগৈ



**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৫ মে' ঃ** আলফা স্বাধীনৰ পৰেশ বৰুৱা আৰু মন্ত্ৰী সঞ্জয় কিষাণৰ মাজত চলি থকা বাক্‌যুদ্ধৰ মাজতে সামাজিক মাধ্যমত ২৪ ঘণ্টাৰ ভিতৰত ১০ যুৱক-যুৱতীক আলফাত যোগদান কৰোৱাম বুলি হুংকাৰ ■ ৮ পৃষ্ঠাত

## আন এক যোৰহাট কাণ্ডৰ পৰা ৰক্ষা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৫ মে' ঃ** মাত্ৰ এটা পথেকৰ পূৰ্বে যোৰহাট চহৰৰ মাজমজিয়াত হঠাৎ বাগৰি পৰা আম গছৰ পৰা সংঘটিত মৰ্মান্তিক ঘটনাৰ চাঞ্চল্য মাৰ নৌ যাওঁতেই আজি অনুৰূপ ঘটনাৰ পৰা ■ ৮ পৃষ্ঠাত

### অভয়পুৰৰ আৰ্যা স্মাৰ্ট লিভিংৰ চৌহদত একাঁঠু পানী

## পানীতে প্ৰতিবাদ আৱাসিক এলেকাৰ ৰাইজৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৫ মে' ঃ** উত্তৰ গুৱাহাটীত ফ্লেটৰ ব্যৱসায়ৰ নামত এইবাৰ আৰ্যা স্মাৰ্ট লিভিং নামৰ আৱাসিক নিৰ্মাণ প্ৰতিষ্ঠানৰ বিৰুদ্ধে গ্ৰাহকক প্ৰৱঞ্চনাৰ গুৰুতৰ অভিযোগ আনিছে ভাৰাতীয়া তথা ফ্লেট ক্ৰয় কৰা গ্ৰাহকে। উত্তৰ গুৱাহাটী অভয়পুৰত ৰাজ্যৰ আগশাৰীৰ নিৰ্মাণ প্ৰতিষ্ঠান আৰ্যা গ্ৰ'পে নিৰ্মাণ কৰা স্মাৰ্ট লিভিং এলেকাত দুবছৰৰো অধিক দিন বাৰিষা- খৰালি পানীত বুৰ গৈ থকাত অতিষ্ঠ হৈ পৰিছে ইয়াৰ আৱাসীসকল। কৰ্তৃপক্ষক বাৰে বাৰে অভিযোগ দি কোনো সঁহাৰি ■ ৮ পৃষ্ঠাত

## মন্ত্ৰী পাটোৱাৰীৰ ঘোষণাক নস্যাৎ ৰঞ্জিত দাস-ভবেশ কলিতাৰ

### মাইক্ৰ'ফাইনেন্সৰ ঋণ প্ৰসংগত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ ঘোষণাই সৃষ্টি কৰিছে বিভ্ৰান্তিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৫ মে' ঃ** নিৰ্বাচন আহিল, নিৰ্বাচন গ'ল। বিজেপি মিত্ৰজোঁট দলে চৰকাৰো গঠন কৰিলে। ড° হিমন্ত বিশ্ব শৰ্মা অসমৰ মুখ্যমন্ত্ৰী হ'ল। ২০২১ চনৰ বিধানসভাৰ নিৰ্বাচনৰ সময়ত চাৰিওফালে নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ বন্যা। ড° হিমন্ত বিশ্ব শৰ্মাই মহিলাসকলৰ ভোট আদায় কৰিবলৈ অতি কৌশলেৰে বিজেপি দলৰ চৰকাৰ আহিলে মাইক্ৰ'ফানেন্সৰ সকলো ঋণ ৰেহাই দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল। নিৰ্বাচনী সভাত হিমন্ত বিশ্ব শৰ্মাৰ এই প্ৰতিশ্ৰুতি শুনি চাৰিওফালে মহিলাসকলৰ মাজত ■ ৮ পৃষ্ঠাত



## উত্তৰ অসমত অবৈধ অৰুণাচলী সুৰা মাফিয়াৰ দপদপনি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ১৫ মে' ঃ** উত্তৰ অসমৰ শোণিতপুৰ আৰু বিশ্বনাথ জিলা হৈ বহিঃৰাজ্যলৈ দৈনিক সৰবৰাহ হয় গাড়ীয়ে গাড়ীয়ে অবৈধ অৰুণাচলী সুৰা। মৌন ৰূপত গহপুৰ মহকুমা আবকাৰী বিষয়া-কৰ্মচাৰী। উল্লেখ্য যে অৰুণাচল প্ৰদেশৰ পৰা এটা অৰুণাচলী সুৰা মাফিয়াৰ দলে সপ্তাহৰ বিশেষ দিনসমূহত ট্ৰাকে ট্ৰাকে অবৈধ ■ ৮ পৃষ্ঠাত

## ইণ্ডো-বাংলাদেশ প্ৰট'কল জলপথৰ মাধ্যমেৰে বাৰানসীৰ পৰা কলকাতা হৈ ডিব্ৰুগড় বগীবিলৰ মাজত

## শীঘ্ৰেই আৰম্ভ হ'ব অত্যাধুনিক তথা বিলাসী ক্ৰুজ সেৱা




**প্ৰথম ইনক্ৰেডিবল ইণ্ডিয়া ইণ্টাৰনেচনেল ক্ৰুজ কনফাৰেন্স ২০২২ৰ সামৰণী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ঃ মুম্বাই বন্দৰৰ ১৫০বছৰীয়া জয়ন্তী উদ্‌যাপনৰে সংগতি ৰাখি ৭ দিনীয়া ফটো প্ৰদৰ্শন কাৰ্যসূচীৰ মুকলি কৰে সোণোৱালে**

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৫ মে' ঃ** মুম্বাইত দুদিনীয়াকৈ অনুষ্ঠিত প্ৰথম ইনক্ৰেডিবল ইণ্ডিয়া ইণ্টাৰনেচনেল ক্ৰুজ কনফাৰেন্স ২০২২ৰ আজি সামৰণি পৰে। সামৰণী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে কেন্দ্ৰীয় পৰ্যটন, সাংস্কৃতিক আৰু ড'নাৰ মন্ত্ৰী জি কিষাণ ৰেড্ডী উপস্থিত থাকে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীদ্বয় সোণোৱাল আৰু জি কিষাণ ৰেড্ডীৰ উপস্থিতিত দেশৰ ক্ৰুজ পৰ্যটন খণ্ডৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে ব্যক্তিগত ■ ৮ পৃষ্ঠাত

## মালঝাৰ প্ৰাথমিক বিদ্যালয়ত গোহালিসদৃশ ঘৰত চলিছে পাঠদান

### বইটামাৰী শিক্ষা খণ্ড

### আজিলৈকে নহ'ল পকী বিদ্যালয় গৃহ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বইটামাৰী, ১৫ মে' ঃ** ৰাজ্যৰ বিদ্যালয়সমূহত গুণোৎসৱ চলি থকাৰ মাজতে চৰকাৰী শিক্ষা খণ্ডৰ কিছু পুতৌজনক দিশো পোহৰলৈ আহিছে। ৰাজ্যত বৰ্তমানেও অতি দুৰ্বল আন্তঃগাঁথনিৰে চলিছে ■ ৮ পৃষ্ঠাত

## তৰাজুলিত নৈশ বাছত বৃহৎ পৰিমাণৰ ড্ৰাগ্‌ছ উদ্ধাৰ

### পুৰুষ-মহিলাসহ গ্ৰেপ্তাৰ ৭

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ১৫ মে' ঃ** লখিমপুৰৰ বান্দৰদেৱাত ড্ৰাগ্‌ছসহ সাতজন পুৰুষ-মহিলাক আটক কৰিছে আৰক্ষীয়ে। লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বান্দৰদেৱাত ড্ৰাগ্‌ছৰ বেহা অব্যাহত আছে সেই কথা পুনৰবাৰ প্ৰমাণ হ'ল। মাৰাত্মক ড্ৰাগ্‌ছৰ বিৰুদ্ধে বিহপুৰীয়া আৰু বান্দৰদেৱা আৰক্ষীয়ে অভিযান ■ ৮ পৃষ্ঠাত

### সোণতলীৰ ৰাঙ্গাপানীত দুষ্কৃতিকাৰীৰ নিকৃষ্ট কাৰ্য

## বিষাক্ত দ্ৰব্য দি নষ্ট কৰিলে মৰাপাটৰ খেতি

### এজাহাৰ, তিনিজনক আটক



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৫ মে' ঃ** কামৰূপৰ বকো সমষ্টিৰ সোণতলী আৰক্ষী চকীৰ অন্তৰ্গত ৰাঙ্গাপানীত দহ-বাৰ বিঘা মৰাপাট খেতিত দৰৱ ছটিয়াই দুষ্কৃতিকাৰীয়ে নষ্ট কৰে। উত্থাপিত অভিযোগ অনুসৰি গাঁওখনৰ ৰমজান আলী আৰু নুৰ হুছেইন নামৰ দুই পক্ষৰ মাজত দীৰ্ঘদিন ধৰি উক্ত দহ-বাৰ বিঘা মাটিক লৈ চলি আছিল শীতল যুঁজ। বিবদমান মাটিখিনি গাঁৱৰ কেইজনমানে ৰমজান আলীৰ পৰা লীজত লৈ কৰিছিল মৰাপাটৰ খেতি। পিছে উত্থাপিত অভিযোগ অনুসৰি নুৰ হুছেইন আৰু তেওঁৰ সাংগোপাংগ একাংশই মিলি নিশাৰ আন্ধাৰত খেতিডৰা নষ্ট কৰিবলৈ দহ-বাৰ বিঘা মৰাপাট ■ ৮ পৃষ্ঠাত

## দেশৰ ৪২টা বিমান বন্দৰৰ ৮৪ কৰ্মচাৰীয়েই কৰ্তব্যৰ সময়ত সুৰাসক্ত

### যাত্ৰীৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৫ মে' ঃ** বিমান যাত্ৰীৰ জীৱনৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই আনিব পৰা এক খবৰে এতিয়া বেছ চাঞ্চল্যৰ সৃষ্টি কৰিছে। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে ছেপ্টেম্বৰ ২০১৯ চনত সকলো বিমানবন্দৰ কৰ্মীৰ বাবে ব্ৰেথ এনালাইজাৰ পৰীক্ষাৰ বাবে নিয়ম জাৰি কৰিছিল। নিয়ম অনুসৰি সংশ্লিষ্ট বিমানবন্দৰ কৰ্তৃপক্ষই কেৱল নিজৰ কৰ্মচাৰীৰ ক্ষেত্ৰতেই নহয়, বিমানবন্দৰত কাম কৰা আন কোম্পানীৰ ■ ৮ পৃষ্ঠাত



*শপতগ্ৰহণৰ পিছত ত্ৰিপুৰাৰ নতুন মুখ্যমন্ত্ৰী মাণিক সাহাৰ সৈতে সদ্যপ্ৰাক্তন মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱ*

## নগাঁৱত 'ইন্দ্ৰিয় আইভিএফ'ৰ বিনামূলীয়া বন্ধ্যাত্ব আৰু টেষ্ট টিউব বেবী পৰামৰ্শ শিবিৰ

### বিনামূলীয়া পৰামৰ্শ শিবিৰত ৯৬গৰাকী নিঃসন্তান দম্পতীৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নৰ্নৈ, ১৫ মে' ঃ** নগাঁও জিলাৰ হয়বৰগাঁওস্থিত ব্যক্তিগত খণ্ডৰ চিকিৎসালয় জি ডি হাস্পতাল এণ্ড ৰিৰ্ছাছ চেণ্টাৰৰ উদ্যোগত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বন্ধ্যাত্ব আৰু টেষ্ট টিউব বেবী পৰামৰ্শ কেন্দ্ৰৰ ■ ৮ পৃষ্ঠাত

## বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গছতলৰ মুকলি বিহুৰে সামৰণি পৰিল ঐতিহ্যমণ্ডিত ঢকুৱাখনাৰ ফাটবিহু



### অভিনেত্ৰী অমৃতাৰ বিহু নৃত্যই মুহিলে দৰ্শকক হিলদ'ল ভাঙি ওলাল বিহুবলিয়া ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৫ মে' ঃ** জনগোষ্ঠীৰ সাংস্কৃতিক সমন্বয় আৰু ভাতৃত্ববোধৰ বাণীৰে আজি অন্তিম দিনা জনসমুদ্ৰত পৰিণত হয় ঐতিহাসিক ফাটবিহুৰ স্থলী। উল্লেখ্য যে আহোমসকলৰ ৰাজত্ব কালৰ আগৰ সময়ৰে পৰাই পূৰ্বৰ হাবুং অঞ্চলত বৰ্তমানৰ ঢকুৱাখনাত অতীজৰে পৰা বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ লোকসকলে একত্ৰিত হৈ চাৰিকড়িয়া নৈ'ৰ ফাটত মহা উলহ-মালহেৰে পৰম্পৰা ৰক্ষা কৰি প্ৰতি বছৰে পাতি অহা ফাটবিহুৰ আজি অন্তিম দিনা লোকে লোকাৰণ্য হৈ পৰে ম'হঘুলি চাপৰি। চিৰপ্ৰবহমান চাৰিকড়ীয়াৰ পাৰ ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণিল কৃষ্টি-সংস্কৃতিৰ মিলন ভূমিত ■ ৮ পৃষ্ঠাত

### সমন্বয়ৰ বাণী লৈ আজি নেপাললৈ প্ৰধানমন্ত্ৰী মোদী

## নেপালৰ সৈতে আমাৰ সম্পৰ্ক অতুলনীয় ঃ মোদী

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৫ মে' ঃ** চীনৰ অপচেষ্টাৰ বাবে ভাৰত আৰু নেপালৰ মাজৰ সম্পৰ্কত মাজতে কিছু ফাঁট ■ ৮ পৃষ্ঠাত

# ৪৫নেং টুপামাৰী গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাত ব্যাপক দুৰ্নীতি



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৫ মে' ঃ** কামৰূপৰ বকো সমষ্টিৰ ছমৰীয়া পঞ্চায়তৰ অন্তৰ্গত ৪৫নেং টুপামাৰী গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নামত ব্যাপক দুৰ্নীতিৰ তথ্য পোহৰলৈ আৰু তথ্য ফাদিলৰ পাছতেই বিভাগীয় তদন্তত দুৰ্নীতি সঁচা প্ৰমাণিত হোৱা সত্বেও বিষয়টো তল পৰাত পুনৰ ৰাইজৰ মাজত ৰহস্য ঘনীভূত হৈছে। তদন্ত কালত বৃহৎ জালিয়াতি ধৰা পৰা সত্বেও বিভাগীয়ভাৱে কোনো ব্যৱস্থা নোলোৱাত সচেতন ৰাইজৰ মাজত বিষয়টোক লৈ সৰৱ চৰ্চা চলিছে। সংশ্লিষ্ট সকলো পক্ষকে মেনেজ কৰি দুৰ্নীতি গাপ দিবলৈ দুৰ্নীতিত লিপ্তসকল সাৰি যাব বিচৰা বুলিও অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে উত্থাপিত পূৰ্বৰ অভিযোগ মৰ্মে ২০২০-২১ বৰ্ষত ছমৰীয়া উন্নয়ন খণ্ডৰ অধীনস্থ ৪৫নেং টুপামাৰী গাঁও পঞ্চায়তৰ ২নং টুপামাৰী গাঁৱৰ তিনিজনকৈ দৰিদ্ৰ হিতাধিকাৰীৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ ধন জালিয়াতিৰে আত্মসাৎ কৰিছিল পঞ্চায়ত সভানেত্ৰী জুবেদা হানুন, জিপচি ৰফিকুল ইছলাম, গাঁও পঞ্চায়তৰ সচিব প্ৰকাশ সাহা, ৱাৰ্ড সদস্য জবাবুল নেছা আৰু সদস্যগৰাকীৰ স্বামী গাজিবৰ ৰহমানে। ঘটনাটো পোহৰলৈ অহাৰ পাছতে কামৰূপ জিলা উপায়ুক্তক ৭ এপ্ৰিলত ভুক্তভোগী হিতাধিকাৰীসকলে দাখিল কৰা আৱেদনৰ ভিত্তিত উপায়ুক্ত কৈলাস কাৰ্তিক এন'য়ে ছমৰীয়া খণ্ড উন্নয়ন বিষয়াকগৰাকীক তদন্তৰ নিৰ্দেশ দিছিল। উপায়ুক্তৰ নিৰ্দেশ মৰ্মে চৰজমিন তদন্ত কৰাত জালিয়াতিৰে তিনিটাকৈ গৃহৰ মুঠ ৪.৫ লাখ টকা আত্মসাৎ কৰাৰ সকলো তথ্য সঁচা প্ৰমাণিত হয় আৰু প্ৰায় এমাহ পূৰ্বে তদন্তৰ প্ৰতিবেদন দাখিল কৰে খণ্ড উন্নয়ন বিষয়াগৰাকীয়ে। পিছে চৰকাৰে আবণ্টন দিয়া দুখীয়া হিতাধিকাৰীৰ ধন আত্মসাৎ কৰা অভিযুক্তসকলৰ বিৰুদ্ধেহে আজিকোপতি গ্ৰহণ কৰা নহ'ল কোনো ধৰণৰ শাস্তিৰ দিহা। তেনেস্থলত সংশ্লিষ্ট সকলো পক্ষকে গোপনে মেনেজ কৰি বিষয়টো গাপ দিবলৈ দুৰ্নীতিগ্ৰস্তসকলে ইতিমধ্যেই ইছ্যু ডাইভাৰ্ট' কৰা বুলিও সচেতন ৰাইজে অনুমান কৰিছে। আনহাতে, এই স্পৰ্শকাতৰ বিষয় সন্দৰ্ভত উপায়ুক্তৰ ৰহস্যজনক মৌনতায়ো স্তম্ভিত কৰিছে সচেতন ৰাইজক। সততে দুৰ্নীতিৰ প্ৰতি শূন্য সহনশীলতাৰ কথা কোৱা চৰকাৰৰ বিভাগীয় মন্ত্ৰী ৰঞ্জিত দাসৰ ভূমিকাকো আঙুলিয়াইছে ৰাইজে। আগলৈ এইক্ষেত্ৰত মন্ত্ৰী তথা উপায়ুক্তগৰাকীয়ে উত্থাপিত আৰু ক্ৰমান্বয়ে তল পৰিবলৈ লোৱা বিষয়টোৰ ওপৰত কেনে স্থিতি লয় তালৈ নিৰীক্ষণ কৰিব সচেতন মহলে। কিয়নো এই প্ৰতিবেদন প্ৰকাশৰ পাছতো অভিযুক্ত দুৰ্নীতিপৰায়ণসকলৰ বিৰুদ্ধে কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থা নল'লে সঁচা প্ৰমাণিত হ'বও পাৰে বুলি ৰাইজৰ ধাৰণা।।!



# বকোত ইলোৰা বিজ্ঞান মঞ্চৰ ঊনবিংশ সংখ্যক বৰ্ষৰ প্ৰতিষ্ঠা দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৫ মে' ঃ** ৰাজ্যত বিজ্ঞান মনস্কতাৰ যোগেদি 'কু-সংস্কাৰ, অন্ধবিশ্বাসবিৰোধী' নীতি প্ৰচাৰ আৰু প্ৰসাৰ কৰা সংস্থা ইলোৰা বিজ্ঞান মঞ্চ অসমৰ আজি প্ৰতিষ্ঠা দিৱস। এই দিৱস কামৰূপ জিলাৰ বকো শাখাৰ উদ্যোগত আজি পুৱাৰে পৰা বকোস্থিত অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মঞ্চৰ কাৰ্যালয়ত আয়োজন কৰা হয়। ইলোৰা বিজ্ঞান মঞ্চৰ ঊনবিংশতিতম প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰে সভাপতি গৌৰাংগ ঠাকুৰীয়াই। সম্পাদক অপূৰ্ব কুমাৰ ৰয়ে আঁত ধৰা অনুষ্ঠানত বৌদ্ধিক তথা বিজ্ঞান শিক্ষাৰ ওপৰত জনস্বাস্থ্য, পৰিৱেশ, সংৰক্ষণ আৰু অন্ধবিশ্বাস দূৰীকৰণ শীৰ্ষক আলোচনা-চক্ৰৰ বিষয়টোৰ সঞ্চালনা কৰে সভাপতি গৌৰাংগ ঠাকুৰীয়াই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ইলোৰা বিজ্ঞান মঞ্চৰ বিষয়ববীয়া তথা বকো সাহিত্য সভাৰ সভাপতি সুৰেন চন্দ্ৰ কলিতাই ভাষণ প্ৰসংগত কয় যে, সমাজ সংস্কাৰ কৰিবলৈ বিজ্ঞান মনস্কতা আৰু উদ্ভাৱন শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি হ'ব লাগিব। জনস্বাস্থ্যৰ বাবে পৰিৱেশ সংৰক্ষণ আৰু অন্ধবিশ্বাস দূৰ কৰিবই লাগিব বুলি জনায়। অনুষ্ঠানত ইলোৰা বিজ্ঞান মঞ্চৰ কৰ্মী তথা জ্যেষ্ঠ সমাজকৰ্মী খগেন্দ্ৰজিৎ ঠাকুৰীয়া, অৰবিন্দ চৌধুৰী, প্ৰহ্লাদ বড়ো, যাদৱ ৰাভা, ভাৰতীয় জীৱন বীমা নিগমৰ দুধনৈ শাখাৰ জ্যেষ্ঠ সহায়ক দীপক দৈমাৰী, গিৰিধাৰী অধিকাৰী, নাৰায়ণ তালুকদাৰ, বনফুলী মেধি, বৰ্ণালী তালুকদাৰকে ধৰি বহুসংখ্যক লোক উপস্থিত থাকে। ইলোৰা বিজ্ঞান মঞ্চৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা আলোচনা-চক্ৰত সভাপতি গৌৰাংগ ঠাকুৰীয়াই কয় যে, বিজ্ঞান মনস্কতাৰ যোগেদি সমাজ সংস্কাৰ কৰিব পাৰে আৰু উদ্ভাৱন শক্তিৰ প্ৰসাৰ ঘটে। অনুষ্ঠানত প্ৰতিগৰাকী অতিথিয়ে সাম্প্ৰতিক সময়ৰ সংৰক্ষণ ব্যৱস্থাৰ ওপৰত আলোকপাত কৰে।


# অংগনৱাড়ী কৰ্মীৰ আকস্মিক মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ১৫ মে' ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গত ১৩নং ভুটিয়াচাং চাহ বাগিচাৰ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী গীতা ডেকা শইকীয়াৰ (৪৬) কালি অকাল বিয়োগ ঘটাত অঞ্চলটোত শোকৰ ছাঁ পৰে। জানিব পৰা মতে মৃত গীতা ডেকা শইকীয়াই আজি কেইবাদিনো ধৰি লিভাৰৰ সমস্যাত ভুগি আছিল। তেওঁৰ টংলাত থকা মাতৃৰ পৰিয়ালৰ তত্বাৱধানত চিকিৎসা চলি আছিল। চিকিৎসকৰ পৰামৰ্শত তেওঁৰ স্বাস্থ্যৰ কিছু উন্নত হোৱাত কৰ্মস্থলী তথা ১৩নং ভুটিয়াচাং বাগিচাৰ নিজা বাসগৃহলৈ পুত্ৰৰ সৈতে থাকিবলৈ লয়। ইয়াৰ পিছত তেওঁ পুনৰ অংগনৱাড়ীৰ বিভিন্ন কৰ্মত নিয়োজিত হয়। কিন্তু ১৩ মে' তাৰিখে হঠাৎ তেওঁৰ নিজৰ ঘৰত থকা অৱস্থাতে আবেলি প্ৰায় পাঁচ মান বজাত শৰীৰ দুৰ্বল হৈ পৰে। ততাতৈয়াকৈ পুত্ৰ আৰু পৰিয়ালৰ লোক তথা ওচৰ-চুবুৰীয়াই গাড়ীৰে টংলাত অৱস্থিত চিকিৎসালললৈ লৈ যায় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। মৃত গীতা ডেকা শইকীয়া অঞ্চলটোৰ ভিতৰত এগৰাকী কৰ্ম উদ্যমী মহিলা আছিল। তেওঁ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী হোৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আহিছে। সদৌ অসম অংগনৱাড়ী কৰ্মী-সহায়িকা ইউনিয়নৰ এজন সক্ৰিয় কৰ্মী আছিল প্ৰয়াত শইকীয়া। মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ বাসস্থান বহু লোকেৰে ভৰি পৰে। পৰোপকাৰী তথা মানৱীয়তা অন্তৰৰ মহিলাগৰাকীৰ অকাল মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। প্ৰয়াত গীতা ডেকা শইকীয়া অসমীয়া প্ৰতিদিন কাকতৰ টংলাৰ সংবাদ দাতা নাৰায়ণ ডেকাৰ জ্যেষ্ঠ ভগ্নী আছিল। লগতে গীতা ডেকা শইকীয়াই মৃত্যুৰ সময়ত দুই পুত্ৰক এৰি যায়।

# দীপৰ বিল সুৰক্ষা মঞ্চৰ উদ্যোগত দেউছটালৰ নৱজ্যোতি সংঘৰ খেলপথাৰত গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৫ মে' ঃ** প্ৰকৃতিৰ ৰম্যভূমি দীপৰ বিলৰ স্বাভাৱিক জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ বাবে নতুনকৈ গঠন হোৱা দীপৰ বিল সুৰক্ষা মঞ্চই ছাত্ৰ-ছাত্ৰীকে ধৰি সাধাৰণ ৰাইজৰ মাজত পৰিৱেশ সচেতনা সৃষ্টিৰ বাবে ব্যাপক গছপুলি ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে দীপৰ বিলৰ কাষৰীয়া দেউছটালৰ নৱজ্যোতি সংঘ খেলপথাৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৩৪সংখ্যক ব'হাগী উৎসৱৰ লগত সংগতি ৰাখি গছপুলি ৰোপণ কৰা হয়। এটি মহানিমৰ পুলি ৰোপণ কৰি গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে দেউছটালৰ চৰকাৰী গাঁওবুঢ়া নন্দৰাম ফাংচ'ৱে। এই উপলক্ষে অনুষ্ঠিত চমু অনুষ্ঠানত নৱজ্যোতি সংঘৰ সভাপতি আৰু ব'হাগী উৎসৱ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি বলেশ্বৰ ৰংপি, উদ্‌যাপন কমিটীৰ সভাপতি কেষ্টৰাম ৰংপি, উপ-সভাপতি অশোক থাপা, চকৰদৌ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দ্বিপেন ৰংপি, সমাজকৰ্মী বিনন ৰংপিকে ধৰি কেইবাজনো বিশিষ্ট লোক, দীপৰ বিল সুৰক্ষা মঞ্চৰ সাধাৰণ সম্পাদক প্ৰমোদ কলিতা, সহকাৰী সম্পাদক সুশীল টেৰণ, ভনিতা বড়ো টেৰণকে ধৰি মঞ্চৰ কেইবাজনো কৰ্মকৰ্তা উপস্থিত থাকে। আনহাতে, আজি খেলপথাৰ চৌহদত মহানিম, শেৱালি ফুল, জাম, অগৰু আৰু বকুলৰ ২০টা পুলি ৰোপণ কৰি গৰু-ছাগলীয়ে খাব নোৱৰাকৈ চাৰিওফালে বেৰ দিয়া হয়। মঞ্চৰ সাধাৰণ সম্পাদক প্ৰমোদ কলিতা আৰু সহকাৰী সম্পাদক সুশীল টেৰণে অনাগত দিনতো দীপৰ বিলৰ কাষৰীয়া অঞ্চলত নিমন্ত্ৰিত ৰাজহুৱা অনুষ্ঠানত গছপুলি ৰোপণৰ কাৰ্যসূচী চলি থাকিব।



# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক হৰকান্ত ডেকাৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৫ মে' ঃ** কামৰূপ জিলাৰ শালমাৰাত ১৯৩৬ চনত জন্মগ্ৰহণ কৰা বৰ্তমানৰ ডোৰাকঁহৰা নিবাসী হৰকান্ত ডেকাৰ বাৰ্ধক্যজনিত কাৰণত ১২ মে' বৃহস্পতিবাৰে সন্ধিয়া ৫.৩০ বজাত ৮৬ বছৰ বয়সত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। প্ৰয়াত ডেকা ভাৰতীয় জীৱন বীমা নিগমৰ এগৰাকী অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক আছিল। কামৰূপৰ ডোৰাকঁহৰা অঞ্চলৰ এগৰাকী ভকতৰূপে পৰিচিত প্ৰয়াত ডেকাই মৃত্যুৰ সময়ত তেওঁৰ পত্নী, পুত্ৰ-বোৱাৰী, জী-জোঁৱাইসহ আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত ডোৰাকঁহৰাৰ উপৰি তেওঁৰ জন্মস্থান শালমাৰা অঞ্চলৰ ৰাইজৰ লগতে অসংখ্য ভকত-বৈষ্ণৱে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে।

# কঠীয়াতলী শিক্ষা খণ্ডৰ অন্তৰ্গত বিদ্যালয়সমূহত সফলতাৰে গুণোৎসৱ পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ১৫ মে' ঃ** নগাঁও জিলাৰ কঠীয়াতলী শিক্ষাখণ্ডৰ অন্তৰ্গত অন্যান্য বিদ্যালয়ৰ লগতে নিজ কঠীয়াতলী মণ্ডল সমল কেন্দ্ৰৰ ৰাঙলু গ্ৰাণ্ট প্ৰাথমিক বিদ্যালয়তো কালি গুণোৎসৱ পালন কৰা হয়। বিদ্যালয়খনত বহিঃ মূল্যায়ক হিচাপে অংশগ্ৰহণ কৰে হোজাই ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপক কাশীনাথ চৌহানে। গুণোৎসৱৰ লগত সংগতি ৰাখি কৰা ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন প্ৰক্ৰিয়াত তদাৰক আৰু নিৰীক্ষণ কমিটীৰ সদস্য ঘনকান্ত বৰা, নিজ কঠীয়াতলী মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক লম্বিত দলে, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মনোজ আহমেদ, সদস্য আব্দুল বাচেদ, বাচেদ খণ্ডকাৰ, আঃ বাৰেক, নুৰজাহান খাতুন আৰু ৰহিমা খাতুন আদিয়ে সহযোগিতা আগবঢ়োৱাৰ বাবে সকলোলৈকে ধন্যবাদ জনায় বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী দীপামণি গগৈয়ে। ইফালে নিজ কঠীয়াতলী মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত শগুনবাহী চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ গুণোৎসৱ কাৰ্যসূচীত বহিঃ মূল্যায়ক হিচাপে কাৰ্য সম্পাদন কৰে লংকা শিশু উন্নয়ন প্ৰকল্প আৰু সমাজ কল্যাণ বিষয়া সাধনা পাটৰে লগতে নামবৰ লালুং গাঁও মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত মুদৈ বস্তি প্ৰাথমিক বিদ্যালয়ত বহিঃ মূল্যায়ক হিচাপে কাৰ্য সম্পাদন কৰে লংকা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা সুপৰ্ণা নন্দী কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত অধ্যাপিকা সুপৰ্ণা নন্দীয়ে কয় যে বহু মধুৰ স্মৃতি বুকুত লৈ অন্তিম দিনা গুণোৎসৱৰ সফলতাৰে সামৰণি মাৰিলো।

# আকাশ ফুকনলৈ বিশিষ্ট যুৱ সমাজকৰ্মী সন্মান



**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৫ মে' ঃ** বোকাখাতৰ খহনীয়াখ্যাত 'মৰিয়াহোলা ক্ৰীড়া সন্থা'ই ৰাজ্যিক বিজেপিৰ সদস্য, বোকাখাতৰ বিশিষ্ট যুৱ নেতা, বোকাখাতৰ 'দীনবন্ধু' আকাশ ফুকনলৈ আগবঢ়াইছে 'বিশিষ্ট যুৱ সমাজকৰ্মী সন্মান'। মৰিয়াহোলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আয়োজিত প্ৰয়াত মদন চুৱা, টংকেশ্বৰ বৰা সোঁৱৰণী ফুটবলৰ চূড়ান্ত খেলত উপস্থিত থকা যুৱ নেতাগৰাকীক এই সন্মান প্ৰদান কৰে। এখন অংগ বস্ত্ৰ, সন্মান-পত্ৰ আৰু এটি খোদিত ভাস্কৰ্যৰে সন্মান জনোৱা হয় যুৱ নেতাগৰাকীক। অভিভূত যুৱ নেতা আকাশ ফুকনে এয়া বৃহত্তৰ মৰিয়াহোলাবাসীৰ মৰম বুলি উল্লেখ কৰি অঞ্চলটোৰ সৰ্বতোপ্ৰকাৰ উন্নয়নত বিশেষ ভূমিকা গ্ৰহণৰ আশ্বাস দিয়ে। ইউনাইটেড ক্লাব, নুমলীগড় আৰু ৰাইজিং ক্লাব, কাৰ্বি আংলঙৰ মাজত অনুষ্ঠিত চূড়ান্ত খেলখন উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক বুবুল দত্তই। বিশিষ্ট অতিথি হিচাপে অংশ লয় বোকাখাত জিলা ক্ৰীড়া সন্থাৰ সম্পাদক সঞ্জীৱ শইকীয়া, বোকাখাত ছাত্ৰ সন্থাৰ সভাপতি মানৱ গগৈ, বিজেপি নেতা অভিজিত নাথ, পঞ্চায়ত সভাপতি ৰূপা বৰা, আঞ্চলিক সদস্য শৰৎ শইকীয়া, ৱাৰ্ড সদস্য ৰশ্মি বৰাকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আৰম্ভণী অনুষ্ঠানৰ আঁত ধৰে জয়ন্ত বৰাই। নিৰ্ধাৰিত সময়ত ৩-৩ গ'লত ড্ৰ হোৱাত টাইব্ৰেকাৰ পদ্ধতিৰে ৬-৪ গ'লৰ ব্যৱধানত ইউনাইটেড ক্লাব নুমলীগড় বিজয়ী হয়।

# ৫ আগষ্টত কৰ্মচাৰী দিৱস উদযাপন

দৈনন্দিন বাৰ্তা সেৱা শিৱসাগৰ, ১৩ মে' :- লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু দিৱসৰ লগত সংগতি ৰাখি অসম চৰকাৰে ৫ আগষ্ট দিনটো "কৰ্মচাৰী দিৱস" হিচাবে উদযাপন কৰিবলৈ লৈছে। এই দিনটোতেই অসম চৰকাৰে ৰাজ্যিক পৰ্যায়ত ১০ গৰাকী আৰু প্ৰতিখন জিলাৰ ৫ গৰাকীকৈ অ-ৰাজপত্ৰিত কৰ্মচাৰীলৈ কৰ্ম-নৈতিকতা, নিয়মানুৱৰ্তিতা, আৰু অন্যান্য মানদণ্ডৰ ভিত্তিত নিৰ্বাচিত কৰি পুৰস্কাৰ প্ৰদান কৰিব । জিলা পৰ্যায়ত এই পুৰস্কাৰৰ বাবে কৰ্মচাৰী নিৰ্বাচনৰ ক্ষেত্ৰত জিলা উপায়ুক্তক সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। উপায়ুক্তই বিভাগীয় নিৰ্দেশনা অনুসৰি কৰ্মচাৰীৰ তালিকা প্ৰস্তুত কৰি অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগলৈ প্ৰেৰণ কৰিব লাগিব। এই পুৰস্কাৰৰ বাবে নিৰ্বাচিত কৰ্মচাৰী সকলৰ চাকৰিৰ কাৰ্যকাল এটা বছৰ বৃদ্ধি কৰা হ'ব বুলি অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ যুটীয়া সচিবে এক পত্ৰ যোগে অৱগত কৰিছে।

# চামতাত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৫ মে' ঃ** পশ্চিম নলবাৰী অঞ্চলৰ চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবত ২২ মে'ত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি সিদিনা পুৱা ৯ বজাত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি মজিবুৰ ৰহমানে পতাকা উত্তোলন কৰাৰ পিছতে শ্বহীদ তৰ্পণ, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ কৰা হ'ব। উল্লেখ্য, দিনৰ ১০.৩০ বজাত প্ৰেছ ক্লাবৰ মঞ্চসূৰ্য ধৰণী বৰ্মন সোঁৱৰণী প্ৰেক্ষাগৃহত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি মজিবুৰ ৰহমানৰ সভাপতিত্বত সম্পন্ন হ'ব লগা মুকলি অধিৱেশনখন উদ্বোধন কৰিব নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকনে। মুকলি সভাত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি টুটুমণি ফুকনে মুখ্য অতিথি, উদ্যোগ, বাণিজ্য তথা পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক উপদেষ্টা জয়ন্ত মল্ল বৰুৱাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি অনুষ্ঠানত অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক আৰু সাংগঠনিক সম্পাদক ক্ৰমে মুকুটৰাজ শৰ্মা আৰু কিশোৰজ্যোতি শৰ্মাই নিৰ্দিষ্ট বক্তা, বৰক্ষেত্ৰীৰ বিধায়ক দিগন্ত বৰ্মন, বৰমাৰ বিধায়ক ভূপেন বড়ো, পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অৰ্পণা শৰ্মা, ভাৰত বাৰ্তাজীৱী মহাসংঘৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য মধুসূদন মেধি আৰু সচেতন নাগৰিক মঞ্চ, অসমৰ সভাপতি চন্দন ভট্টাচাৰ্য, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, লেখক-নাট্যকাৰ নৱৰত্ন পাটোৱাৰী, পকোৱা জিলা পৰিষদৰ সদস্য পৱিত্ৰ কুমাৰ ডেকা, বিশিষ্ট সমাজকৰ্মী পুলক কুমাৰ শৰ্মা, নলবাৰীৰ জিলা তথ্য আৰু জনসংযোগ বিষয়া চুম্পী চুতীয়া, নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকা, বেলশৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লিটুমণি শৰ্মা, জনমভূমি এমপ্লয়িজ ইউনিয়নৰ সভাপতি উৎপল ভাগৱতী, অসম বাৰ্তাজীৱী সংঘৰ প্ৰচাৰ সম্পাদক হেমন্ত বৰ্মন আৰু কাৰ্যনিৰ্বাহক সদস্য নৱনীতা কলিতাই আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ইফালে বিয়লি ২ বজাত প্ৰতিনিধি আৰু বিষয় বাছনি সভাখন অনুষ্ঠিত হ'ব বুলি নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক ৰূপ কুমাৰ শৰ্মাই জনাইছে।

# কুৰুৱা সামাজিক আঞ্চলিক বন কাৰ্যালয়ৰ তৰফৰ পৰা গছপুলি বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ১৫ মে' ঃ** ৰাজ্য চৰকাৰৰ বন বিভাগে প্ৰতি বছৰে পালন কৰি অহা ৪২সংখ্যক সেউজী সপ্তাহ উপলক্ষে ৮-১৪ মে'লৈ নলবাৰী সামাজিক বনানীকৰণ সংমণ্ডল প্ৰাধিকাৰী মুকুট চন্দ্ৰ দাসৰ নিৰ্দেশ মৰ্মে কুৰুৱা সামাজিক আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ে বিনামূলীয়া গছপুলি বিতৰণৰ এক কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে, ৮ মে'ত দৰং জিলাৰ দুমুনিচকীস্থিত কুৰুৱা সামাজিক আঞ্চলিক বন কাৰ্যালয়ত গছপুলি বিতৰণ কাৰ্যসূচী শুভাৰম্ভ অনুষ্ঠানৰ পিছতে গণেশ কুঁৱৰী নৱোদয় জাতীয় বিদ্যালয়, সোণাপুৰ আদি বিভিন্ন স্থানত বিনামূলীয়া গছপুলি বিতৰণ কৰা হয়। অন্তিম দিনৰ কাৰ্যসূচীৰ অংশ হিচাপে শনিবাৰে হেটামতোলা প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ মাজত গছপুলি বিতৰণেৰে সামৰণি পৰে ৪২সংখ্যক সেউজী সপ্তাহৰ। কুৰুৱা আঞ্চলিক সামাজিক বনানীকৰণৰ ভাৰপ্ৰাপ্ত আঞ্চলিক বন বিষয়া মুনিন্দ্ৰ নাৰায়ণ ডেকাই পৰিচালনা কৰা গছপুলি বিতৰণ কাৰ্যসূচীত ৰাইজৰ পৰা বিপুল সঁহাৰি লাভ কৰে।



# দৰঙী বিয়াগীত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামখলা, ১৫ মে' ঃ** দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ উদ্যোগত ১০ মে'ৰ পৰা মুঠ ১০৪টা দলৰ মাজত অনুষ্ঠিত হোৱা দৰঙী বিয়াগীত প্ৰতিযোগিতাৰ আজি সামৰণি পৰে চূড়ান্ত প্ৰতিযোগিতাৰ। লোক কলা-কৃষ্টিৰ গৱেষক হবিবুৰ ৰহমানে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা আৰু বিশেষভাৱে নিৰ্বাচিত ১৯টা দলৰ মাজত অনুষ্ঠিত চূড়ান্ত প্ৰতিযোগিতাত দৰং আৰু ওদালগুৰি সীমান্তৱৰ্তী নামখলা, শালৈপাৰা চুবুৰিৰ মাজনী কলিতাৰ দলে প্ৰথম স্থান, মঙলদৈৰ জোনালী হাজৰিকাৰ দলে দ্বিতীয়, আঠিয়াবাৰীৰ মীৰাৰাণী দেৱীৰ দলে তৃতীয় আৰু দেৱানন্দৰ মাইনু মেধীৰ দলে লাভ কৰে চতুৰ্থ পুৰস্কাৰ। দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই আঁত ধৰা আৰু সভাপতি কুলেন্দ্ৰ নাথ ডেকা, বিষ্ণু ৰাভা বঁটাপ্ৰাপক লোকশিল্পী দ্ৰোণ ভূঞা, শিল্পী পেন্সনাৰ ৰাজেন্দ্ৰ নাথ ওজা, লোকশিল্পী গুৰু ৰত্নকান্ত ডেকা, নীলকান্ত ডেকা, নীৰুপমা ডেকা, হিৰণ্যপ্ৰভা নাথ, নাগাৰা নামৰ শিল্পী নৰেশ্বৰ কলিতা, বসন্ত চহৰীয়া, দেৱেশ্বৰ শৰ্মা, হলিৰাম ডেকা, মাধৱী নাথ, লাৱণ্য মহন্ত আদি উপস্থিত থকা সামৰণী অনুষ্ঠানত পুৰস্কাৰ প্ৰদান কৰে শিক্ষাবিদ তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত অৱসৰী অধ্যক্ষ ৰজনীকান্ত নাথে। বিশিষ্ট সমাজসেৱী বাণী চহৰীয়াৰ স্মৃতিত প্ৰমাণ-পত্ৰ আৰু একোখনকৈ বিয়াগীতৰ গ্ৰন্থৰ সৈতে প্ৰথম দলক ৫০০০ টকা, দ্বিতীয় দলক ৩০০০ টকা, তৃতীয় দলক ২০০০ টকা আৰু চতুৰ্থ দলটিক ১০০০ টকা আগবঢ়োৱা হয়। ২৬, ২৭ আৰু ২৮ মে'ত হ'বলগীয়া মঙলদৈ ইউথ ক্লাবৰ উদ্যোগত দৰঙী নাগাৰা নামৰ তিনিদিনীয়া কৰ্মশালা আৰু ১১ আৰু ১২ জুনত চিয়াগীতৰ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব বুলি সংঘৰ সম্পাদকে জনাইছে।




# নাজিৰাৰ মেকীপুৰত পথ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৫ মে' ঃ** যোৱানিশা প্ৰায় ১১.৩০ বজাত নাজিৰাৰ মেকীপুৰত এক পথ দুৰ্ঘটনা সংঘটিত হয়। ২৫নং অসম আৰক্ষী বেটেলিয়নৰ জোৱান সুজিত থাপাক গুৰুতৰভাৱে আহত হৈ সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। কৰ্মস্থলীৰ পৰা এ এছ-০৫ এল-৪০৩৭ নম্বৰৰ স্কুটীৰে নাজিৰা লিগিৰীপুখুৰীস্থিত ২৫নং অসম আৰক্ষী বেটেলিয়ন কেম্পলৈ আহি থকা অৱস্থাত পথত থকা এটা গৰু খুন্দিয়াই গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় জোৱানজন। স্থানীয় ৰাইজে ততাতৈয়াকৈ নাজিৰা লিগিৰীপুখুৰীস্থিত হিতেশ্বৰ শইকীয়া অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে প্ৰাথমিক চিকিৎসা কৰি গুৰুতৰভাৱে আহত জোৱানজনক জয়সাগৰস্থিত শিৱসাগৰ জিলা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। নিশাই আৰক্ষী জোৱানজনক ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

# পশ্চিম নলবাৰীৰ নিজ পকোৱাত বসন্তৰ এদিন উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৫ মে' ঃ** প্ৰতিকূল বতৰকো নেওচি দ্বিতীয়বাৰৰ বাবে উদ্‌যাপন কৰা হ'ল নলবাৰীৰ নিজ পকোৱাবাসীৰ মিলনৰ দিন বসন্তৰ এদিন। পশ্চিম নলবাৰী অঞ্চলৰ এখন সংস্কৃতিপূৰ্ণ গাঁও নিজ পকোৱা। গীত-নাট, নাম-প্ৰসংগ, খেলা-ধূলা আদিৰ ক্ষেত্ৰত আগবঢ়া সম্প্ৰীতিৰ মিলনভূমি এই নিজ পকোৱা গাঁওখনৰ লগতে অঞ্চলটোৰ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ শিক্ষা, সাহিত্য-সংস্কৃতি আৰু স্বাস্থ্য সম্পৰ্কীয় সকলোতে সচেতনতা বৃদ্ধিৰ লগতে সমূহকে সহায় তথা সহযোগিতা আগবঢ়োৱাটোৱে এই অনুষ্ঠান আয়োজন কৰাৰ মূল উদ্দেশ্য বুলি উক্ত অনুষ্ঠানৰ সম্পাদকদ্বয় চন্দন ডেকা আৰু চক্ৰেশ্বৰ সাউদে জানিবলৈ দিয়ে। অনুষ্ঠানটোৰ মুখ্য কাৰ্যসূচী আছিল বঁটা প্ৰদান, যাৰ বাবে সমগ্ৰ অসমতেই চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে এই বসন্তৰ এদিন। যি দুগৰাকী ব্যক্তিৰ সোঁৱৰণত বসন্তৰ এদিন অনুষ্ঠানে বঁটা প্ৰদান কৰি আহিছে, সেই দুগৰাকী নাট্য-যোদ্ধা নলবাৰীৰ গৌৰৱ ভৱেন বৰুৱা আৰু মহানন্দ শৰ্মা। নিসন্দেহে এই বঁটা সন্নিৱিষ্ট কাৰ্যসূচীৰ বাবে বসন্তৰ এদিন অনুষ্ঠানক অনন্য মাত্ৰা প্ৰদান কৰিছে বুলি সচেতন তথা বিদ্বৎ মহলত চৰ্চা হোৱাটো স্বাভাৱিক। সংবাদিক তথা সাংস্কৃতিক কৰ্মী ৰূপক বৈশ্যই জানিবলৈ দিয়ে যে প্ৰতিকূল বতৰকো নেওচি অনুষ্ঠানৰ সময় অনুযায়ী কালি (১৪ মে') পুৱা ১০.৩০ বজাত পকোৱা হাইস্কুলৰ বাকৰিত বসন্তৰ এদিন উদ্‌যাপন সমিতিৰ সভাপতি কুমুদ দত্তই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে। পুৱা ১১ বজাত শ্বহীদ তৰ্পণ কৰে বিশিষ্ট সমাজকৰ্মী লক্ষীৰাম সাউদে। সন্ধিয়া ৭ বজাত পকোৱা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী অনিল সাউদে বন্তি প্ৰজ্বলন কৰে। সন্ধিয়া ৮ বজাত ভৱেন বৰুৱা-মহানন্দ শৰ্মা সোঁৱৰণী জীৱনজোৰা সাধনা বঁটা মৰণোত্তৰভাৱে এইবাৰ প্ৰদান কৰা হয় লোক-সংগীতৰ সাধক প্ৰভাত শৰ্মাক আৰু বঁটাটি প্ৰদান কৰে অসমৰ জ্যেষ্ঠ কণ্ঠশিল্পী লুইত কুঁৱৰী ড° অণিমা চৌধুৰীয়ে। উল্লেখ্য যে বিশিষ্ট সমাজকৰ্মী কমলেশ চৌধুৰী



উপস্থিত থকা উক্ত বঁটা প্ৰদান অনুষ্ঠানত বিশেষজ্ঞ বক্তা হিচাপে আসন অলংকৃত কৰি আনন্দৰাম বৰুৱা ভাষা, কলা-সংস্কৃতি সংস্থাৰ সঞ্চালক ড° দিলীপ কলিতাই অসমৰ লোক-সংস্কৃতিৰ ওপৰত ৰসাল তথা মনোগ্ৰাহী বক্তব্য প্ৰদানেৰে উপস্থিত দৰ্শকক মোহাচ্ছন্ন কৰি তোলে। ২০১৯ৰ ২৬ মে'ত প্ৰথমবাৰৰ বাবে এই বঁটা প্ৰদান কৰা হৈছিল নিজ পকোৱা গাঁৱৰে সন্তান অসমৰ সুকণ্ঠী গায়িকা ড° অণিমা চৌধুৰীক। ক'ভিডকালীন পৰিস্থিতিৰ বাবে বিগত দুটা বছৰত উক্ত অনুষ্ঠানটি আয়োজন কৰিব পৰা হোৱা নাছিল। নিশা ৯ বজাৰ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠানত ড° দিলীপ কলিতাই বেহেলাবাদনৰ সুৰেৰে সকলোকে আপ্লুত কৰে। শিশু নৃত্যশিল্পী বিৰিণা কাশ্যপৰ এটি নৃত্যই সাংস্কৃতিক সন্ধিয়াত বিশেষভাৱে মনোৰঞ্জন প্ৰদান কৰে। গায়ক ভাস্কৰ সুৰথৰ গীতৰ কৰণিয়ে মাজনিশালৈকে বৰষুণৰ মাজতো শ্ৰোতা-দৰ্শকক মোহিত কৰি ৰাখে। নৃত্যাংগনা সাংস্কৃতিক গোষ্ঠীৰ শিল্পীসকলৰ দ্বাৰা বাৰেৰহণীয়া নৃত্যানুষ্ঠানেৰে উৎফুল্ল দৰ্শকৰ আনন্দ-উল্লাসেৰে বসন্তৰ এদিনৰ সামৰণি পৰে।

## ৰাশিফলত আজিৰ দিনটো

**১ জেঠ, সোমবাৰ, ১৬ মে', ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ শুক্লা পূৰ্ণিমা, নক্ষত্ৰ ঃ বিশাখা, জন্ম ৰাশি ঃ তুলা**
**সূৰ্যোদয়- ৪-৩৯-১৪ সূৰ্যাস্ত- ৫-৫৫-৪০**



■ **মেষ** ঃ ভ্ৰমণত সুখ ■ **বৃষ** ঃ মৰ্যাদা বৃদ্ধি ■ **মিথুন** ঃ গৃহত শুভকৰ্ম ■ **কৰ্কট** ঃ কৰ্ম ব্যস্ত ■ **সিংহ** ঃ শত্ৰু ভয় ■ **কন্যা** ঃ কৰ্মত জটিলতা ■ **তুলা** ঃ সন্মান লাভ ■ **বৃশ্চিক** ঃ কৃতকাৰ্যতা ■ **ধনু** ঃ সম্পদ লাভ ■ **মকৰ** ঃ কৰ্মদক্ষতা ■ **কুম্ভ** ঃ শুভ সংবাদ ■ **মীন** ঃ সম্পদ লাভ।

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৬ মে’ ■ ২০২২ ■ ১ জেঠ ■ গুৱাহাটী

# শৈক্ষিক ক্ষেত্ৰ আৰু চৰকাৰৰ গুণোৎসৱৰ আৰম্ভণি

ৰাজ্যখনত শৈক্ষিক ক্ষেত্ৰখনত বিজেপি চৰকাৰখনে ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়ত ৪২ লাখৰ অধিক ছাত্ৰ-ছাত্ৰীয়ে ভাগ ল’ব পৰাকৈ ৩৩খন জিলাত গুণোৎসৱ কাৰ্যসূচী আৰম্ভ কৰিছে। বাতৰিত প্ৰকাশ পোৱা মতে চৰকাৰী তথ্যত প্ৰকাশ পাইছে যে প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে চাৰি জুনলৈকে গুণোৎসৱ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব পাৰিব। ইয়াৰ উদ্দেশ্য সম্পৰ্কে শিক্ষামন্ত্ৰীগৰাকীয়ে সদৰী কৰা মতে শিক্ষা আহৰণৰ ক্ষেত্ৰত থকা ব্যৱধানসমূহ চিনাক্ত কৰা আৰু গ্ৰেডভিত্তিক শিক্ষাৰ ফলাফলত গুণগত শিক্ষা নিশ্চিত কৰাটোৱেই প্ৰধান উদ্দেশ্য বুলিও তথ্যটোত সদৰী কৰিছে। লগতে বিদ্যালয়সমূহৰ সফলতা আৰু বিফলতা, আন্তঃগাঁথনি, বিদ্যালয়সমূহলৈ আগবঢ়োৱা সা-সুবিধাৰ মূল্যায়ন আদিতো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ সমস্যাসমূহৰ বুজ লোৱাৰ লগতে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াব মন্ত্ৰী, বিধায়ক তথা প্ৰশাসনিক বিষয়াসকলে। আনকি মুখ্যমন্ত্ৰীগৰাকীয়েও আগলৈ বিদ্যালয়ৰ বুজ ল’ব। উল্লেখ্য যে প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে মূল্যায়ন কৰিব প্ৰায় ১৮,৭৫২গৰাকী এক্সটাৰ্ণেলে। তেওঁলোকে সমস্যাসমূহৰ বুজ লোৱাৰ উপৰি শিক্ষক আৰু গাইডৰ ভূমিকাও গ্ৰহণ কৰিব। লগতে পঠন দক্ষতা আৰু স্কুলৰ মূল্যায়নো কৰিব। ক’ভিড মহামাৰীৰ আতংকত বন্ধ থকা দুটা বছৰ গুণোৎসৱৰ অন্তত এই বছৰ চৰকাৰে গুণোৎসৱৰ আয়োজন কৰিছে আৰু ই গুজৰাট চৰকাৰৰ আৰ্হিতে অনুষ্ঠিত কৰিছে আৰু প্ৰকাশ যে গুজৰাটৰ মুখ্যমন্ত্ৰী হৈ থকাৰ কালছোৱাতেই মোদীয়ে গুণোৎসৱৰ আয়োজন কৰিছিল সেয়ে এই গুণোৎসৱক মোদীৰ মানস সন্তান (ব্ৰেইন ৰাইল্ড) বুলি প্ৰকাশ। এক সমীক্ষা মতে এমুৱেল ষ্টেটাছ এডুকেশ্বন ৰিপ’ৰ্ট (এএছইআৰ) মতে গ্ৰামাঞ্চলিৰ প্ৰাথমিক স্কুলৰ শিক্ষা নিম্নমানৰ বাবেই ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ মান উন্নত কৰাৰ ক্ষেত্ৰত চৰকাৰে অধিক গুৰুত্ব প্ৰদান কৰিব লাগে। ইয়াৰ বিপৰীতে চৰকাৰে যদি গুণোৎসৱৰ জৰিয়তে পোৱা স্কুলৰ সংখ্যা বৃদ্ধি কৰাত গুৰুত্ব দিয়ে তেন্তে চৰকাৰে শৈক্ষিক সমস্যা সমাধান কৰাৰ আশা খীণ। মন কৰিবলগীয়া কথা হৈছে আগৰ গুণোৎসৱৰ জৰিয়তে আন্তঃগাঁথনি, বিদ্যুৎ, পুথিভঁৰাল, শৌচালয়, শ্ৰেণীকোঠা তথা স্কুলবোৰৰ ভাঙা-ছিঙাৰ অভাৱে পৰিৱেশ একেবাৰে বিনষ্ট হোৱা পৰিলক্ষিত হৈছিল। সেয়া সমস্যাবোৰ চৰকাৰে পূৰণ কৰিব নোৱৰাৰ অভিযোগ বিদ্যমান। তদুপৰি শিক্ষকৰ অভাৱ। কেৱল মাত্ৰ এগৰাকী শিক্ষকৰে শিক্ষাদান চলোৱাৰ কথা বাতৰিত সঘনে প্ৰকাশ পাই আহিছে। সেই ফালৰ পৰা গুণোৎসৱৰ গুণাগুণ বিচাৰ কৰাৰ আৱশ্যক। অৱশ্যে বহু ৰাজ্যই এই গুণোৎসৱ অনুষ্ঠিত কৰা নাই আৰু সেইবোৰ ৰাজ্যই কেন্দ্ৰৰ নতুন ৰাজ্যই ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়ণৰ কথাহে বিবেচনা কৰিছে আৰু সেই ক্ষেত্ৰত ৰাজ্যবোৰে তৎপৰতাও দেখুৱাইছে। কাৰণ নতুন শিক্ষানীতিৰ ৰূপায়ণ অধিক গুৰুত্বপূৰ্ণ। তেতিয়াহে চৰকাৰৰ নতুন শিক্ষানীতিৰ যোগেৰে শৈক্ষিক পৰিৱেশৰ সফলতা হ’ব। গুণোৎসৱৰ লগতে চৰকাৰে বিদ্যালয়বোৰত নতুন শিক্ষানীতিৰ ৰূপায়ণৰ ক্ষেত্ৰখনো আগবঢ়াই লৈ গৈ আন্তঃগাঁথনি, শ্ৰেণীকোঠা, শিক্ষকৰ অভাৱ আদি নানান সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত গুৰুত্বসহকাৰে কাৰ্যব্যৱস্থা হাতত ল’লেহে শিক্ষা ব্যৱস্থাটোৰ উন্নতি হ’ব বুলি আশা কৰিব পাৰি।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ২০২০ চনৰ ২৭ নৱেম্বৰ শুকুৰবাৰৰ দিনটোৰ কথা আপোনাৰ মনত আছেনে? তেতিয়া সেই সময়ত অসমৰ স্বাস্থ্যমন্ত্ৰীৰ দায়িত্বত আপুনি আছিল। বিটিআৰ নিৰ্বাচনৰ সময়ত বাক্সা জিলাৰ অন্তৰ্গত থমনা বীণাপাণি হাইস্কুলৰ খেলপথাৰত ২৩নং দিহিৰা পৰিষদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থী কনষ্টেনটাইন তিৰ্কীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ প্ৰদান কৰি থকাৰ সময়ত জনসাধাৰণৰ আগত দুটা গুৰুত্বপূৰ্ণ কথা প্ৰকাশ কৰিছিল। প্ৰথমটো হ’ল— থমনা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো ৩০খন বিছনা যুক্তৰে উন্নত কৰা আৰু দ্বিতীয়টো হ’ল— টিহু-ডুমনী ৰাস্তাটো ২০২১ চনৰ ১৫ জানুৱাৰীৰ পৰা কাম আৰম্ভ কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হ’ব বুলি কৈছিল। টিহু-ডুমনী ৰাস্তা হৈ যাব। চিন্তা কৰিব নালাগে। কিন্তু দেখা গ’ল ২০২১ চনৰ ১৫ জানুৱাৰী পাৰ হ’ল। এতিয়া ২০২২ চন যাব। টিহু-ডুমুনী ৰাস্তা আৰু থমনা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কাম নহ’ব। কৰ্মচাৰী বাসগৃহ (কোৱাৰ্টাৰ)বোৰ জহি খৰি যাব। প্ৰতিশ্ৰুতিৰ কথাবোৰ অথলে যাব।

মুখ্যমন্ত্ৰী ডাঙৰীয়া- টিহু-ডুমুনীৰ ৰাস্তাৰ কাম কোনে কৰিব। অসম চৰকাৰে নে বিটিআৰ চৰকাৰে কৰিব। মাথোঁ ৰাস্তাৰ কাম হ’ব লাগে। জনসাধাৰণে যাতনা ভুগিছে। যোৱা কেইমাহ মানৰ আগতে ৰাস্তাৰ দুয়োপাৰে ক’ৰবাত তিনি ফুট ক’ৰবাত দুফুট বহল কৰিছিল যদিও ৰাস্তাৰ কাম আধৰুৱা হৈ থাকিল। গাঁতৰ সৃষ্টি হ’ল। গাড়ী অহা-যোৱা কৰাত অসুবিধাৰ সন্মুখীন হ’ল। এতিয়া আপুনি অসমৰ মুখ্যমন্ত্ৰী। ৰাজ্যত উন্নয়নৰ কাম বহুত কৰিলে। নতুন নতুন আঁচনিৰ কাম হাতত লৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত পুনৰ দলং নিৰ্মাণৰ কাম হাতত লৈছে। দলঙৰ কাম পূৰ্ণগতিত চলি আছে। গুৱাহাটীখনক চালে চকুৱোৱা কৰিলে। উৰণীয়া সেতু নিৰ্মাণ কৰি যাতায়াতৰ বাবে জনসাধাৰণক সুবিধা কৰি দিলে। চাৰিওফালে উন্নয়নে উন্নয়নে। মাথোঁ কৰিব পৰা নাই পিছপৰা অঞ্চলৰ অনুমানিক ২০/২৫ কিলোমিটাৰৰ টিহু-ডুমনী ৰাস্তাৰ কাম। স্বাধীনতাৰ দিনৰ পৰাই এনেকৈয়ে থাকিল। গাঁৱৰ ৰাস্তাবোৰ হ’ল। বৰ দুখৰ কথা। বিটিআৰপ্ৰধান প্ৰমোদ বড়োৱেও নেদেখাৰ ভাও জুৰি ৰাস্তাটোৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাই। ৬৩নং চাপাগুৰি বিধানসভা সমষ্টিৰ (অঃ জঃ) বিধায়ক উৰ্খাও গৌৰা ব্ৰহ্ম ডাঙৰীয়ায়ো মন্ত্ৰী হ’ল। তেৰোঁ চকু মেলি চোৱা নাই।

মুখ্যমন্ত্ৰী ডাঙৰীয়া— ২০২০ চনৰ ২৭ নৱেম্বৰ শুকুৰবাৰৰ দিনটোৰ কথা মনত ৰাখি ৰাস্তাৰ কাম কৰাৰ বাবে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জনসাধাৰণে ভাবিছে। ডাঙৰ মানুহৰ কথা শিলৰ ৰেখা। মুখেৰে যি বাক্য টিহু-ডুমুনী ৰাস্তাটোৰ কাম কৰক, থমনা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ ৩০খন বিছনাযুক্তৰে উন্নত কৰক, কথা দি কথা ৰাখক।

■ গৌতম ৰাভা
ফোন : ৬০০২৭-৫৬৬৮৯

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে ‘দৈনন্দিন বাৰ্তা’ৰ ‘সম্পাদকীয় পৃষ্ঠা’ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ’লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ’ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা ‘দৈনন্দিন বাৰ্তা’ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা :**
‘দৈনন্দিন বাৰ্তা’
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন : ৭৮১০০৩

**প্ৰসংগ : যথা ধৰ্ম তথা জয়**

# ন্যায়-অন্যায়, পজিটিভ-নিগেটিভ



■ বিমান শইকীয়া

ভাৰতীয় মহাকাব্য ‘মহাভাৰত’ ভাৰতৰ ঐতিহাসিক সমল। কৌৰৱ আৰু পাণ্ডৱৰ মাজত সৃষ্ট ঐতিহাসিক কুৰুক্ষেত্ৰ যুদ্ধৰ সুন্দৰ বৰ্ণনা মহামুনি ব্যাসে উপস্থাপন কৰিছে মহাকাব্যখনত। মহাভাৰতৰ ১৮টা পৰ্বৰ কাহিনী ১৮ দিনৰ যুদ্ধৰ বৰ্ণনাৰে পৰিপুষ্ট। আদি পৰ্বৰ পৰা স্বৰ্গাৰোহণ পৰ্বলৈকে কুৰুক্ষেত্ৰ যুদ্ধৰ সাৱলীল উপস্থাপনে মহাকাব্যখনৰ পাণ্ডিত্য প্ৰকাশ কৰিছে। ভগৱান শ্ৰীকৃষ্ণৰ দ্বাৰাই কুৰুক্ষেত্ৰ যুদ্ধৰ উদ্দেশ্য দাঙি ধৰিছে বেদ ব্যাসে। কুৰুক্ষেত্ৰ যুদ্ধক ধৰ্মযুদ্ধ আৰু কুৰুক্ষেত্ৰক ধৰ্ম ক্ষেত্ৰ বুলি অভিহিত কৰিছে। পুণ্য তীৰ্থ স্থান হিচাপে কুৰুক্ষেত্ৰক গণ্য কৰা হয়। কৌৰৱক অধৰ্মৰ প্ৰতীক আৰু পাণ্ডৱক ধৰ্মৰ প্ৰতীক হিচাপে মহাভাৰতৰ কাহিনীত প্ৰতিফলন ঘটিছে। শ্ৰীকৃষ্ণৰ লগত শকুনিৰ কথোপকথনত ব্যক্ত কৰিছে কুৰুক্ষেত্ৰ যুদ্ধৰ সাৰমৰ্ম। যুদ্ধৰ শেষৰ ফালে শকুনিক ভগৱান শ্ৰীকৃষ্ণই কৈছে— তোমাৰ উদ্দেশ্য প্ৰতিশোধ আৰু প্ৰতিহিংসা। কিন্তু মোৰ- যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত, অভ্যুত্থানম ধৰ্মস্য, তদাত্মানং সৃজম্যহম, পৰিত্ৰাণায় সাধুনাম, বিনাশায়শ্চ দুষ্কৃতম, ধৰ্ম সংস্থাপানাৰ্থায়, সম্ভৱামী যুগে যুগে। এই কথাৰ তাৎপৰ্য কুৰুক্ষেত্ৰ যুদ্ধৰ মৌলিক বৈশিষ্ট্য। ভগৱান শ্ৰীকৃষ্ণৰ কথাৰ আঁত ধৰি গান্ধাৰীয়ে পুতেক দুৰ্যোধনক কৈছিল— যথা ধৰ্ম তথা জয়। কাষৰ শৰ্যাত আছিল মহাৰাজ ধৃতৰাষ্ট্ৰ। ধৃতৰাষ্ট্ৰই পুতেক দুৰ্যোধনক আশীৰ্বাদ দিছিল আৰু কৈছিল— যুদ্ধত জয় হওক। কিন্তু মাক গান্ধাৰীয়ে ক’লে— আৰু যদি হয় পৰাজয়? এইটোৱেই - যথা ধৰ্ম তথা জয়। মাতৃৰ মৰমেও পুত্ৰৰ অধৰ্মক পৰাভূত কৰিছে।পুত্ৰ স্নেহত অন্ধ হোৱা নাই মাতৃ গান্ধাৰী। স্বাভাৱিকতেই কৌৰৱক অধৰ্মী সজাই, পাণ্ডৱক ধৰ্মৰ প্ৰতীকৰূপে জগতৰ ভাৰ হৰণ কৰিবলৈ ভগৱান শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰ যুদ্ধৰ অৱতাৰণা কৰিছিল।

বিশ্ব বিখ্যাত পশ্চিমৰ প্ৰথম দাৰ্শনিক গ্ৰীক পণ্ডিত চক্ৰেটিছক বিহ খুৱাই হত্যা কৰা হৈছিল। অৰ্থাৎ এথেন্সৰ শাসন ব্যৱস্থাই তেওঁক মৃত্যুদণ্ড দিছিল। কাৰণ তেওঁ নতুন প্ৰজন্মক সঁচা কথা ক’বলৈ উদ্বুদ্ধ কৰিছিল। কাৰণ তেওঁ যুৱ শক্তিক আহ্বান জনাইছিল আত্মপ্ৰত্যয় লাভ কৰিবলৈ- কোনটো শুদ্ধ, কোনটো ভুল, কোনটো সত্য, কোনটো অসত্য বিচাৰ কৰিবলৈ আৰু কোনটো ন্যায়, কোনটো অন্যায় চালিজাৰি চাবলৈ চক্ৰেটিছে বাৰেবাৰে আহ্বান জনাইছিল। এইটোৱেই আছিল চক্ৰেটিছৰ অপৰাধ। কিন্তু এই সত্য আৰু ন্যায়ৰ পৃষ্ঠপোষকতা কৰা মহান দাৰ্শনিকজনক সত্য আৰু ন্যায়ৰ বাবেই এপিয়লা বিহ পান কৰি ইহসংসাৰৰ পৰা বিদায় ল’লে। মহা মানৱ মহাত্মা গান্ধীৰ দৰ্শনতো সত্যই ভগৱান বুলি বিচাৰ-বিশ্লেষণ কৰিলেই দেখা যায়। তেওঁৰ আত্মজীৱনীৰ নামেই আছিল- মোৰ সত্য অন্বেষণৰ অভিজ্ঞতাৰ কাহিনী (The story of my experiment with truth) সত্যৰ অন্বেষণত জীৱন আহুতি দিয়া ভাৰতৰ স্বাধীনতা আন্দোলনৰ গুৰি ধৰোঁতা জাতিৰ পিতা মহাত্মা গান্ধীৰ দৰ্শনৰ আজি সমাদৰ কিমান, ই নতুন প্ৰজন্মৰ সপোন হয়নে? এই প্ৰশ্নৰ উত্তৰ বিচাৰি কৌতূহল আৰু প্ৰত্যাহ্বানৰ অতি প্ৰয়োজন হৈ পৰিছে। তেওঁ দক্ষিণ আফ্ৰিকাৰ পৰা ওকালতি এৰি ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰা মূল কাৰণ আছিল মিছা কথা ক’বলৈ গান্ধীৰ সত যোৱা নাছিল। কাজেই ওকালতি ইস্তফা দিছিল বুলি বিদ্যালয়ৰ পাঠ্যপুথিতো পোৱা যায়। আমি হাইস্কুলত থাকোতেই পঢ়িছিলো। এতিয়াও সত্য আৰু ন্যায়ৰ গুণ-গৰিমা হেৰাই যোৱা নাই। কিন্তু বহুতো সমাজবিৰোধী চক্ৰই ইয়াক ভূলুণ্ঠিত কৰিবলৈ চেষ্টা কৰি আছে। বাতৰি কাকতবিলাকৰ হেডত লিখা থাকে— সত্য আৰু নিৰপেক্ষ সংবাদ পৰিৱেশন কৰা কাকতখনৰ মৌলিক ধৰ্ম। কিন্তু কিছুমান সাংবাদিকৰ ক্ষেত্ৰত সত্য আৰু নিৰপেক্ষতা স্বাৰ্থত আৰু শত্ৰুতাত পৰিণত হয়। তেনেস্থলত সমাজখনে সত্য আৰু ন্যায়ৰ প্ৰতি ধাৱিত হ’বলৈ অনুপ্ৰেৰণা ক’ত পাব? সমাজৰ বৌদ্ধিক শ্ৰেণীটোৰ একাংশ ব্যক্তিৰ যদি সত্যৰ পক্ষত অথবা ন্যায়ৰ পথত চিন্তাৰ প্ৰয়োগ নহয়, তেনে সমাজখনত নিৰপৰাধী আৰু নিঃকিন সৰ্বসাধাৰণ ৰাইজৰ সুৰক্ষা কোনে দিব? এনে ধৰণৰ প্ৰশ্নবিলাক জনগণৰ মাজতো আজি চৰ্চিত হৈছে। দিল্লীৰ কৃষক আন্দোলনৰ সময়ত তেওঁলোকৰ ভাৰতীয় সাংবাদিকতাৰ ওপৰত আস্থা হেৰুৱাই নিজেই কাকত ছপা কৰি আন্দোলনৰ খবৰ প্ৰচাৰ কৰিছিল। সমাজত ঘটি থকা দলিত, নিষ্পেষিত শ্ৰেণীটোৰ নাৰীৰ ওপৰত চলি থকা নিৰ্যাতনৰ ক্ষেত্ৰত ন্যায়ৰ যুঁজত একাংশ সাংবাদিকৰ ভূমিকা অনস্বীকাৰ্য। কিন্তু বহুতো সাংবাদিকৰ মুখা খোল খুৱাই দিছিল। উত্তৰ প্ৰদেশৰ হাথ্ৰছ কাণ্ডই সভ্য মানুহক হতবাক কৰিছিল। ২০২০ চনৰ ১৪ ছেপ্টেম্বৰত সংঘটিত দলিত ছোৱালীক ধৰ্ষণ কৰি হত্যা কৰা হৈছিল বুলি তোলপাৰ লগা হাথ্ৰছ কাণ্ডই কিন্তু একাংশ সাংবাদিকক স্পৰ্শ কৰিব নোৱাৰিলে। ইণ্ডিয়া টুডেৰ তনুশ্ৰী পাণ্ডেৰ দৰে দায়বদ্ধ সাংবাদিকৰ ভূমিকাই জোৱাৰ সৃষ্টি কৰিছিল উত্তৰ প্ৰদেশত। ভাৰতৰ সংবাদ মাধ্যমৰ চুকে-কোণে চৰ্চা হৈছিল সত্য আৰু ন্যায়ৰ সাংবাদিকতাৰ দৃষ্টান্ত কিমান গভীৰ আৰু প্ৰেৰণাৰ উৎস। কাজেই প্ৰতিজন নাগৰিকেই সচেতন আৰু সজাগ হ’ব লাগিব সত্য অন্বেষণৰ প্ৰতি। কেৱল সাংবাদিকতাৰ ওপৰত ঠিকা দি হাত সাৱটি বহি থাকিলেই সমাজত সত্য আৰু ন্যায় প্ৰতিষ্ঠা নহয়। ইয়াৰ বাবে জনগণৰ দায়বদ্ধতাৰ প্ৰয়োজন। জনগণে সংবাদ মাধ্যমৰ গতি নিয়ন্ত্ৰণ কৰিব পাৰে। সমাজৰ সৰ্বাংগীণ বিকাশৰ পথত সংবাদ মাধ্যমৰ ভূমিকাই জনগণৰ স্বাৰ্থ সুৰক্ষিত কৰিব লাগিব। আপোচহীন সাংবাদিকতাৰ নামত মালা গুঁঠি জপ কৰা একাংশ সাংবাদিকৰ প্ৰৰোচনাত বা উচটনিত সমাজৰ আস্থা হেৰুৱায় সংবাদ মাধ্যমে। কাজেই সংবাদ মাধ্যমৰ ক্ষেত্ৰত সত্য অন্বেষণৰ পথ সুগম কৰিব লাগিব সাংবাদিকতাৰ আমোঘ অস্ত্ৰই। তাৰ বাবেই দৰকাৰ সত্য আৰু ন্যায়ৰ প্ৰতি ধাৱিত এটা সমদল।

মানুহৰ মনৰ বাহিৰে-ভিতৰে ক্ৰিয়া কৰা এটা ফৰ্মূলা পজিটিভ-নিগেটিভ। এই দুই বস্তুৰ সমন্বয়ৰ ফলতে সৃষ্টিৰ অনাবিল আনন্দ লাভ কৰিবলৈ সক্ষম হৈছে মানুহৰ জয় যাত্ৰাত। বস্তু জগতৰ যেনেকৈ পজিটিভ-নিগেটিভৰ সহায়ত সমাধান সূত্ৰ উদ্ভাৱন হয়, ঠিক তেনেদৰেই প্ৰাণী জগতৰ ক্ষেত্ৰতো পজিটিভ-নিগেটিভ ফৰ্মূলা মতেই জীৱন সঞ্চাৰ হৈছে। ই জগতৰ প্ৰাকৃতিক নিয়মৰ দ্বাৰাই পৰিচালিত। ইয়াত পৰিস্থিতিৰ নিয়ন্ত্ৰণ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। কথাবোৰ পজিটিভ-নিগেটিভ থাকে। এই দুই মূল্যবোধ জড়িত কথাৰ ফলতে সত্য আৰু ন্যায়ৰ পথ বিস্তাৰ হয়। পজিটিভ-নিগেটিভ সূত্ৰ আকৰ্ষণ আৰু বিকৰ্ষণ প্ৰমূল্যৰ ওপৰত পৰিচালিত। মানুহৰ অনুসন্ধিৎসু মনে পজিটিভ-নিগেটিভ সূত্ৰ অনুসৰণ কৰি ভৱিষ্যৎ প্ৰজন্মৰ নিৰাপত্তাৰ ক্ষেত্ৰত সুৰক্ষিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। অন্যথা ভৱিষ্যৎ সমাজৰ শৃংখলা কোনোবা দৈত্য-দানৱেও নিয়ন্ত্ৰণ কৰিব পাৰে! ই একেবাৰে প্ৰাকৃতিক বিধি মতেই পৰিচালিত বুলি অভিহিত কৰিব পাৰি। থেছিছ আৰু চিনথেছিছ এই সূত্ৰটোও পজিটিভ-নিগেটিভ সূত্ৰৰ দৰেই বাস্তৱৰ কঠিন পৰীক্ষাত উত্তীৰ্ণ বিষয়বস্তু। মাৰ্ক্সৰ ডাইলেকটিকেল মেটেৰিয়েলিজম এই সূত্ৰৰ দৰেই আধুনিক বিশ্বৰ গৱেষণাৰ বিষয়। নতুন প্ৰজন্মই এই কথাবোৰ বিচাৰ-বিশ্লেষণ কৰিলেই আত্ম জিজ্ঞাসাই ভৱিষ্যৎ সুৰক্ষিত হ’ব।

# ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ আৰু কিমান দিনলৈ চলিব?

■ বেবী সোনোৱাল হাজৰিকা

২৪ ফেব্ৰুৱাৰী ২০২২ তাৰিখৰ পৰা চলি থকা ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধই প্ৰায় তিনি মাহ সম্পূৰ্ণ কৰাৰ দিশত আগবাঢ়িছে। ইতিমধ্যে ইউক্ৰেইনৰ বহুকেইখন চহৰ ধ্বংসস্তূপত পৰিণত হ’ল। দুয়োখন দেশৰে ধন-জন অনেক হানি হ’ল। যুদ্ধ কৰা বাবে ৰাছিয়া আমেৰিকা-ইউৰোপৰ বিভিন্ন অৱৰোধ-নিষেধাজ্ঞাৰ সন্মুখীন হ’ল। ৰাছিয়াৰ দুৰ্দান্ত ৰূপ দেখি এসময়ত ইউক্ৰেইনে নাটোত অন্তৰ্ভুক্ত নহয় বুলিও ঘোষণা কৰিছিল। কিন্তু জেলেনস্কিয়ে আমেৰিকা, ইউৰোপ আৰু নাটোক সামৰিক সাহায্য পঠিয়াবলৈ যেনেদৰে আবেদন জনাইছিল, তাৰ বাবেও ৰাছিয়া বেছি আগ্ৰাসী হৈ উঠে। তাৰ মাজতে দুয়োপক্ষৰ মাজত বহুলানি আলোচনাও হ’ল, কিন্তু যুদ্ধ বন্ধ নহ’ল। ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট’নিঅ’ গুটেৰেছেও ৰাছিয়াক যুদ্ধ বন্ধৰ আহ্বান জনাইছিল। ভাৰতৰ প্ৰধানমন্ত্ৰী মোদীয়েও পুটিন আৰু জেলেনস্কিৰ লগত বাৰ্তালাপ কৰিছিল। শেহতীয়াকৈ বুছাত গণহত্যা আৰু গণকবৰ দিয়া বুলিও ৰাছিয়াৰ গাত কলংকৰ চেকা লাগিল। মাজতে পুটিনক পৰমাণু অস্ত্ৰৰ বাকচসহও দেখা গৈছিল। পুটিনৰ মুখত তৃতীয় বিশ্বযুদ্ধৰ কথাও শুনিবলৈ পোৱা গৈছিল। ৰাছিয়াই ইউক্ৰেইনৰ সেনাক আত্মসমৰ্পণৰ বাবে ‘আল্টিমেটামো’ বান্ধি দিছিল। কিন্তু, কোনোপধ্যেই যুদ্ধৰ সামৰণি পৰা নাই। এটা কথা ঠিক যে, যুদ্ধই কোনোদিন কোনো সমস্যাৰ সমাধান কৰিব পৰা নাই। দীৰ্ঘম্যাদী যুদ্ধই মানুহক অৱসাদত ভোগায়। ধ্বংস হোৱা শান্তিৰ বাতাবৰণ বিচাৰি মানুহে হাহাকাৰ কৰে। ৰাছিয়া উন্নত দেশ। সমৰাস্ত্ৰ, ইন্ধন জাতীয় তেল, সাৰ উৎপাদনৰ ক্ষেত্ৰত পৃথিৱীৰ বহু উন্নত আৰু উন্নয়নশীল দেশ ৰাছিয়াৰ মুখাপেক্ষী। ইউক্ৰেইনক ৰাছিয়াই যিদৰে আগ্ৰাসন কৰিছিল সেই হিচাপত দহ-পোন্ধৰ দিনতে যুদ্ধ শেষ হ’ব যেন ধাৰণা কৰিছিল বিভিন্ন মহলে। বৰ্তমান বহুতে ৰাছিয়াৰ পৰাক্ৰমৰ ওপৰতো সন্দেহ কৰিবলৈ এৰা নাই। ৰাছিয়াই তেন্তে ইউক্ৰেইনক যুদ্ধত হৰুৱাব পৰা নাই কিয়? নে ইচ্ছা কৰি ৰাছিয়াই তেনে কৰা নাই? সেই প্ৰশ্নবোৰ নিশ্চিতভাৱেই মানুহৰ মনলৈ আহিব।

এইখিনিতে ইউক্ৰেইনবাসী, সেই দেশৰ সেনা আৰু প্ৰেছিডেণ্ট জেলেনস্কিৰ অকতোভয় মনোভাৱেও সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। অতি পৰাক্ৰমী জাতিয়ে সকলো শেষ হ’লেও বাহিৰত পৰাজয় স্বীকাৰ কৰি নেদেখুৱায়। সদায় পৰাক্ৰমহে প্ৰদৰ্শন কৰিব বিচাৰে। ইউক্ৰেইনৰ পৰাক্ৰম কিন্তু সমৰাস্ত্ৰৰ নহয়, এই পৰাক্ৰম কঠিন মনোবল আৰু মানৱাস্ত্ৰৰ।

যুদ্ধৰ মাজতে আমেৰিকাৰ প্ৰেছিডেণ্ট বাইডেন আৰু ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী বৰিচ জনছনে পোলেণ্ড সীমান্ত ভ্ৰমণ কৰি গৈছে। জেলেনস্কিৰ লগত কিয়েভৰ ৰাজপথত খোজকাঢ়ি ধ্বংসলীলা প্ৰত্যক্ষ কৰিও গৈছে। ইউৰোপীয় কাউঞ্চিলৰ প্ৰেছিডেণ্ট চাৰ্লছ মিছেলে ইউক্ৰেইনক প্ৰতিৰক্ষা আৰু অন্যান্য ক্ষেত্ৰত আৰ্থিক সাহায্য কৰা সন্দৰ্ভত জেলেনস্কিৰ সৈতে অৰ্থপূৰ্ণ আলোচনাত মিলিত হৈছে। আমেৰিকাই যুদ্ধ বিমান আৰু বিমানৰ অংশ প্ৰদান কৰি ইউক্ৰেইনক সহায় কৰিছে। আমেৰিকাৰ লগতে মিত্ৰ দেশসমূহেও কিয়েভক আৰু অস্ত্ৰ পঠিয়াই সহায় কৰাৰ অংগীকাৰ কৰিছে। সেয়ে হয়তো ৰাছিয়াৰ ‘আল্টিমেটাম’ অৱজ্ঞা কৰি ইউক্ৰেইনে আত্মসমৰ্পণ নকৰাৰ অংগীকাৰবদ্ধ হৈছে। আনহাতে, ৯ মে’ ২০২২ তাৰিখে পুটিনে ইউক্ৰেইন আক্ৰমণ কৰাৰ সিদ্ধান্ত সঠিক আছিল বুলি মন্তব্য কৰে। মস্কোত দ্বিতীয় বিশ্বযুদ্ধত জাৰ্মানীৰ নাৎছী বাহিনীৰ বিৰুদ্ধে ৰাছিয়াৰ ৭৭সংখ্যক বিজয় দিৱস অনুষ্ঠানৰ সেনাৰ পেৰেডত দিয়া বক্তব্যত এই মন্তব্য কৰে। পুতিনে মন্তব্য কৰে যে, বাধ্য হৈ তেওঁ এই বিশেষ অভিযানৰ নিৰ্দেশ দিছিল আৰু এয়া সময়োচিত তথা উপযুক্ত সিদ্ধান্ত আছিল। পুটিনে ১০ হাজাৰোধিক ৰুছ সৈন্যৰ আগত মস্কোৰ ৰেড স্কোৱাৰত দাবী কৰে যে, ক্ৰিমিয়া অঞ্চলত পশ্চিমীয়াসকলে আক্ৰমণৰ পৰিকল্পনা কৰিছিল। যাৰ কাৰণে মস্কোৰ হাতত অভিযানৰ বিকল্প কোনো উপায় নাছিল। লগতে পুটিনে নাটোক ৰাছিয়াৰ বাবে এক ভাবুকি বুলিও উল্লেখ কৰে। তেওঁ মন্তব্য কৰে যে, অনেক বছৰ ধৰি নাটো আৰু অন্যান্য ইউৰোপীয় দেশৰ মাজত সংঘাত বিৰাজমান। পুটিনে কয় যে, ‘নাটোৰ দেশসমূহে আমাৰ কথা শুনিব নিবিচাৰে। ৰাছিয়াই নাটোৰ আগ্ৰাসনৰ বিৰুদ্ধে প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিছে।’

ইতিমধ্যে মাৰিঅ’পোল চহৰৰ অধিকাংশ অঞ্চল দখল কৰাৰ দাবী কৰিছে ৰাছিয়াই। ইউক্ৰেইনৰ সেনাৰ এটা অংশই মাৰিঅ’পোল চহৰৰ আজভষ্টাল ইস্পাট কাৰখানাত অৱস্থান কৰিছে। ১০ বৰ্গ কিলোমিটাৰ অঞ্চলজুৰি থকা এই আজভষ্টাল ইউৰোপৰ অন্যতম বৃহৎ ইস্পাট কাৰখানা। এই কাৰখানাৰ মাটিৰ তলত থকা সুৰংগ আৰু ঘৰসমূহত ৰুছ বোমাৰ পৰা হাত সাৰিবলৈ আশ্ৰয় গ্ৰহণ কৰিছে হাজাৰোধিক সাধাৰণ মানুহে। তাৰ মাজত মহিলা আৰু শিশুৰ লগতে ৫০০ আঘাতপ্ৰাপ্ত সেনাও আছে বুলি প্ৰকাশ পাইছে। ইউক্ৰেইনৰ উপ-প্ৰধানমন্ত্ৰী ইৰিণা ভেৰেশ্চুকে ক্ৰেমলিনৰ ওচৰত মহিলা, শিশু আৰু প্ৰবীণসকলত সেই পাতাল গহ্বৰৰ পৰা উদ্ধাৰ কৰি আনিবলৈ আহ্বান জনাইছে। কিন্তু মস্কোৰ ধাৰণা, তাত ২,৫০০ ইউক্ৰেইনৰ সেনা আৰু ৪০০ ভাৰাতীয়া সেনাহে আছে। অৱশ্যে মস্কোৰ দাবী অগ্ৰাহ্য কৰি কিয়েভে তাত সাধাৰণ মানুহ থকাৰ কথা কৈছে। আনহাতে, মাৰিঅ’পোলৰ মেয়ৰ বাদিমে কৈছে— ‘যিসকল এই পৰিস্থিতিত বাচি আছে তেওঁলোকে বিপদৰ সম্ভাৱনা বুকুত বান্ধিও (risk লৈ) পলাই যোৱাই শ্ৰেয়। কিয়নো ৰাছিয়াক বিশ্বাস কৰিব নোৱাৰি। ইয়াৰ আগতেও মানৱ কৰিড’ৰ তৈয়াৰৰ সুযোগ দিও ৰাছিয়াই বোমা বৰ্ষণ কৰিছিল।’ এই যুদ্ধৰ মাজতেই ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউৰোপ ভ্ৰমণ কৰি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে যে, এইখন যুদ্ধত কোনো নাহাৰে, কোনো নিজিকে। ভাৰতে সকলো সময়তে যুদ্ধ সমাপ্ত কৰাৰ বাবে আহ্বান জনাই আহিছে। আমেৰিকা আৰু ইউৰোপে ইউক্ৰেইন সংকটত ৰাছিয়াৰ বিৰুদ্ধে সৰৱ হৈ বিভিন্ন নিষেধাজ্ঞা আৰোপ কৰিছে। লগতে প্ৰথমৰে পৰা ভাৰতক ৰাছিয়াবিৰোধী অৱস্থান গ্ৰহণৰ বাবে চেষ্টা চলাই আহিছে। ৰাছিয়াৰ লগত থকা বুলি ক্ষুব্ধ হৈ থকা আমেৰিকা-ইউৰোপে ভাৰতক বহু সময়ত নানা কথাৰে শেল মাৰি আহিছে। ভাৰতে আন্তৰ্জাতিক বজাৰত অপৰিশোধিত তেলৰ দাম বঢ়া অৱস্থাত ৰাছিয়াৰ পৰা ৰেহাই মূল্যত তেল কিনা আৰু পূৰ্বৰ অস্ত্ৰ চুক্তি অনুসৰি মিছাইল কিনা কাৰ্যক লৈও আমেৰিকা-ইউৰোপ সৰৱ হৈ আহিছে। কিন্তু ৰাছিয়াৰ ওপৰত বিভিন্ন নিষেধাজ্ঞা আৰোপ কৰাৰ পিছতো আৰু ভাৰতক তেল কিনাত নানা প্ৰকাৰে বাধা দি আহিলেও আমেৰিকাসহ ইউৰোপৰ দেশসমূহে ৰাছিয়াৰ পৰা ভাৰততকৈ বহু বেছি পৰিমাণে তেল কিনাৰ চাঞ্চল্যকৰ তথ্য প্ৰকাশ পাইছে। ‘চেণ্টাৰ ফৰ ৰিচাৰ্ছ অন এনাৰ্জি অ্যাণ্ড ক্লিন এয়াৰ’ চমুকৈ ‘ক্ৰেয়া’ই প্ৰকাশ কৰা এটা ৰিপ’ৰ্টত দেখা গৈছে যে, যুদ্ধ আৰম্ভ হোৱাৰ পিছত ৰাছিয়াৰ তেলৰ ৰপ্তানি বাঢ়িছে। ইয়াতেই আমেৰিকাসহ পশ্চিমীয়া দেশসমূহৰ দুমুখীয়া নীতি প্ৰকাশ পাইছে। এই কথাবোৰ প্ৰকাশ পোৱা বাবেই হয়তো বিশ্বই আঙুলি টোঁৱাব বুলি ভাবি শেহতীয়াকৈ জি -৭ (ফ্ৰাঞ্চ, কানাডা, জাৰ্মানী, ইটালি, জাপান, ব্ৰিটেইন আৰু আমেৰিকা) দেশকেইখন ৰাছিয়াৰ পৰা তেল আমদানি বন্ধৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পিছে সঁচা অৰ্থত এই সিদ্ধান্ত কিমান মানি চলে নে বিশ্বক দেখুৱাবলৈ লৈছে সেয়াহে লক্ষ্য কৰিবলগীয়া কথা।

আমেৰিকা আৰু ইউৰোপৰ কথা মানি চলিবলৈ ভাৰত বাধ্য নহয়। কিয়নো ভাৰতে নিজস্ব বৈদেশিক নীতি মানি চলে। লগতে ভাৰতে স্পষ্টকৈ জনাই আহিছে যে দ্বিপাক্ষিক বাণিজ্যৰ ক্ষেত্ৰত অন্য দেশৰ কথা মতে ভাৰতে চলিব নোৱাৰে। ভাৰতৰ বৈদেশিক নীতি একান্তই ভাৰতৰ নিজস্ব বিষয়। ভাৰতৰ স্বাধীন বৈদেশিক নীতিৰ বাবেই বহু দেশে ভাৰতৰ ওপৰত চকু ৰাখে।

ৰাছিয়াৰ লগত ভাৰতৰ কূটনৈতিক সম্পৰ্ক দীৰ্ঘদিনীয়া। ছোভিয়েট ইউনিয়নৰ যুগৰ পৰাই ক্ৰেমলিনৰ লগত ভাৰতৰ সু-সম্পৰ্ক আছে। ৰাছিয়াৰ লগত থকা বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ লগতে ভাৰতৰ বাণিজ্যিক সম্পৰ্কও আছে। ৰাছিয়াই ভাৰতলৈ সৰ্বাধিক সমৰাস্ত্ৰ সৰবৰাহ কৰে। ৰাছিয়াৰ পৰা আমদানি কৰা অস্ত্ৰৰ বলতেই ভাৰতে পাকিস্তান আৰু চীনৰ সীমান্তত স্থিতাৱস্থা ৰক্ষা কৰি চলিবলৈ সক্ষম হৈছে। চীনৰ ভাৰতৰ স’তে বৃহৎ পৰিমাণৰ বাণিজ্যিক সম্পৰ্ক থাকিলেও সীমান্তত সদায় চীনে আগ্ৰাসী ভূমিকা পালন কৰি আহিছে। আনহাতে, ৰাছিয়াৰ লগত ভাৰত আৰু চীন দুয়োখন দেশৰে ভাল সম্পৰ্ক আছে। চীন আৰু ভাৰত দুয়োখন দেশেই ৰাছিয়াৰ অস্ত্ৰ বজাৰৰ অন্যতম ক্ৰেতা। গতিকে মস্কোই ভাৰত আৰু চীনৰ মাজৰ অস্থিৰতা মাত্ৰাধিক হোৱাতো নিবিচাৰে। আনহাতে, ভাৰতেও কূটনৈতিকভাৱে জানে যে, চীনে (বেইজিং) যদি বৰ্তমান কাৰোবাক গুৰুত্ব দিয়ে সেয়া হ’ল একমাত্ৰ ৰাছিয়া (মস্কো)। যদিও বাইডেন প্ৰশাসনে ৰাছিয়াৰ লগত থকা সম্পৰ্কৰ বাবে ভাৰতক নানা কথাৰে মাজে-সময়ে আক্ৰমণ কৰি আছে, তথাপি বিশ্ব ৰাজনীতিত ভাৰতৰ কূটনৈতিক সম্পৰ্ক ৰাছিয়া আৰু আমেৰিকা দুয়োখন দেশৰ লগতেই বৰ্তি আছে। সৌসিদিনা ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আমেৰিকা ভ্ৰমণ কৰি আহিছে। অৱশ্যে মাৰ্কিন কংগ্ৰেছৰ সদস্যই ভাৰতক হেঁচা প্ৰয়োগ কৰিবলৈয়ে হওক বা অন্য কাৰণতেই মুছলমান বিৰোধিতাৰ কথাৰে বিতৰ্ক কৰিব বিচাৰিছে। মাৰ্কিন কংগ্ৰেছৰ সদস্য ইলহান ওমৰে নীতিবিৰুদ্ধভাৱে পাক অধিকৃত কাশ্মীৰ ভ্ৰমণ কৰিছিল। লগতে ইমৰাণ খান আৰু শ্বাহবাজ শ্বৰীফক দেখা কৰি গৈছিল।

আমেৰিকা আৰু ইউৰোপে ৰাছিয়াৰ বিৰোধিতা কৰিবলৈ ভাৰতক নানাভাৱে হেঁচা প্ৰয়োগ কৰি আহিছে। আনকি মোদীৰ ইউৰোপ ভ্ৰমণৰ সময়ত জি-৭ৰ সদস্য কৰাৰ কথাও ওলাইছিল। কোৱাডৰ সদস্য হিচাপেও ভাৰতে ৰাছিয়াৰ বিৰোধিতা কৰাৰ ওপৰত আমেৰিকাই জোৰ দি আছে। কিন্তু ভাৰতেও স্বাধীন বৈদেশিক নীতি অনুসৰণ কৰি কৌশলেৰে আগবাঢ়িছে। ৰাছিয়া আৰু আমেৰিকাৰ লগত থকা সম্পৰ্কৰ অৱনতি নোহোৱাৰ লগতে ইউৰোপৰ লগতো গভীৰ সম্পৰ্ক স্থাপন কৰিব পৰাতেই এতিয়া ভাৰতৰ কৌশলগত কূটনীতি নিৰ্ভৰ কৰিছে। ৰাছিয়া, আমেৰিকা আৰু ইউৰোপৰ লগত ভাৰতৰ কৌশলগত কূটনৈতিক সম্পৰ্কই যুদ্ধ পৰিস্থিতিক কোন দিশে গতি কৰাই সেয়াও লক্ষণীয় হ’ব।

ৰাছিয়াই ইতিমধ্যে ইউক্ৰেইনৰ ক্ৰিমিয়া চহৰ দখল কৰি পেলাইছে। ইউক্ৰেইনৰ সেনাই ক্ৰিমিয়া এৰি আঁতৰি গৈছে। কিন্তু ইউক্ৰেইনৰ লুহানস্ক অঞ্চলৰ গৱৰ্ণৰ চেৰহি গাইদাই মন্তব্য কৰিছে যে, কৌশলগত কাৰণতহে ইউক্ৰেইনৰ সেনা পিছুৱাই গৈছে। ইউক্ৰেইনৰ সেনাই নিজৰ স্থিতি সবল কৰি পুনৰ আক্ৰমণৰ প্ৰস্তুতিহে চলাইছে বুলিও গৱৰ্ণৰে মন্তব্য কৰিছে। গতিকে ইউক্ৰেইনৰ অদম্য যুদ্ধংদেহী মনোভাৱ আৰু ক্ৰেমলিনৰ ‘আল্টিমেটাম’ৰ মাজত দুলি থকা যুদ্ধ পৰিস্থিতিৰ সমাপ্তি কেতিয়া ঘটিব এতিয়ালৈকে কোনো নিশ্চিত হ’ব পৰা নাই।

কূটনৈতিক কৌশলৰ কথা এৰিও এটা কথা ক’ব লাগিব যে, দীৰ্ঘদিনীয়া যুদ্ধ কাৰো বাবেই মংগলজনক নহয়। তাতে কৰ’নাবিধ্বস্ত বিশ্ব অৰ্থনীতিক উদ্ধাৰ কৰাহে আটাইতকৈ ডাঙৰ চেলেঞ্জ। ইতিমধ্যে পৰিৱেশ দূষণৰ ফলত জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তনে দেখা দিছে। মুদ্ৰাস্ফীতিয়ে সকলোকে জলা-কলা খুৱাইছে। যুদ্ধৰ ফলত বিশ্বৰ ৫৩খন ৰাষ্ট্ৰ খাদ্য সংকটৰ কবলত পৰিব বুলিও ৰাষ্ট্ৰসংঘৰ ৰিপ’ৰ্টত প্ৰকাশ পাইছে। আনহাতে, বৰ্তমান ভেনিজুৱেলা আৰু শ্ৰীলংকাৰ পৰিস্থিতিয়েও মানৱ সভ্যতাৰ ওপৰতে ভাবুকিৰ সৃষ্টি কৰিছে। গতিকে সকলো দিশ বিবেচনা কৰি সকলোৱে যুদ্ধৰ সমাপ্তি ঘটোৱাতহে মনোনিৱেশ কৰা দৰকাৰ।

**■ শ্ৰীলংকাত লংকা কাণ্ড ■**

# ক্ষোভিত জনতাৰ ক্ষোভৰ বহিঃপ্ৰকাশ

■ জুলহাছ আলী আহমেদ

হয়, জ্বলিছে শ্ৰীলংকা, পলাইছে জননেতা। ভোকাতুৰ জনতাই খাবলৈ নাপায় ৰাজপথত চিঞৰিছে। হাতে হাতে মাৰ্ক্স, লেনিন এঞ্জেলছৰ ফটো লৈ কমিউনিষ্ট শাসন বিচাৰি সমদল বাহিৰ কৰিছে লাখ লাখ জনতাই। ইফালে ক্ষুধাতুৰ জনতাই প্ৰধানমন্ত্ৰীৰ বাসভৱন জ্বলাই ক্ষোভৰ বহিঃপ্ৰকাশ ঘটাইছে। ৰক্তৰঞ্জিত পতাকা লৈ চৰকাৰবিৰোধী প্ৰতিবাদত উত্তাল কৰি তুলিছে দেশৰ আকাশ-বতাহ। ৰুদ্ৰমূৰ্তি ধাৰণ কৰা শ্ৰীলংকাৰ বিক্ষোভকাৰী জনতাই অতি ক্ষোভেৰে কয় যে, আমি এই কাম বহু আগতেই কৰিব লাগিছিল, তেতিয়া শ্ৰীলংকাৰ এই দুৰৱস্থা নহ’লহেঁতেন। প্ৰণিধানযোগ্য যে, শ্ৰীলংকাৰ উঠি ৰজা বহি ৰজা, এক কথাত ক’বলৈ গ’লে দেশখনৰ সৰ্বময়কৰ্তা প্ৰধানমন্ত্ৰী মহিন্দ্ৰ ৰাজপাক্ষেৰ চৰম চৈৰাচাৰী, কাণ্ডজ্ঞানহীন সিদ্ধান্ত আৰু ভ্ৰষ্টাচাৰৰ বাবে ক্ষুদ্ৰ ৰাষ্ট্ৰখন অৰ্থনৈতিক সংকটত জুৰুলা হৈ পৰিছে, ফলত দেশখনৰ জনতাৰ মাজত উমি উমি জ্বলি উঠে ক্ষোভৰ জুইকুৰা। ক্ষোভিত জনতাৰ ক্ষোভৰ পৰা বাচিবলৈ সোমবাৰে প্ৰধানমন্ত্ৰী ৰাজপাক্ষে দেশখনৰ নৌ ঘাটিত আশ্ৰয় লয়। প্ৰকাশিত খবৰ মতে প্ৰধানমন্ত্ৰী ৰাজপাক্ষে নৌ ঘাটিত আশ্ৰয় লৈছে কিন্তু ক্ষুব্ধ জনতাই নৌ ঘাটিৰ পৰা তেওঁ ওলাই যাব নোৱৰাকৈ চাৰিওফালৰ পৰা ঘেৰি ৰাখিছে। ইফালে সোমবাৰে বিয়লিলৈকে শ্ৰীলংকাৰ ক্ষুব্ধ জনতাই ৰাজপাক্ষেৰ কেবিনেট মন্ত্ৰীসহ অতি কমেও ৪১গৰাকী সমৰ্থকৰ ঘৰ আৰু তেওঁলোকৰ ব্যৱসায় প্ৰতিষ্ঠানসমূহ জ্বলাই ভস্মীভূত কৰিছে। এই হিংসাত ইতিমধ্যে এগৰাকী সাংসদসহ কেইবাজনেও মৃত্যুবৰণ কৰিছে আৰু অৰ্ধশতাধিক লোক আহত হৈছে। উল্লেখ্য যে, শ্ৰীলংকাৰ আৰ্থিক সংকটৰ বাবে বিগত ৩০ এপ্ৰিলৰ পৰাই চৰকাৰৰ বিৰুদ্ধে গণ-বিক্ষোভৰ সূচনা হৈছিল। বিক্ষোভকাৰীসকলে শ্ৰীলংকা চৰকাৰক ৭ মে’ৰ দিনা প্ৰধানমন্ত্ৰী ৰাজপাক্ষেক পদত্যাগ কৰিবলৈ আল্টিমেটাম দিছিল, যদিওঁ নিজকে শ্ৰীলংকাৰ হৰ্তাকৰ্তা, বিধাতা বুলি ভবা ৰাজপাক্ষে জনতাৰ দাবীৰ প্ৰতি তিলমানো সঁহাৰি নজনোৱাত সোমবাৰে ক্ষোভিত জনতাই ক্ষোভৰ বহিঃপ্ৰকাশ ঘটাই প্ৰধানমন্ত্ৰী কাৰ্যলয় আৰু বাসভৱন জ্বলাই দিয়ে। পিছত আতংকিত হৈ ৰাজপাক্ষেই প্ৰধানমন্ত্ৰী কাৰ্যলয়ৰ পৰা পলায়ন কৰি নৌ সেনাৰ বেছ কেম্পত আশ্ৰয় লৈ তাৰ পৰাই প্ৰধানমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰা বুলি ঘোষণা কৰে। আনহাতে, নৌ সেনা ঘাটিৰ কাষত অৱস্থান কৰা এদল বিক্ষোভকাৰীয়ে সাংবাদিকৰ আগত ক্ষোভেৰে কয় যে, আমি এই কাম বহু আগতেই কৰিব লাগিছিল, পলম হ’ল বাবেই আজি দেশৰ এই দুৰৱস্থা। প্ৰসংগত উল্লেখ্য যে, শ্ৰীলংকা এখন সৰু দেশ। চাৰিওফালৰ পৰা সাগৰে আবৰি ধৰা দ্বীপ ৰাষ্ট্ৰখনেই হৈছে শ্ৰীলংকা। প্ৰচুৰ পৰ্যটনৰ সম্ভাৱনা থকা দেশ শ্ৰীলংকাৰ শাসকবৰ্গই খামখেয়ালীৰে চীনৰ পৰা অতিমাত্ৰা ঋণ লৈ দেশৰ উন্নয়নমূলক কামত ব্যৱহাৰ কৰাৰ ফলতেই শ্ৰীলংকাৰ মুদ্ৰাৰ মান অভাৱনীয়ভাৱে নিম্নগামী হৈ আজিৰ পৰিস্থিতি পালে। বস্তু-বাহানিৰ দাম ইমান অভাৱনীয়ভাৱে বৃদ্ধি পাইছিল যে, সেয়া চৰকাৰৰ পক্ষে নিয়ন্ত্ৰণ কৰা অসম্ভৱ হৈ পৰিছিল। আজি শ্ৰীলংকাত চৰকাৰ বুলি একো নাই, সব জনপ্ৰতিনিধিয়ে ঘৰ এৰি পলাই পত্ৰং দিছে। আনহাতে, আমাৰ ভাৰতবৰ্ষৰ অৱস্থাও দিনক দিনে বেয়াৰ ফালে গতি কৰা পৰিলক্ষিত হৈছে। ভাৰতীয় টকাৰ মূল্য ৭৭.১১ ডলাৰলৈ হ্ৰাস পাইছে। পে’ট্ৰল-ডিজেল, ৰন্ধন গেছৰ মূল্য আকাশলংঘী। দৈনন্দিন জীৱনৰ ব্যৱহাৰ্য অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। জি এছ টি, টেক্স বৃদ্ধি পোৱাৰ লগতে গাড়ীৰ ভাৰা বৃদ্ধি পাইছে। মুঠৰ ওপৰত জীয়াতু ভুগিছে সৰ্বসাধাৰণ জনতাই। সময় থাকোতেই যদি মূল্যবৃদ্ধি ৰোধ কৰা নহয় তেন্তে অৰ্থনৈতিক মন্দাৱস্থাই দেখা দিব পাৰে ভাৰতবৰ্ষতো।—

*ফোন : ৯৭০৬৬-৬৬১৯২*

# প্ৰথম পৃষ্ঠাৰ পৰা—

## বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা

পৰিণত কৰি আজি বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা আৰু গছতলৰ মুকলি বিহুৰে সামৰণি পৰিল ঐতিহ্যমণ্ডিত ফাটবিহু। আজি তৃতীয় দিনাও পুৱাৰে পৰা লোকে লোকাৰণ্য হৈ পৰিল ম'হঘুলি চাপৰি। আহোম ৰাজত্ব কালৰে পৰা স্বকীয় ঐতিহ্য-পৰম্পৰা অক্ষুণ্ণ ৰাখি উদ্‌যাপন কৰি অহা ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ফাটবিহু উৎসৱ ২০২২ বৰ্ষৰ অন্তিম দিনা সংস্কৃতিৰ মিলনতীৰ্থত পৰিণত হ'ল ম'হঘুলি চাপৰিৰ ফাটবিহুৰ বাকৰি। সমন্বয়ৰ বাণীৰে উদ্ভাসিত হৈ পৰা ম'হঘুলি চাপৰিলৈ বতৰৰ দহোবন কাটি কৰি ফাটবিহু উপভোগৰ বাবে স্বতঃস্ফূৰ্তভাৱে ওলাই আহিল হাজাৰ হাজাৰ বিহুবলিয়া লোক। জাক জাক ঢুলীয়াৰ ঢোলৰ ছেও আৰু নাচনীৰ নাচোনৰ গিৰিপনি, জাত জাত বিহুনামৰ সুৰীয়া সুৰত মুখৰ হৈ পৰিল ঢকুৱাখনাৰ চৌদিশ, কঁপি উঠিল চাৰিকড়ীয়াৰ পাৰ। জনগোষ্ঠীয় বিহু দলসমূহে প্ৰদৰ্শন কৰা বাৰেৰহণীয়া কৃষ্টিৰে মুখৰ হৈ পৰিল চাৰিকড়ীয়াৰ পাৰ। আজি পুৱাৰ ভাগত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধনে আজি অন্তিম দিনৰ কাৰ্যসূচী আৰম্ভ কৰে জনপ্ৰিয় অভিনেত্ৰী অমৃতা গগৈয়ে। ম'হঘুলি চাপৰিৰ বিহু বাকৰিৰ পৰা উলিওৱাৰ বিশাল সাংস্কৃতিৰ শোভাযাত্ৰাত প্ৰতিফলিত হ'ল অসমীয়া জাতি-জনগোষ্ঠীৰ কৃষ্টিৰ ঐতিহ্য। সাংস্কৃতিক শোভাযাত্ৰাত গুৰুজনাৰ অমৰ সৃষ্টি গায়ন-বায়নৰ দল, হাতত কলচি লৈ ১০০গৰাকী আয়তী, আহোমৰ বৰটোপ আদিৰ লগতে আহোম, চুতীয়া, দেউৰী, নেপালী, সোণোৱাল কছাৰীৰ কৃষ্টি দল, হাজং, ঝুমুৰ আৰু লাইলুং খা নৃত্য প্ৰদৰ্শন কৰা হয়। একেদৰে প্ৰকৃতি ৰূপত বিয়ানাম, লাচিতৰ মোমাই কটা, দৰা-কন্যা, প্ৰকৃতিৰ সংৰক্ষণ, স্বচ্ছ অভিযান, সতী-সাধনী আদি দৃশ্যৰ লগতে গ্ৰাম্য জীৱনৰ মাছ ধৰা দৃশ্য প্ৰদৰ্শন কৰা হয়। তদুপৰি স্বাধীনতা সংগ্ৰামৰ দৃশ্যও প্ৰদৰ্শন কৰা হয় এই শোভাযাত্ৰাত। ইয়াৰ পিছতে আৰম্ভ হয় ফাটবিহুৰ মূল আকৰ্ষণ গছতলৰ মুকলি বিহু। বিভিন্ন জাতি-জনগোষ্ঠীৰ ৩০টা কৃষ্টি দলে অংশগ্ৰহণ কৰা এই মুকলি বিহু প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট শিল্পী ৰূপা মিলিয়ে। তাৰ পিছতে আৰম্ভ হয় মুকলি সভা। ফাটবিহু সমিতিৰ সভাপতি বসন্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াই। উদ্বোধনী ভাষণত তেওঁ কয়- সোণালী সূতাৰ দেশ ঢকুৱাখনাৰ মুগা শিল্পৰ সমাহাৰ ঘটিছে ফাটবিহুতলীত। তাৰ বাবে মই অভিভূত। ইয়াত সকলোৰে মুগা সূতাৰে প্ৰস্তুত কৰা সাজপাৰ পিন্ধি আহিছে সেয়া সঁচাই গৌৰৱৰ কথা। তাৰ লগতে ভিন্ন জাতি-জনগোষ্ঠীৰ যি চালে চকুৰোৱা সাজপাৰ তথা কৃষ্টি-সংস্কৃতি সেয়া যেন এই ম'হঘুলি চাপৰিতে পূৰ্ণতা পাইছে। ইফালে এই সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই। মুখ্য অতিথি হিচাপে প্ৰদান কৰা ভাষণত সাংস্কৃতিক মন্ত্ৰীগৰাকীয়ে কয়- এইখন ম'হঘুলি চাপৰি নহয় সাক্ষাৎ বৃন্দাবন। ইয়াত বৃন্দাবনৰ পৰিৱেশই বিৰাজ কৰিছে। সকলোৰে চকু-মুখত আনন্দ-স্ফূৰ্তি। ইয়াত দেখা দিয়া সম্প্ৰীতিৰ বান্ধোন ইমানেই কটকটীয়া যে এনে পৰিৱেশ অতি বিৰল। অসমীয়া জাতি কি সেয়া যদি চাব বিচাৰে ঢকুৱাখনাৰ ফাটবিহুতলীলৈ আহক। ইয়াত মাতে-কথাই, সাজ-পোছাকে, গীতে-মাতে প্ৰকৃত অসমীয়া জাতিটো আছে। ইয়াত মিছিং, দেউৰী, সোণোৱাল কছাৰী সকলোৱে নিজ নিজ কৃষ্টি-সংস্কৃতি, নিজৰ পৰম্পৰাগত সাজ-পোছাক পিন্ধি লাখ লাখ বিহুপ্ৰেমীৰ আগত দাঙি ধৰিছে। এই সকলো মিলিয়েই বৃহত্তৰ অসমীয়া জাতিটো সমৃদ্ধ হৈছে। একেদৰে আজি মুকলি সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে উত্তৰ-পূব ক্ষেত্ৰৰ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ড° প্ৰসন্ন গগৈৰ লগতে উপস্থিত থাকে বহুকেইজন সন্মানীয় ব্যক্তি। উল্লেখ্য যে ফাটবিহুৰ মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় বিশ্বনাথ চাৰিআলিৰ জামুগুৰিহাটৰ বিহু বিশেষজ্ঞ নিৰঞ্জন গোস্বামীয়ে। ইপিনে মুকলি সভাৰ অন্তত স্থানপ্ৰাপ্ত বিহু দলসমূহক বঁটা বিতৰণ কৰা পাছতে সামৰণি পৰে ২০২২ বৰ্ষৰ 'ফাটবিহু'।

## নেপালৰ সৈতে আমাৰ সম্পৰ্ক

মেলিছিল যদিও শেহতীয়াকৈ সেই সম্পৰ্ক পুনৰ পূৰ্বৰ দৰে উন্নত হৈ পৰিছে। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত-নেপাল সম্পৰ্ক সন্দৰ্ভত মন্তব্য কৰি কয় যে নেপালৰ সৈতে ভাৰতৰ সম্পৰ্ক 'অতুলনীয়'। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে তেওঁ নেপালী প্ৰধানমন্ত্ৰী শ্বেৰ বাহাদুৰ দেউবাক সাক্ষাৎ কৰিবলৈ অত্যন্ত আগ্ৰহী হৈ আছে। বুদ্ধ পূৰ্ণিমা উপলক্ষে চুবুৰীয়া দেশখনৰ লুম্বিনী ভ্ৰমণলৈ যোৱাৰ এদিন পূৰ্বে মোদীয়ে এনেদৰে মন্তব্য কৰে। মোদীয়ে কয় যে যোৱা মাহত ভাৰত ভ্ৰমণৰ সময়ত নেপালৰ প্ৰধানমন্ত্ৰী শ্বেৰ বাহাদুৰ দেউবাই ভাৰতৰ সৈতে দ্বি-পাক্ষিক বাণিজ্যকে ধৰি আন সম্পৰ্ক উন্নীত কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল। কাইলৈ দেউবাক লগ পোৱাৰ পিছত তেনেবোৰ বিষয়তে আলোচনা কৰা হ'ব বুলি মোদীয়ে কয়। মোদীয়ে লগতে কয় যে দুয়োখন দেশে জলবিদ্যুৎ, আন্তঃগাঁথনিৰ উন্নয়ন আৰু যোগাযোগকে ধৰি একাধিক ক্ষেত্ৰত সহযোগিতাৰ হাত সম্প্ৰসাৰিত কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰি আহিছে। মোদীয়ে কয়— 'নেপালৰ সৈতে আমাৰ সম্পৰ্ক অতুলনীয়। ভাৰত আৰু নেপালৰ মাজত সভ্যতাৰ মিল আৰু জনসাধাৰণৰ মাজত থকা সম্পৰ্কই আমাক আৰু অধিক ঘনিষ্ঠ কৰি তুলিছে'। উল্লেখ্য, প্ৰধানমন্ত্ৰীয়ে বুদ্ধ পূৰ্ণিমা উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে কাইলৈ নেপালৰ লুম্বিনী ভ্ৰমণ কৰিব। ২০১৪ চনৰ পিছত এয়া ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পঞ্চম নেপাল ভ্ৰমণ হ'ব। মোদীয়ে কাইলৈৰ ভ্ৰমণ সন্দৰ্ভত কয়— 'মই বুদ্ধ জয়ন্তীৰ পৱিত্ৰ ক্ষণত মায়াদেৱী মন্দিৰত প্ৰাৰ্থনা কৰিবলৈ বাট চাই আছো। ভগৱান বুদ্ধৰ জন্মৰ পৱিত্ৰ স্থানত শ্ৰদ্ধা জনোৱাৰ সুযোগ লাভ কৰি মই ধন্য হৈছো'। মোদীয়ে মায়াদেৱী মন্দিৰ দৰ্শন কৰাৰ উপৰি লুম্বিনীৰ ইণ্ডিয়া ইণ্টাৰনেচনেল চেণ্টাৰ ফৰ বুদ্ধিষ্ট কালচাৰৰ 'শিলান্যাস' অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

## নগাঁৱত 'ইন্দ্ৰিয় আইভিএফ'ৰ

একমাত্ৰ প্ৰতিষ্ঠান গুৱাহাটীস্থিত 'INDRIA IVF'ৰ ব্যৱস্থাপনাত আজি জি ডি হাস্পতাল এণ্ড ৰিৰ্ছাচ চেণ্টাৰত এটি বিনামূলীয়া বন্ধ্যাত্ব আৰু টেষ্ট টিউব বেবী পৰামৰ্শ শিবিৰ সম্পন্ন হৈ যায়। পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা এই বিনামূলীয়া বন্ধ্যাত্ব আৰু টেষ্ট টিউব বেবী পৰামৰ্শ শিবিৰত নগাঁও জিলাৰ বাহিৰেও অন্যান্য প্ৰান্তৰ পৰা অহা প্ৰায় ৯৬গৰাকী দম্পতীয়ে অংশগ্ৰহণ কৰে। নগাঁও চহৰৰ জি ডি হাস্পতাল এণ্ড ৰিৰ্ছাচ চেণ্টাৰত প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই বিনামূলীয়া বন্ধ্যাত্ব আৰু টেষ্ট টিউব বেবী পৰামৰ্শ শিবিৰত 'INDRIA IVF'ৰ তৰফৰ পৰা উপস্থিত থাকে INDRIA IVFৰ মুখ্য চিকিৎসক দিব্যজ্যোতি গোস্বামী আৰু জ্যেষ্ঠ স্ত্ৰী ৰোগ চিকিৎসক ঈয়ান চেলেই। তেওঁলোক দুয়োজনে পৰামৰ্শটোত শিবিৰত উপস্থিত থাকি দম্পতীসকলক ডেমনষ্ট্ৰেচন দিয়াৰ লগতে কাউনচেলিং আদি কৰি উপস্থিত ৯৬গৰাকী দম্পতীক আগন্তুক দিনবোৰৰ বাবে অনুপ্ৰাণিত কৰে। উল্লেখ্য যে, বহু দম্পতীয়ে আজি বিবাহৰ ১২-১৫ বছৰৰ পাছতো এটি সন্তানৰ মুখ দেখিবলৈ হাবিয়াস কৰি বহু চিকিৎসা পদ্ধতি অৱলম্বন কৰে যদিও সৰু সৰু কিছুমান চিকিৎসা বিজ্ঞানৰ পদ্ধতি অৱলম্বন নকৰাৰ বাবেই আজি বহু দম্পতীয়ে দীৰ্ঘদিন ধৰি সন্তানৰ মুখ দেখাৰ পৰা বঞ্চিত হৈ থাকিব লগাত পৰিছে। এই সকলো কথা সাৰোগত কৰিয়েই নগাঁও জিলাৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয় জি ডি হাস্পতাল এণ্ড ৰিৰ্ছাচ চেণ্টাৰৰ উদ্যোগত আৰু INDRIA IVFৰ ব্যৱস্থাপনাত নগাঁৱত প্ৰথমবাৰৰ বাবে এই পৰামৰ্শ শিবিৰটোৰ আয়োজন কৰা হৈছে বুলি INDRIA IVFৰ তৰফৰ পৰা জানিব পৰা গৈছে। ইয়াৰ বাহিৰেও ভৱিষ্যতেও প্ৰতি মাহত এবাৰকৈ জি ডি হাস্পতাল এণ্ড ৰিৰ্ছাচ চেণ্টাৰৰ উদ্যোগত এনে ধৰণৰ পৰামৰ্শ শিবিৰ অনুষ্ঠিত কৰি নিঃসন্তান দম্পতীৰ মুখত হাঁহি বিৰিঙাই তোলাৰ বাবে জি.ডি হাস্পতালৰ তৰফৰ পৰা উদ্যোগ লোৱা হ'ব বুলিও জানিবলৈ দিছে। আজি গুৱাহাটীস্থিত 'INDRIA IVF' কেন্দ্ৰৰ পৰা নগাঁৱত এই ধৰণৰ পৰামৰ্শ শিবিৰ আয়োজন কৰি নিঃসন্তান দম্পতীৰ মুখলৈ আশাৰ ৰেঙণি কঢ়িয়াই অনাৰ যি বাট দেখুৱালে তাৰ বাবে উপস্থিত ৯৬ গৰাকী দম্পতীয়ে নগাঁৱৰ জি ডি হাস্পতাল এণ্ড ৰিৰ্ছাচ চেণ্টাৰৰ হাস্পতাল কৰ্তৃপক্ষৰ পদক্ষেপক আৰু বিষয়ববীয়াসকলৰ শলাগ লোৱাৰ লগতে ভৱিষ্যতে এনে ধৰণৰ পৰামৰ্শ শিবিৰৰ যোগেদি বহু নিঃসন্তান দম্পতী উপকৃত হ'ব পাৰিব বুলি মত ব্যক্ত কৰে। ইয়াৰ দ্বাৰা বহু দম্পতীয়ে অনাগত দিনত সুফল পোৱাৰ মানসেৰে INDRIA IVFৰ বিষয়ববীয়াসকলৰ দ্বাৰা প্ৰথমবাৰৰ বাবে নগাঁৱৰ জি ডি হাস্পতাল এণ্ড ৰিৰ্ছাচ চেণ্টাৰত আয়োজন কৰা 'বন্ধ্যাত্ব আৰু টেষ্ট টিউব বেবীৰ বিনামূলীয়া পৰামৰ্শ শিবিৰ'ৰ সন্ধিয়া ৭ বজালৈ সফল সামৰণি পৰে।

## দেশৰ ৪২টা বিমান বন্দৰৰ

কৰ্মচাৰীসকলৰ ক্ষেত্ৰতো নিয়মীয়াকৈ এই পৰীক্ষা কৰিব লাগে। এনে পৰীক্ষা কৰাৰ পিছতে এই তথ্য পোৱা গৈছে যে জানুৱাৰী ২০২১ৰ পৰা মাৰ্চ ২০২২ৰ ভিতৰত ৪২টা ভাৰতীয় বিমানবন্দৰত কাম কৰা মুঠ ৮৪জন লোকক কৰ্তব্যৰত হৈ থকা অৱস্থাত সুৰাসক্ত অৱস্থাত পোৱা গৈছে। তাতোকৈ ভয়ংকৰ কথাটো হ'ল সুৰাসক্ত ৮৪জন কৰ্মীৰ ভিতৰত ৫৪জনেই (৬৪ শতাংশ) বিমানৰ পাইলট। আন সুৰাসক্ত কৰ্মচাৰীসকলৰ ভিতৰত কেটাৰিং কোম্পানী, গ্ৰাউণ্ড হেণ্ডলিং কোম্পানী, বিমান ৰক্ষণাবেক্ষণৰ দায়িত্বত থকা কৰ্মী আদি আছে। দেশৰ ৩৫টা বিমানবন্দৰ প্ৰাধিকৰণৰ (এএআই) পৰিচালিত বিমানবন্দৰত ৫৬জন কৰ্মী, চাৰিটা আদানি গ্ৰুপ পৰিচালিত বিমানবন্দৰত ১৭জন কৰ্মী, দুটা জিএমআৰ গোট পৰিচালিত বিমানবন্দৰত ৯জন কৰ্মী আৰু ফেয়াৰফেক্ট ইণ্ডিয়া পৰিচালিত বেংগালুৰু বিমানবন্দৰৰ দুজন কৰ্মী সুৰাসক্ত অৱস্থাত পোৱা গৈছিল। সুৰাসক্ত অৱস্থাত পোৱা পাইলটসকলৰ ক্ষেত্ৰত শাস্তিমূলক ব্যৱস্থা হিচাপে তেওঁলোকক তিনি মাহৰ বাবে কৰ্তব্যৰ পৰা আঁতৰাই ৰখাৰ সিদ্ধান্ত লোৱা হৈছে বুলি জানিব পৰা গৈছে।

## মালঝাৰ প্ৰাথমিক বিদ্যালয়ত

বহু বিদ্যালয়। বঙাইগাঁও জিলাৰ বইটামাৰী শিক্ষা খণ্ডৰ শংকৰঘোলা মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত মালঝাৰ প্ৰাথমিক বিদ্যালয়ত নাই পকী বিদ্যালয় গৃহ। গোহালিসদৃশ পৰিৱেশত শিক্ষাগ্ৰহণ কৰি আছে কণ কণ শিশুসকলে। বাঁহৰ বেৰ আৰু টিনৰ চালিৰে নিৰ্মিত জৰাজীৰ্ণ গৃহটিত শিক্ষকে কোনোমতে চলাই গৈছে পাঠদান। উল্লেখ্য যে, কুমাৰকটা ১ম খণ্ড গাঁৱত থকা এই বিদ্যালয়খন ১৯৮৫ চনত ৰাইজে স্থাপন কৰিছিল। বহু বছৰ অপ্ৰাদেশিকীকৃত বিদ্যালয় হিচাপে থকাৰ পিছত ২০১৩ চনত চৰকাৰে বিদ্যালয়খন প্ৰাদেশিকীকৰণ কৰে। কিন্তু প্ৰাদেশিকীকৰণৰ ন বছৰ পিছতো বিদ্যালয়খনৰ অৱস্থা পূৰ্বৰ দৰে হৈ থাকিল। শিক্ষা বিভাগে বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ নকৰিলে। ফলস্বৰূপে আজিও পকী বিদ্যালয় গৃহ হৈ নুঠিল। জৰাজীৰ্ণ বিদ্যালয় গৃহটিত অতি কষ্টৰে শিক্ষাগ্ৰহণ কৰিব লগা হৈছে কণ কণ শিশুসকলে। বিদ্যালয়ৰ শিক্ষক-পৰিচালনা সমিতি তথা ৰাইজে পূৰ্বে বহুবাৰ বিদ্যালয়খনৰ এই সমস্যাৰ বিষয়ে বইটামাৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া তথা জিলা প্ৰাথমিক শিক্ষা বিষয়াক অৱগত কৰিছিল। শিক্ষা বিষয়াসকলে প্ৰতিশ্ৰুতি দি আহিছে যদিও প্ৰতিশ্ৰুতি বৰ্তমানলৈ পূৰণ নহ'ল। বিদ্যালয়খনত বৰ্তমানে ৩৩জন ছাত্ৰ-ছাত্ৰী আছে। গাঁওখনৰ বেছি ভাগ পৰিয়ালেই দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ। গাঁওখনৰ শিশুসকলে অইন ঠাইলৈ শিক্ষাগ্ৰহণৰ বাবে যাব নোৱাৰে। এইখন বিদ্যালয়ে তেওঁলোকৰ মূল ভৰসা। কিন্তু বিদ্যালয়খন প্ৰাদেশিকীকৰণ হোৱাৰ ন বছৰ পিছতো পকী বিদ্যালয়গৃহ অনুমোদন হৈ নহাত ক্ষুব্ধ হৈ পৰিছে গাঁওবাসী। শিক্ষা গ্ৰহণৰ এক ভাল পৰিৱেশ নথকা বাবে ছাত্ৰ-ছাত্ৰীসকল গুণগত শিক্ষা লাভৰ পৰা বঞ্চিত হৈছে। বিদ্যালয়খনত পকী গৃহ এটা আবণ্টন দিবৰ বাবে স্থানীয় ৰাইজে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে।

## পানীতে প্ৰতিবাদ আৱাসিক

পোৱা নাই ইয়াৰ বাসিন্দাসকলে। ব'হাগৰ প্ৰথম বৰষুণত আৰ্যা লিভিং চৌহদ পানীত বুৰ গৈ অধিক ভয়াবহ ৰূপ লয়। অভিযোগ অনুসৰি সমগ্ৰ আৱাসিক এলেকা নিৰ্মাণৰ সময়তে মূল পথতকৈ ডেৰ ফুট দ আছিল। বৃহৎ আৱাসিক এলেকাৰ পানী পথৰ কাষৰ লোক নিৰ্মাণ বিভাগৰ লগত নাছিল সংযোগ। যাৰ বাবে বৰষুণৰ পানী পুখুৰীসদৃশ হৈ জমা হৈ ৰয়। জমা দ পানী গচকি আহ-যাহ কৰাত লোকসকলৰ চৰ্মৰোগৰ লগতে বহু ৰোগে ক্ৰিয়া কৰিবলৈ লৈছে। আজি আৰ্যা স্মাৰ্ট লিভিঙৰ আৱাসীসকলে অতিষ্ঠ হৈ আৱাসিক এলেকাৰ পানীৰ মাজতে সমবেত হৈ নিৰ্মাণ প্ৰতিষ্ঠানৰ বিৰুদ্ধে ক্ষোভ উজাৰি প্ৰতিবাদ কৰে। কৃত্ৰিম বানপানীৰ পৰা আৱাসিক এলেকাটো মুক্ত কৰি স্বাস্থ্যসন্মত পৰিৱেশৰ দাবী জনায় ইয়াৰ আৱাসীসকলে। আৰ্যা স্মাৰ্ট লিভিঙৰ স্বত্বাধিকাৰী অনিল শৰ্মা হায় হায়, বিজয়া গোস্বামী হায় হায়, ৰামকৃষ্ণ প্ৰধান হুচিয়াৰ ধ্বনিৰে প্ৰতিবাদকাৰীসকলে আৰ্যা লিভিং চৌহদ উত্তাল কৰি তোলে। অভিযোগ অনুসৰি আৰ্যা ইৰেক্টৰ প্ৰতিষ্ঠান পৰিচালনাৰ বাবে এখন সমিতি গঠন কৰা হৈছিল আৰু কৌশলগতভাৱে মালিক পক্ষৰ চি ই অ' ৰামকৃষ্ণ প্ৰধানক সভাপতি আৰু আৰু বিজয়া গোস্বামীক পৰিচালনা সমিতিৰ দায়িত্ব দিয়াত উদক ভেটা ৰখীয়া পতাৰ লেখীয়া আৱাসীৰ স্বাৰ্থৰ বিপৰীতে কাম কৰিবলৈ লৈছে। ইতিমধ্যে আৰ্যা ইৰেক্টৰৰ মুখ্য কাৰ্যালয় ভঙাগড়ত এক ৰাজহুৱা লিখিত অভিযোগ দিয়া হৈছিল যদিও কোনো সুদুত্তৰ নাহিল। আৱাসীসকলে জানিবলৈ দিয়া অনুসৰি এই বিষয়ে ন্যায়ালয়ত এক গোচৰো তৰা হৈছে। আৰম্ভণিৰে পৰা আৰ্যা ইৰেক্টৰ নামৰ গৃহ নিৰ্মাণ প্ৰতিষ্ঠানটিয়ে অট্টালিকাৰ ব্যৱসায়ৰ নামত বৃহৎ প্ৰৱঞ্চনাৰ জাল পেলায় সৰ্বস্বান্ত কৰাৰো গুৰুতৰ অভিযোগ আনিছে প্ৰতাৰিত আৱাসীসকলে। প্ৰায় ১৬৭টাৰো অধিক ফ্লেটৰ আধাসংখ্যক ঘৰ ভাৰা অথবা বিক্ৰী কৰি বৈণাৰে ধন চপায় গ্ৰাহকক প্ৰতাৰণা কৰিছে বুলি প্ৰতিষ্ঠানটিৰ বিৰুদ্ধে অভিযোগৰ পিছত অভিযোগ আনে ইয়াৰ বাসিন্দাসকলে। উল্লেখ্য যে আৰ্যা স্মাৰ্ট লিভিং চৌহদত গুৱাহাটী আই আই টি, নাৰায়ণা চিকিৎসালয়, ভালেমান শিক্ষা প্ৰতিষ্ঠান তথা চৰকাৰী কাৰ্যালয়ত কৰ্মৰত কৰ্মচাৰীয়ে ফ্লেট ক্ৰয় কৰিছিল।

## উত্তৰ অসমত অবৈধ

অৰুণাচলী সুৰা সৰবৰাহ কৰি অহাৰ অভিযোগ উঠিছে। কিন্তু কুম্ভকৰ্ণ নিদ্ৰাত গহপুৰ মহকুমা আবকাৰী বিভাগ। আবকাৰী বিভাগৰ পৰিৱৰ্তে বিশ্বনাথ জিলা আৰক্ষীয়ে এতিয়া ইখনৰ পিছত সিখন অবৈধ অৰুণাচলী সুৰা ভৰ্তি ট্ৰাক জব্দ কৰি চৰ্চালৈ আহিছে। কিন্তু তাৰ বিপৰীতে গহপুৰ আবকাৰী বিভাগে বৰ্তমানলৈকে তেনে কোনো অবৈধ অৰুণাচলী সুৰা বেপাৰীৰ বিৰুদ্ধে কঠোৰ হোৱা পৰিলক্ষিত হোৱা নাই। অৰুণাচলী সুৰা সৰবৰাহ প্ৰতিৰোধ কৰিবলৈ আবকাৰী বিভাগে যি দৰে কঠোৰ হ'ব লাগিছিল সেইদৰে নোহোৱাৰ অভিযোগ উঠিছে আবকাৰী বিভাগৰ বিৰুদ্ধে। গহপুৰ আবকাৰী বিভাগৰ বিৰুদ্ধে অভিযোগ উঠিছে একাংশ অৰুণাচলী সুৰা বেপাৰীৰ সৈতে গোপন মিতিৰালি কৰি বহিঃৰাজ্যলৈ অবৈধ অৰুণাচলী সুৰা সৰবৰাহ কৰাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱাৰ। ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ গহপুৰ নগৰৰ মাজেৰে দৈনিক সুৰা বেপাৰীয়ে অবৈধভাৱে সুৰাসমূহ সৰবৰাহ কৰাৰ পিছতো গহপুৰ আবকাৰীয়ে ট্ৰাকসমূহ জব্দ নকৰাত সন্দেহ প্ৰকাশ কৰিছে সচেতন মহলে। উল্লেখ্য যে আবকাৰী বিভাগৰ পৰিৱৰ্তে বিশ্বনাথ আৰক্ষীয়ে ইখনৰ পিছত সিখন অবৈধ অৰুণাচলী সুৰাৰ ট্ৰাক জব্দ কৰিবলৈ সক্ষম হৈছে। আনহাতে, কালি বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ ঘাঁহীগাঁও আৰক্ষীয়ে ২৩ কাৰ্টন অবৈধ অৰুণাচলী সুৰাসহ এজন কুখ্যাত সুৰা বেপাৰীক আটক কৰিবলৈ সক্ষম হয়। বিহালী থানাৰ অন্তৰ্গত ৰাংছালী সোণাৰি গাঁৱৰ গোপাল হাজৰিকা নামৰ যুৱকজনে দীৰ্ঘদিন ধৰি নিজৰ এল্টো কে-10 বাহনখনেৰে দৈনিক অবৈধ অৰুণাচলী সুৰা সৰবৰাহ কৰি এক ৰমৰমীয়া ব্যৱসায় চলাই গৈছিল আৰক্ষীৰ চকুত ধূলি দি। ইফালে এই ৰমৰীয়া অবৈধ অৰুণাচলী সুৰা বেপাৰৰ তথ্য লাভ কৰিছিল ঘাঁহীগাঁও আৰক্ষীয়ে। যোৱা কেইবাদিন ধৰি ঘাঁহীগাঁও আৰক্ষীয়ে সুৰা বেপাৰী গোপাল হাজৰিকাক আটক কৰিবলৈ চেষ্টা কৰিছিল যদিও পৰা নাছিল। ইফালে অৱশেষত কালি ঘাঁহীগাঁও আৰক্ষীৰ জালত পৰিল কুখ্যাত অৰুণাচলী সুৰা বেপাৰীটো। টেটুনবাৰীত অৰুণাচলী সুৰা সৰবৰাহ কৰি থকাৰ সময়তে সুৰা বেপাৰীটোক আটক কৰিবলৈ সক্ষম হয় আৰক্ষী। লগতে আৰক্ষীয়ে এ এছ-12 ৰাই-8439 নম্বৰ এল্টো কে-10 বাহন খন জব্দ কৰাৰ লগত ১১৯১ বটল অবৈধ অৰুণাচলী সুৰা জব্দ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি গোপাল হাজৰিকাৰ নেতৃত্বত কেইজনমান যুৱকে বিলাসী বাহনত অবৈধ অৰুণাচলী সুৰা বিভিন্ন জিলালৈ সৰবৰাহ কৰাৰ লগতে বিহালীৰ বিভিন্ন স্থানত সুৰা যোগান কৰি অহাৰ তথ্য পোহৰলৈ আহিছে। কিন্তু এইক্ষেত্ৰত আবকাৰী বিভাগে যি দৰে কঠোৰ হ'ব লাগিছিল তেনেদৰে কঠোৰ হোৱা পৰিলক্ষিত হোৱা নাই। এইক্ষেত্ৰত আবকাৰী মন্ত্ৰীয়ে গহপুৰ আবকাৰী বিষয়া-কৰ্মচাৰীৰ ওপৰত কি দৰে কঠোৰ হয় সেইটোহে হ'ব লক্ষণীয়। এইক্ষেত্ৰত পৰৱৰ্তী প্ৰতিবেদন দাঙি ধৰা হ'ব আবকাৰী বিভাগৰ ভূমিকাক লৈ।

## শীঘ্ৰেই আৰম্ভ হ'ব অত্যাধুনিক

অংশীদাৰ আৰু ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ তথা মুম্বাই বন্দৰ কৰ্তৃপক্ষৰ মাজত আঠখন গুৰুত্বপূৰ্ণ বুজাবুজিৰ চুক্তি সম্পন্ন হয়। ইয়াৰ ভিতৰত দুখন বুজাবুজিৰ চুক্তিয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জলপথ খণ্ড তথা ক্ৰুজ পৰ্যটনলৈ অপাৰ সুযোগ-সম্ভাৱনা আৰু নতুন আশাৰ ৰেঙণি কঢ়িয়াই আনিব। এই পদক্ষেপৰ দ্বাৰা ইণ্ডো-বাংলাদেশ প্ৰট'কল জলপথৰ মাধ্যমেৰে বাৰানসীৰ পৰা কলকাতা হৈ ডিব্ৰুগড়ৰ বগীবিলৰ মাজত অত্যাধুনিক তথা বিলাসী নদী ক্ৰুজ সেৱা আৰম্ভ কৰা হ'ব। ইয়াৰ বাবে ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ আৰু অন্তৰা বিলাসী নদী ক্ৰুজৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। তদুপৰি একেই লক্ষ্যৰে প্ৰাধিকৰণ আৰু জে এম বক্সি নদী ক্ৰুজৰ মাজতো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। তদুপৰি কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে মুম্বাই বন্দৰৰ ১৫০ বছৰীয়া জয়ন্তী উদ্‌যাপনৰ সৈতে সংগতি ৰাখি ৭ দিনীয়া আপুৰুগীয়া ফটো প্ৰদৰ্শন কাৰ্যসূচী মুকলি কৰে। ১৮৭২ চনৰ পৰা দেশলৈ উল্লেখযোগ্য সেৱা আগবঢ়াই অহা ঐতিহাসিক মুম্বাই বন্দৰৰ বিভিন্ন যুগান্তকাৰী কামৰ নমুনা, আলোকচিত্ৰ, তথ্য-পাতি আদিকে ধৰি বিভিন্ন সমল ইয়াতে উপলব্ধ হ'ব। এই প্ৰসংগত সংবাদ মাধ্যমক সম্বোধন কৰি সোণোৱালে কয়, 'সমগ্ৰ দেশে আজাদী কা অমৃত মহোৎসৱ উদ্‌যাপন কৰি থকাৰ সময়তে মুম্বাইত দেশৰ প্ৰথম ইনক্ৰেডিবল ইণ্ডিয়া আন্তৰ্জাতিক ক্ৰুজ সন্মিলনৰ আয়োজন হোৱাটো খুবেই আনন্দৰ বতৰা। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সবল নেতৃত্বত ভাৰতবৰ্ষই আত্মনিৰ্ভৰ হ'বলৈ অহৰহ প্ৰয়াস চলাই আছে। এইক্ষেত্ৰত বন্দৰসমূহৰো ভূমিকা হ'ব সুদূৰপ্ৰসাৰী। মই জানিবলৈ পাই আনন্দিত যে, মুম্বাই বন্দৰ কৰ্তৃপক্ষই তেওঁলোকৰ ১৫০ বছৰীয়া জয়ন্তীৰ সৈতে সংগতি ৰাখি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে। এই উপলক্ষে ৭ দিনীয়া ফটো প্ৰদৰ্শন কাৰ্যসূচীৰ শুভাৰম্ভ কৰি আনন্দিত হৈছো। সমৰ্পিত সেৱাৰে মুম্বাই বন্দৰৰ উত্তৰণৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণৰ যাত্ৰাত উল্লেখযোগ্য ভূমিকা লৈ অহা বন্দৰটোৰ কৰ্তৃপক্ষৰ মই আন্তৰিকতাৰে শলাগ লৈছোঁ।' আনহাতে, কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে সন্মিলনত কয় যে, স্বদেশ দৰ্শন আঁচনিৰ অধীনত পৰ্যটন মন্ত্ৰণালয়ে বিভিন্ন ৰাজ্য, কেন্দ্ৰীয়শাসিত অঞ্চলত ৬৪৮.৮০ কোটি টকাৰে উপকূলীয় বিষয়ভিত্তিক বৰ্তনীসমূহৰ অধীনত মুঠ দহটা প্ৰকল্প মঞ্জুৰ কৰিছে। 'আমাৰ চৰকাৰে পৰ্যটকসকলক আকৰ্ষিত কৰাৰ বাবে ক্ৰুজ পৰ্যটনক এক বিশেষ পৰ্যটন খণ্ড হিচাপে স্বীকৃতি দিছে আৰু এইক্ষেত্ৰত যথেষ্ট প্ৰাধান্য দি কাম কৰি আছে।' মন্ত্ৰীগৰাকীয়ে খণ্ডটোৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ কথা উল্লেখ কৰি এইদৰে কয়।

## মন্ত্ৰী পাটোৱাৰীৰ ঘোষণাক

আনন্দৰ জোৱাৰ উঠিছিল। এই প্ৰতিশ্ৰুতি শুনি তেতিয়াই বহু মহিলাই ঋণৰ কিস্তি দিয়া বন্ধ কৰি দিছিল। অৱশ্যে আন বহুতেই ঋণৰ কিস্তি নিয়মিতভাৱে পৰিশোধ কৰি থাকিল। আনহাতে, লকডাউনৰ কবলত পৰা বহু লোকে কিস্তি দিবই নোৱাৰিলে। সময় বাগৰিল। ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপিয়ে চৰকাৰ গঠন কৰিলে। সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই চৰকাৰৰ কেবিনেটত মাইক্ৰ'ফাইনেন্স আৰু বেংকৰ পৰা ক্ষুদ্ৰ ঋণ লোৱা মহিলাসকলৰ বাবে আহিল বহু প্ৰতীক্ষিত এটা খবৰ। চৰকাৰে মাইক্ৰ'ফাইনেন্সৰ ঋণৰ বিষয়টো সমাধান কৰিবলৈ মহিলাসকলক তিনিটা ভাগত বিভক্ত কৰিলে। সেইকেইটা হ'ল- যিসকল মহিলাই নিয়মিত কিস্তি পৰিশোধ কৰি আছে তেওঁলোকক ২৫ হাজাৰ টকালৈকে উদগনি হিচাপে দিয়াৰ ঘোষণা কৰিলে। মাফ নহয়। ২৫ হাজাৰ টকালৈকেহে ২৫ হাজাৰ টকাকৈ নহয়। দ্বিতীয়তে যিসকলে বিজেপিৰ নিৰ্বাচনী প্ৰতিশ্ৰুতি শুনি কিস্তি দিয়া বন্ধ কৰিছিল তেওঁলোকৰ একাউণ্টত ৮৯ দিনৰ কিস্তিৰ টকা চৰকাৰে দিব বুলি কেবিনেটত সিদ্ধান্তগ্ৰহণ কৰিছিল। আনহাতে, তৃতীয়তে যিসকলৰ আৰ্থিক অৱস্থা একেবাৰে বেয়া ঋণৰ কিস্তি পৰিশোধ কৰিবলৈ অসমৰ্থ, তেওঁলোকৰ ঋণ সম্পূৰ্ণকৈ মাফ কৰা হ'ব বুলি কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰে চৰকাৰে। লগতে চৰকাৰে ঋণ গ্ৰাহকসকলক নিয়মিত কিস্তি পৰিশোধ কৰি থাকিবলৈ আহ্বান জনায়। উল্লেখ্য যে নিয়মিত কিস্তি পৰিশোধ নকৰিলে চিবিল বেয়া হয় আৰু চিবিল বেয়া হ'লে পৰৱৰ্তী সময়ত চৰকাৰী সকলো আঁচনিৰ পৰা বঞ্চিত হ'ব লাগিব মহিলাসকল। এই কথাৰ পৰা সাধাৰণ ৰাইজ বিপাঙত পৰা পৰিলক্ষিত হৈছিল। নিৰ্বাচনৰ আগত ঋণৰ কিস্তি নিদিবলৈ আহ্বান আৰু চৰকাৰ গঠনৰ পিছত নিয়মিতভাৱে কিস্তি পৰিশোধ কৰিবলৈ আহ্বান। ইপিনে কথা মতেই কাম, চৰকাৰে নিয়মিত কিস্তি পৰিশোধ কৰি থকাসকললৈ ২৫ হাজাৰ টকালৈকে উদগনি হিচাপে দিয়া আৰম্ভ কৰে। এই উদগনিৰ কাম শেষ হোৱাৰ পিছত ৮৯ দিনলৈকে কিস্তি পৰিশোধ নকৰা মহিলাসকলৰ একাউণ্টত ৮৯ দিনৰ কিস্তিৰ টকা চৰকাৰে দিয়া প্ৰক্ৰিয়া আৰম্ভ কৰিছে। অসমৰ মানুহৰ এটা ধাৰণা আছে যে ড° হিমন্ত বিশ্ব শৰ্মাই যি কয় তাকে কৰি দেখুৱায়। শেষত হয়তো নিৰ্বাচনৰ সময়ত আৰ্থিক অৱস্থা বেয়া হোৱা হেতুকে একেবাৰে কিস্তি পৰিশোধ কৰিবলৈ সমৰ্থ নোহোৱা মহিলাসকলৰ সম্পূৰ্ণ ঋণ মাফ কৰি দিব চৰকাৰে। এতিয়া কথা হ'ল মাইক্ৰ'ফাইনেন্সৰ সমস্যা চৰকাৰে সমাধান কৰিলে। চৰকাৰৰ ফালৰ পৰাও কোৱা হ'ল- নিয়মিত কিস্তি পৰিশোধ কৰাৰ কথা। কোৱা হ'ল নিয়মিত কিস্তি পৰিশোধ নকৰিলে বঞ্চিত হ'ব চৰকাৰী সকলো আঁচনিৰ পৰা। কিন্তু ইমানৰ পিছতো কিছুদিন পূৰ্বে খানাপাৰাত মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফৰ চেক বিতৰণ কাৰ্যসূচীত অংশ লৈ পৰিবহণ আৰু উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰাইজক অদ্ভুত মন্তব্যৰে উচটনি দি ক'লে— আপোনালোকে কোনেও ঋণৰ কিস্তি নিদিব। আপোনালোকৰ সকলো কিস্তি আমাৰ চৰকাৰে মাফ কৰি দিব। তদুপৰি কোনো এজেণ্টে যদি আপোনাৰ ঘৰত কিস্তি বিচাৰি যায় পাটাই নিদিব বুলি কৈ আৰক্ষী চকীত এজাহাৰ দিবলৈ আহ্বান জনাইছিল। ইপিনে তাৰ পিছৰ দিনা আমিনগাঁৱৰ চেক বিতৰণ কাৰ্যসূচীত বিজেপি দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ ঘোষণাক নস্যাৎ কৰি গ্ৰাম্য অৰ্থনীতি আগুৱাই নিবলৈ মাইক্ৰ'ফাইনেন্সৰ ঋণৰ খুবেই প্ৰয়োজনীয় বুলি উল্লেখ কৰি ভাৰতীয় ৰিজাৰ্ভ বেংকেও সময়ে সময়ে প্ৰতিষ্ঠানবোৰত সচেতনামূলক বেনাৰ আঁৰি দিয়াৰ কথা কয়। মন কৰিবলগীয়া যে পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ এনে মন্তব্যত এতিয়া বিবুধিত পৰিছে সাধাৰণ জনতা। মন্ত্ৰী পাটোৱাৰীৰ কিয় এনে একপক্ষীয় মন্তব্যৰে বিভ্ৰান্তৰ সৃষ্টি কৰিলে বুলি ৰাইজৰ মাজত প্ৰশ্ন উদয় হৈছে। মন্ত্ৰী পাটোৱাৰীৰ ঘোষণাত চৰকাৰে লোনবোৰ মাফ কৰিব বুলি ভাবিছে হিতাধিকাৰীসকলে। আনহাতে, আন এগৰাকী মন্ত্ৰী ৰঞ্জিত দাসে সভা এখনত ক'লে পুনৰ এতিয়াৰ পৰা লোৱা কাৰো লোনৰ দায়িত্ব চৰকাৰে নলয়। তেনে অৱস্থাত মন্ত্ৰী পাটোৱাৰীৰ এই ঘোষণা গ্ৰহণযোগ্য নে? এতিয়া কথা হ'ল একাংশ মানুহে নুবুজাকৈ উদগনি হিচাপে লোৱা ২৫ হাজাৰ টকালৈকে লোৱা অনুদান আন একাংশই ৰাজনৈতিক মুনাফা আদায় কৰিবলৈ লোন চৰকাৰে মাফ কৰা বুলি প্ৰচাৰ চলাইছে। সেয়েহে কোনো মন্ত্ৰীৰ যুক্তিহীন কথাত ভোল নগৈ নিয়মিত কিস্তি পৰিশোধ কৰি থকাটো জৰুৰী।

## জেঠৰ আগমনক আদৰণি বানৰ

কাছাৰ, ধেমাজি, হোজাই, কাৰ্বি আংলং পশ্চিম, নগাঁও আৰু কামৰূপ (মেট্ৰো)। বানপীড়িত জিলাসমূহত ১৭৩২.৭২ হেক্টৰ শস্যভূমিও জলমগ্ন হৈ পৰিছে। কেৱল কাছাৰ জিলাত ২১ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। সেনা, অৰ্ধসামৰিক বাহিনী, এছডিআৰএফ, অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱাই কাছাৰ জিলাৰ বানপীড়িত অঞ্চলৰ পৰা ২,১৫০জন লোকক উদ্ধাৰ কৰিছে। ভয়ংকৰ ভূমিস্খলনে ডিমা হাচাও জিলাত অৱৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে। জিলাখনত ৰে'ল সেৱা বন্ধ কৰা হৈছে। ভূমিস্খলনৰ বাবে শিলচৰ-লামডিঙৰ মাজত ৰে'লসেৱা অনিৰ্দিষ্ট কালৰ বাবে বন্ধ কৰা হৈছে। উত্তৰ-পূব ৰে'লৱেই প্ৰকাশ কৰা অনুসৰি বাতিল কৰা ৰে'লসমূহৰ ভিতৰত আছে গুৱাহাটী-বদৰপুৰ টুৰিষ্ট এক্সপ্ৰেছ, গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ, শিয়ালদাহ-আগৰতলা কাঞ্চনজংঘা এক্সপ্ৰেছ, আগৰতলা-বেংগালুৰু হামছফৰ এক্সপ্ৰেছ, ৰাণী কমলাপতি-আগৰতলা স্পেচিয়েল ট্ৰেইন, নতুন দিল্লী-শিলচৰ এক্সপ্ৰেছ, শিলচৰ-নিউ তিনিচুকীয়া এক্সপ্ৰেছ, আগৰতলা-দেউঘৰ এক্সপ্ৰেছ, গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ আদি কেইবাখনো ৰে'ল। মন কৰিবলগীয়া যে ১৪ মে' ২০২২ তাৰিখে যাত্ৰা আৰম্ভ কৰা ১৫৬১৫ গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ নিউ হাফলং ষ্টেচনত নিয়ন্ত্ৰণ কৰা হয় আৰু ১৪ মে'ত যাত্ৰা আৰম্ভ কৰি ১৫৬১৬ শিলচৰ- গুৱাহাটী এক্সপ্ৰেছ ৰে'লখন ডিটোকচেৰা ষ্টেচনত নিয়ন্ত্ৰণ কৰা হয়। ৰে'ল কৰ্তৃপক্ষই দুয়োখন ৰে'লৰ আবদ্ধ যাত্ৰীসকলৰ বাবে তেওঁলোকৰ গন্তব্য স্থানত উপনীত হোৱাৰ সুবিধাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি আছে। এই ৰে'লসমূহৰ আবদ্ধ যাত্ৰীসকল সুৰক্ষিত। সকলো ধৰণৰ অত্যাৱশ্যকীয় সামগ্ৰী যেনে খাদ্য আৰু খোৱাপানীৰ ব্যৱস্থা ৰে'ল কৰ্তৃপক্ষই কৰি আছে বুলি জানিবলৈ দিছে। উল্লেখ্য, বান আৰু ভূমিস্খলনে ভয়াবহ ৰূপ ধাৰণ কৰা ডিমা হাচাও জিলাখনত বহু পথ ইতিমধ্যে পাহাৰৰ পৰা নামি অহা পানীৰ ধলে উটুৱাই নিছে। ফলত যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। নেৰানেপেৰা বৰষুণৰ ফলত ফেনে-ফোটোকাৰে বাঢ়ি উঠিছে ব্ৰহ্মপুত্ৰ। বিগত কেইবাদিন ধৰি অব্যাহত থকা বৰষুণৰ মাজতে ব্ৰহ্মপুত্ৰত সোঁতৰ প্ৰকোপ বৃদ্ধি পাইছে। বিপদসীমাৰ তলত থাকিলেও ব্ৰহ্মপুত্ৰত পানী বৃদ্ধি পোৱাৰ লগতে কোবাল সোঁতত কাঠৰ টুকুৰা, মেটেকাকে ধৰি বিভিন্ন সামগ্ৰী উটি আহিছে। সেয়েহে যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি দেওবাৰৰ পৰা বন্ধ কৰি দিয়া হৈছে যোৰহাটৰ নিমাতীৰ পৰা মাজুলীলৈ ফেৰীসেৱা। দেওবাৰে বহু যাত্ৰী পাৰাপাৰ হ'বৰ বাবে দুয়োটা ঘাটতে গোট খাইছিল। ইতিমধ্যে অনলাইনযোগে টিকট বুক কৰা যাত্ৰীসকলে টিকটৰ মূল্যসমূহ ঘূৰাই পাব বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে। দেওবাৰে মাজুলীলৈ নিমাতীঘাটৰ পৰা ফেৰীৰে যাবলৈ অহা লোকসকলৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে যোৰহাট জিলা প্ৰশাসনে। মাজুলীলৈ বুলি ওলাই অহা এই যাত্ৰীসকলৰ বাবে দুখনকৈ বাছৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে অসম ৰাজ্যিক পৰিবহণ নিগমৰ দুখন বাছেৰে নিমাতীঘাটত আবদ্ধ হৈ পৰা যাত্ৰীসকল বগীবিল দলং হৈ মাজুলীলৈ যাত্ৰা আৰম্ভ কৰিছে। কিন্তু ফেৰী চলাচল কেতিয়াৰ পৰা আৰম্ভ হ'ব সেয়া বৰ্তমানো অনিশ্চয়তাৰ মাজত আছে। কাৰণ ব্ৰহ্মপুত্ৰৰ মাজত কুঁৱলীৰ বাবে ফেৰী চলোৱাত ব্যাপক অসুবিধা হোৱাৰ লগতে ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত উটি অহা কাঠৰ টুকুৰা, মেটেকাৰ জাবৰে দুৰ্ঘটনাৰ আশংকা বৃদ্ধি কৰিছে। নেৰানেপেৰা বৰষুণৰ বাবে উত্তৰ-পূবৰ কেইবা ঠাইতো ব্যাহত ৰে'ল সেৱা। লামডিঙৰ পৰা বদৰপুৰ অঞ্চলৰ বিভিন্ন স্থানত ভয়ংকৰ ভূমিস্খলন। ভূমিস্খলনৰ ফলত পাহাৰীয়া অঞ্চলৰ ২৬টাকৈ স্থানত বিস্তৰ ক্ষতিসাধন। সম্পূৰ্ণৰূপে খহি গৈছে ৰে'ল লাইনৰ তলৰ ভূমি। ফলত সেই স্থানসমূহত সম্পূৰ্ণৰূপে বন্ধ কৰা হৈছে ৰে'ল সেৱা। দুখনকৈ ৰে'ল ক্ষতিগ্ৰস্ত এলেকাত আবদ্ধ হৈ পৰিছে। ডিটকচেৰা আৰু নিউ হাফলঙত আবদ্ধ দুখন ৰে'ল। আবদ্ধ ৰে'লকেইখন ক্ৰমে গুৱাহাটী-শিলচৰ পেচেঞ্জাৰ আৰু শিলচৰ-গুৱাহাটী পেচেঞ্জাৰ। বায়ু সেনাৰ সহযোগত চলিছে উদ্ধাৰ অভিযান। নিউ হাফলঙত আবদ্ধ যাত্ৰীৰ বাবে এখন বিশেষ ৰে'লৰ ব্যৱস্থা কৰা হৈছে। লগতে চাৰিখনকৈ বাছৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমানলৈ ১৭খনকৈ ৰে'ল বাতিল কৰিছে উত্তৰ-পূব সীমান্ত ৰে'লৱে কৰ্তৃপক্ষই। আৰু অধিক ৰে'ল বাতিল কৰাৰ সম্ভাৱনা আছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া সব্যসাচী দে'ই সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। বানৰ মাজতে বহু জিলাত আজিও বৰষুণ অব্যাহত থকাত বানপৰিস্থিতিৰ অধিক অৱনতি ঘটাৰ আশংকা কৰা হৈছে।

**কামপুৰ-কচুৰাৰ বিস্তীৰ্ণ অঞ্চল জলমগ্ন ঃ পথ যোগাযোগ ব্যাহত, উটুৱাই নিলে দুটাকৈ বাসগৃহ ঃ বানবিধ্বস্ত অঞ্চলত বিধায়ক, নগাঁৱৰ উপায়ুক্ত**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ ঃ** নগাঁও জিলাৰ কামপুৰ আৰু কচুৱা অঞ্চলত কপিলী আৰু বৰপানী নৈৰ ধ্বংসলীলাই যোৱানিশাৰ পৰা তীব্ৰ ৰূপ ধাৰণ কৰিছে। বৰপানী নদীৰ বাঢ়নী পানীয়ে কচুৱা অঞ্চলত হাজাৰ হাজাৰ বিঘা বৰো ধানৰ খেতি নষ্ট কৰি পেলোৱাৰ লগতে যোৱানিশাৰ পৰা ক্ৰমাৎ ন ন অঞ্চল বুৰাই পেলাইছে। একে সময়তে কপিলী নদীৰ জলপৃষ্ঠ ওফন্দি উঠি খহনীয়াৰ সৃষ্টি কৰাৰ লগতে মথাউৰি ভাঙি তাণ্ডৱৰ সৃষ্টি কৰিছে। কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চাইবুক - গোসাঁইগাঁৱৰ মথাউৰিৰ প্ৰায় ৫০ ফুট খহাই লৈ যায়। ফলত নদীৰ ওফন্দি থকা পানী সেই ঠাইৰে তীব্ৰ গতিত ব'বলৈ ধৰাত নদীৰ পাৰত বিগত ২০ বছৰ ধৰি বসবাস কৰি অহা অমিলি বৰা আৰু পৱিত্ৰ বৰা নামৰ পৰিয়াল দুটাৰ দুটি আৱাস গৃহ উটুৱাই লৈ যায়। পৰিয়াল দুটা গৃহহীন হৈ পৰাত স্থানীয় লোকে দক্ষিণ কপিলীপৰীয়া আঞ্চলিক পুথিভঁৰালত অস্থায়ীভাৱে থকাৰ ব্যৱস্থা কৰি দিয়ে। সেই ঠাইত থকা মথাউৰি অংশ কপিলীৰ পানীয়ে যোৱানিশাৰ পৰা খহাবলৈ আৰম্ভ কৰিছিল। ইয়াৰ উপৰি বকুলগুৰি, নলাপাৰ আদি বিস্তীৰ্ণ অঞ্চল প্লাৱিত হোৱাৰ উপৰি কামপুৰ- যমুনামুখ পথৰ কেইবাঠাইতো পথৰ ওপৰেৰে পানী বাগৰাত উক্ত পথটোৰে যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ ব্যাহত হৈ পৰিছে। আজি কপিলীৰ সংহাৰৰ খবৰ ল'বলৈ কামপুৰ কচুৱাৰ বানবিধ্বস্ত অঞ্চলত উপস্থিত হয়গৈ বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস আৰু নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিৱৰে। নগাঁও জিলাৰ উপায়ুক্তগৰাকীয়ে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত আটাইকেইটা মথাউৰি পৰিদৰ্শন কৰি সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। ইফালে, কামপুৰ ৰাজহ চক্ৰ বিষয়া, কঠীয়াতলী খণ্ড উন্নয়ন বিষয়া আৰু নগাঁও জলসম্পদ বিভাগৰ অভিযন্তাসকলো সেই ঠাইত উপস্থিত হৈ স্থানীয় লোকক ভগ্ন মথাউৰি পুনৰ নিৰ্মাণৰ সু-ব্যৱস্থা অতি সোনকালে গ্ৰহণ কৰা হ'ব বুলি বানাক্ৰান্ত জনতাক আশ্বাস দিয়ে।

**ৰহাত বৰপানী নদীৰ বাঢ়নী পানীত শ শ বিঘাৰ বৰোধান পানীৰ তলত ঃ কৃষকৰ হাহাকাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা ঃ** ৰহা ৰাজহ চক্ৰৰ অন্তৰ্গত জৰাবাৰী মৌজাৰ বিস্তীৰ্ণ অঞ্চল কপিলী আৰু বৰপানী নদীৰ বানৰ কবলত পৰিছে। কপিলী আৰু বৰপানী নদীৰ বানৰ ফলত খেতিপথাৰ বুৰাই পেলাইছে আৰু অঞ্চলটোৰ হাজাৰ হাজাৰ বিঘা বৰো ধানৰ খেতি পানীত ডুব গৈছে। কষ্টৰ ফচল চপাবলৈ নাপাওঁতে অহা বানে খেতিয়কৰ সপোন তচনচ কৰি পেলালে। অঞ্চলটোৰ কেউদিশে কেৱল পানী আৰু পানী হৈ পৰাত মৌজাটোৰ কমাৰগাঁও, আমতলা, প্ৰমিলা আৰু মাগুৰগাঁও পঞ্চায়তৰ চেঙজান, জুৰডোবা, খাফৰিজাৰণি, চিউগুৰি, শালমৰা, পুঠিমাৰী ১, পুঠিমাৰী ২, ১ আৰু ২নং মিছামাৰী, কৃষ্ণনগৰ, বৰুণগুৰি, হাতীগড়, গৰুবন্ধা, মৰিসুঁতি, ত্ৰিপুৰাবস্তি আদিৰ শ শ হেক্টৰ বৰোধানৰ খেতি বৰপানী নদীৰ বাঢ়নী পানীৰ তল গৈছে। নিশাটোৰ ভিতৰতে পকা ধান পানীৰ তল যোৱাত কৃষকৰ হাহাকাৰ লাগিছে। সেইদৰে মীনপালকসকলৰো বিস্তৰ ক্ষতিসাধন হৈছে। পুখুৰীসমূহো এতিয়া পানীৰ তলত। স্থানীয় লোকসকলে ওখ ভেটিত থকা ঘৰত আশ্ৰয় লোৱা দেখিবলৈ পোৱা গৈছে।

**ছিপাঝাৰৰ খলিহৈত নৈৰ খহনীয়া**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ ঃ** দৰং জিলাকে ধৰি সমগ্ৰ অসমতে বিগত কেইবাদিনো ধৰি হোৱা প্ৰবল বৰষুণৰ ফলত বৃদ্ধি পাইছে ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ জলস্তৰ। দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত খলিহৈ পথাৰৰ কিৰিংবৰী গাঁৱলৈ নৈৰ নদীৰ ওফন্দি অহা বাঢ়নী পানীয়ে ভাবুকি কঢ়িয়াই আনিছে। চপৰা চপৰে হোৱা খহনীয়াত ইতিমধ্যে কেইবা বিঘা কৃষি ভূমি নদীৰ গৰ্ভত জাহ গৈছে। উল্লেখ্য যে, বিগত বৰ্ষত খহনীয়া ৰোধৰ বাবে জলসম্পদ বিভাগে পাৰ্কুপাইন মাৰিছিল যদিও কালিৰে পৰা অহা বাঢ়নী পানীৰ ধলে অধিকাংশই উটুৱাই লৈ গৈছে। ইপিনে চলিত বৰ্ষত জিঅ' বেগেৰে খহনীয়া ৰোধৰ বাবে বিভাগীয় অনুমোদন হৈছিল যদিও গোপন সূত্ৰে আমাৰ হাতত পৰা তথ্য অনুসৰি দুই ঠিকাদাৰৰ টনা-আঁজোৰাত স্থবিৰ হৈ আছে সেই আঁচনি। যাৰ পৰিপ্ৰেক্ষিতত খৰস্ৰোতা নৈয়ে নৈয়ে বৃহত্তৰ কিৰিংবৰীলৈ ভাবুকি কঢ়িয়াই অনাৰ সমান্তৰালভাৱে খহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰিছে। একেদৰে বিগত দুদিনৰ দৰে বৰষুণ দিলে আৰু খহনীয়া ৰোধৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ নকৰিলে জীৱন-জীৱিকাৰ শেষ সম্বল কৃষি ভূমিখিনিও চিৰদিনলৈ হেৰুৱাব গাঁওখনৰ চহা কৃষকসকলে।

**বাঢ়নী পানীত বুৰ গ'ল ঘৰ-দুৱাৰ, খেতিপথাৰৰ লগতে খৈৰাবাৰী -গোৰেশ্বৰ পথ ঃ পথত উপযুক্ত কালভাৰ্ট নোহোৱাৰ বাবে বাঢ়নী পানীত ডুব যোৱাৰ অভিযোগ চেনিয়ালপাৰাবাসীৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী ঃ** যোৱা কিছুদিন ধৰি ৰাজ্যত নেৰানেপেৰা বৰষুণৰ বাবে বিভিন্ন প্ৰান্তত কৃত্ৰিম বানৰ সৃষ্টি হোৱা দেখা গৈছে। তাৰ সমান্তৰালকৈ ওদালগুৰি জিলা কলাইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত খৈৰাবাৰী চেনিয়ালপাৰা গাঁৱতো বাঢ়নী পানীয়ে ঘৰ-দুৱাৰ, খেতিপথাৰ বিনষ্ট কৰাৰ লগতে খৈৰাবাৰী-গোৰেশ্বৰ পথটিও সম্পূৰ্ণভাৱে বুৰ যায়। যাৰ বাবে যাতায়াত ব্যৱস্থা সম্পূৰ্ণ স্তব্ধ হৈ পৰাৰ লগতে বিঘ্নিত হয় স্বাভাৱিক জনজীৱনত। স্থানীয় লোকে অভিযোগ কৰে যে খৈৰাবাৰী-গোৰেশ্বৰ পথটি নিৰ্মাণ কৰোতে বাঢ়নী পানী ওলাই যাব পৰাকৈ উপযুক্ত কালভাৰ্ট ব্যৱহাৰ নকৰাৰ বাবে আজি পথৰ ওপৰেৰে পানী বাগৰাৰ লগতে অঞ্চলবাসীৰ ঘৰ-দুৱাৰ, খেতিপথাৰ পানীত ডুব গৈ হাহাকাৰৰ সন্মুখীন হ'বলগীয়া হৈছে চেনিয়ালপাৰাবাসী। কিন্তু তাৰ পিছতো স্থানীয় জনপ্ৰতিনিধিৰ খবৰ ল'বলৈ আহৰি নাই বুলি স্থানীয় লোকৰ অভিযোগ।

**হোজাইত বানপৰিস্থিতি অপৰিৱৰ্তিত ঃ প্লাৱিত ন ন অঞ্চল ঃ উপায়ুক্তই বুজ ল'লে বানপৰিস্থিতিৰ ঃ যমুনামুখত ছিগিল মথাউৰি, ৮টা শিবিৰ স্থাপন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা ঃ** আজিও অপৰিৱৰ্তিত হোজাই জিলাৰ বানপৰিস্থিতি। বিগত দুটা দিন মুষলধাৰ বৰষুণৰ ফলত কপিলী আৰু যমুনা নৈ ফেনে-ফোটোকাৰে বাঢ়িছে। ফলত বানৰ কবলত পৰিছে হোজাই জিলাৰ যমুনামুখ সমষ্টিৰ বহুকেইখন গাঁও। হোজাই আৰু পশ্চিম কাৰ্বি আংলঙৰ মাজত যোগাযোগ বিচ্ছিন্ন পৰিছে। বানৰ কবলত জলবন্দী হৈ পৰিছে বহু পৰিয়াল। যমুনামুখ সমষ্টিৰ চাংজুৰাই-পটীয়াপাম গাঁৱৰ কপিলী নৈৰ এটা মথাউৰি বানে ছিঙি নিয়ে। সেই ছিগা মথাউৰিৰে হোৱাহোৱে পানী সোমাইছে। চাংজুৰাই, পটীয়াপাম, কহাৰগাঁও, কাটকটীয়া ভকতগাঁৱৰ লগতে জংঘল ব্লক ৰোডৰ মথাউৰি ছিগি চাৰ্লক, জংঘল ব্লক আদি কেইবাখনো গাঁও বানৰ কবলত পৰিছে। হাজাৰ হাজাৰ বিঘা বড়ো ধানৰ খেতিৰ লগতে মৰাপাটৰ খেতিও বানত বুৰ যায়। প্লাৱিত হৈছে ন ন অঞ্চল। কালামণিজান মথাউৰিৰ ওপৰেৰে পানী বাগৰিছে। যমুনাচিত মথাউৰিৰো ফাঁট মেলিছে। যিকোনো সময়তে যমুনাচিত মথাউৰি ছিগাৰ আশংকাই দেখা দিছে। লংকাৰ কাৰিখানা মথাউৰিও ছিঙাৰ আশংকাই দেখা দিছে। আজি বিয়লি হোজাই জিলাৰ উপায়ুক্ত অনুপম চৌধুৰী, আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থ আৰু যমুনামুখৰ বিধায়ক চিৰাজউদ্দিন আজমলৰ ৰাজনৈতিক সচিব আকবৰ আলীয়ে যমুনামুখ সমষ্টিৰ বানপৰিস্থিতিৰ বুজ লয়। হোজাই জিলাৰ উপায়ুক্তই জনোৱা মতে ৮টা আশ্ৰয় শিবিৰৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বহু লোকে ওখ স্থানত আশ্ৰয় লৈছে। পৰিস্থিতিৰ পৰিৱৰ্তন নহ'লে হোজাই জিলাত বানে ভয়াবহ পৰিস্থিতি সৃষ্টি কৰাৰ আশংকাই দেখা দিছে। হোজাই জিলা প্ৰশাসন সন্তম হৈ পৰিছে।

## দক্ষিণ শৰণীয়াত উদ্দীপন ফাউণ্ডেচনৰ বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৫ মে' ঃ** উদ্দীপন ফাউণ্ডেচনৰ উদ্যোগত এ এছ জি আই হাস্পতালৰ সহযোগত আজি মহানগৰীৰ দক্ষিণ শৰণীয়া প্ৰাথমিক বিদ্যালয়ত এক বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। দিনৰ ১০ বজাত অনুষ্ঠিত চকু পৰীক্ষা শিবিৰ মুকলি কৰে মেয়ৰ মৃগেন শৰণীয়াই। তেওঁ ভাষণ প্ৰদান কৰি কয় যে এনেকুৱা প্ৰচেষ্টাই সমাজৰ দুখীয়া পৰিয়ালৰ ৰোগীক যথেষ্ট সহায় কৰে। লগতে উদ্দীপন ফাউণ্ডেচনক ধন্যবাদ জনোৱাৰ লগতে হাস্পতাল কৰ্তৃপক্ষক দুখীয়া ৰোগীক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ বাবে আহ্বান জনায় শৰণীয়াই। তেওঁ কয় যে শীঘ্ৰেই দক্ষিণ শৰণীয়া - লাচিত নগৰৰ লগতে মহানগৰীৰ বিভিন্ন অঞ্চলত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰা হ'ব বুলি উল্লেখ কৰে। ইপিনে চকু পৰীক্ষা শিবিৰ মুকলি অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে এ এছ জি আই হাস্পতালৰ জ্যেষ্ঠ চকু ৰোগ বিশেষজ্ঞ ডাঃ গীতুমণি শৰ্মাই চকুৰ বিভিন্ন ৰোগ সন্দৰ্ভত সজাগতামূলক ভাষণ প্ৰদান কৰে। ইয়াৰ উপৰি সমল ব্যক্তি হিচাপে উদ্দীপন ফাউণ্ডেচনৰ মুখ্য উপদেষ্টা ৰাজীৱ দাস, দক্ষিণ শৰণীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী হিৰণ গোস্বামী, ৩৬নং ৱাৰ্ডৰ পাৰিষদ মেঘনা হাজৰিকা, উদ্দীপন ফাউণ্ডেচনৰ সভাপতি মনোজ ডেকা উপস্থিত থাকে। উল্লেখ্য, চকু পৰীক্ষা শিবিৰত প্ৰায় শতাধিক ব্যক্তিৰ চকু পৰীক্ষা কৰা হয়।

## সেন্দূৰে বঢ়াই তোলে যৌন

শেহতীয়াকৈ ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে সেন্দূৰবিষয়ক এক বিশেষ ভিডিঅ'। ভিডিঅ'ত এগৰাকী মহিলাই দাবী কৰিছে যে সেন্দূৰে মানুহৰ যৌন উদ্দীপনা বঢ়াই তোলে। সেন্দূৰক লৈ কৰা এনে দাবীৰ পিছতে নেটিজেনসকলে মিমৰ সৈতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছে। সেন্দূৰে যৌন উদ্দীপনা বঢ়াই তোলে বুলি দাবী কৰাৰ বাবেই ছ'চিয়েল মিডিয়াত অতি নিৰ্মমভাৱে মহিলাগৰাকীক ট্ৰ'ল কৰা হৈছে। ভিডিঅ'টোত, মহিলাগৰাকীয়ে সেন্দূৰৰ অন্যান্য লাভালাভবোৰো বৰ্ণনা কৰিছে। মহিলাগৰাকীৰ মতে সেন্দূৰত পাৰা থাকে। পাৰা হৈছে এনে এক পদাৰ্থ, যি পদাৰ্থই শৰীৰটো শীতল কৰি ৰাখে আৰু সেন্দূৰ পিন্ধা মহিলাগৰাকীয়ে এক আৰামদায়ক প্ৰভাৱ অনুভৱ কৰে। এই ভিডিঅ'টো এজন টুইটাৰ ব্যৱহাৰকাৰীয়ে ট্ৰাষ্ট মি ব্ৰো' শিৰোনামেৰে শ্বেয়াৰ কৰিছিল আৰু তেতিয়াৰ পৰাই মহিলাগৰাকী ট্ৰ'ল হৈ আছে। অৱশ্যে নেটিজেনৰ মাজত তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পিছতে মূল ভিডিঅ'টো এতিয়া একাউণ্টৰ পৰা আঁতৰাই পেলোৱা হৈছে।

## আন এক যোৰহাট কাণ্ডৰ পৰা

ৰক্ষা পৰিল শিৱসাগৰৰ এখন প্ৰাথমিক বিদ্যালয়ৰ শতাধিক কণ কণ ছাত্ৰ-ছাত্ৰী। বতাহ-বৰষুণ নহাকৈয়ে প্ৰকাণ্ড বৰগছৰ ডাল পৰি যোৰহাটৰ মাজমজিয়াত নিৰীহক মৃত্যুৰ মুখলৈ ঠেলি দিয়া কৰুণ ঘটনাৰ পুনৰাবৃত্তি ঘটাৰ পৰা সৌভাগ্যবশতঃ ৰক্ষা পৰা বিদ্যালয়খন হ'ল শিৱসাগৰ চহৰৰ একেবাৰে গাতে লাগি থকা আমগুৰি চিপাহী গাঁৱৰ চিপাহী আলিৰ কাষৰ ৪৪০নং ৰংপুৰ প্ৰাথমিক বিদ্যালয়। অৱশ্যে দুপৰীয়াৰ ভাগত হঠাৎ বাগৰি পৰা প্ৰকাণ্ড আম গছ জোপাই সেই সময়ত বিদ্যালয়খনৰ সন্মুখৰ পথৰ বিপৰীত দিশে ৰখাই থোৱা চিকিৎসক দম্পতীৰ এখন বিলাসী বাহন ক্ষতিগ্ৰস্ত হয় যদিও সৌভাগ্যবশতঃ কোনো ব্যক্তি আহত নহ'ল। প্ৰাপ্ত বাতৰি মতে বিগত প্ৰায় ৪৯ ঘণ্টা ধৰি অবিৰতভাৱে শিৱসাগৰত অব্যাহত থকা বৰষুণৰ মাজতেই বিদ্যালয়ৰ পদূলিত থকা আম গছ জোপা উভালি পৰে। স্থানীয় ৰাইজে আশংকা কৰা মতে বহু বছৰ পুৰণি আম গছ জোপাৰ গুৰি বৰষুণৰ ফলত কোমল হৈ পৰাৰ বাবেই এই ভয়ংকৰ ঘটনা সংঘটিত হ'ল। স্থানীয় আমগুৰি গাঁৱৰেই জীয়াৰী তথা বৰ্তমান ধেমাজিৰ চিকিৎসা বিষয়াগৰাকীয়ে চিকিৎসক স্বামীৰ সৈতে সেই স্থানত বাহনখন ৰাখি ভগ্নীৰ ঘৰত জিৰণি লৈ থকাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোৰ ফলত চিকিৎসক দম্পতীৰ এ এছ-০৬ ৰাই-০১২১ নম্বৰৰ বাহনখনৰ বিস্তৰ ক্ষতি সাধন হয়। ইফালে শতাধিক ছাত্ৰ-ছাত্ৰী অধ্যয়নৰত বিদ্যালয়খন আজি দেওবাৰ হেতুকে বন্ধ হৈ আছিল বাবেই এক ভয়ানক ঘটনাৰ পৰা ৰক্ষা পৰাৰ বাবে ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছে।

## আলফা স্বাধীনলৈ গমন

আলফা নেতা আইচেং অসমৰ। এই ঘটনাৰ ২৪ ঘণ্টা পাৰ নৌ হওঁতেই আলফা স্বাধীনলৈ গমন ১০ অসমীয়া যুৱক-যুৱতী। ইতিমধ্যে আলফা স্বাধীনলৈ যোৱা ১০গৰাকী যুৱক-যুৱতীৰ মাজত শিৱসাগৰ জিলাৰ আমগুৰি থানাৰ অন্তৰ্গত লালিম ছিগাৰ শিৰাণী গগৈয়ো আলফা স্বাধীনলৈ গমন কৰা বুলি জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ অনুযায়ী শিৰাণী গগৈ আমগুৰি মহাবিদ্যালয়ৰ তৃতীয় যান্মাসিকৰ ছাত্ৰী আৰু লালিম ছিগাৰ প্ৰাঞ্জল গগৈ আৰু দিবজ্যোতি গগৈৰ জ্যেষ্ঠ কন্যা। ইফালে আলফাত যোগদান কৰা শিৰাণী গগৈয়ে ফেচবুকত জীৱনৰ সিদ্ধান্ত নিজেই ল'ম বুলি কোৱাৰ লগতে তেওঁৰ এই সিদ্ধান্তৰ বাবে কোনো জগৰীয়া নহয় বুলি স্পষ্ট কৰি গৈছে বুলি প্ৰকাশ। ইফালে আলফা স্বাধীনত যোগদানৰ পিছতে শিৰাণীৰ পৰিয়ালৰ মাজত কান্দোনৰ ৰোল উঠিছে। এনায়েকৰ ঘৰত থাকি অধ্যয়ন কৰা শিৰাণীয়ে যোৱা শুকুৰবাৰে কলেজলৈ যাওঁ বুলি চাইকেলেৰে ঘৰৰ পৰা দুটাকৈ ম'বাইল হেণ্ডছেট লৈ যায়। আনহাতে, শনিবাৰে শিৰাণীৰ চাইকেলখন আমগুৰিৰ ৰে'লৰে ষ্টেচনত উদ্ধাৰ হয়। আজি শিৰাণী আলফা স্বাধীনত যোগদানৰ পিছতে পৰিয়ালৰ মাজত কান্দোনৰ ৰোল উঠাৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰীক শিৰাণীক সোঁ-শৰীৰে ঘূৰাই আনিবৰ কাৰণে প্ৰাৰ্থনা জনাইছে।

## ব্ৰহ্মপুত্ৰ জলপৃষ্ঠ বৃদ্ধি

মাজুলী জিলা প্ৰশাসনে পুনৰ আদেশ নিদিয়া পৰ্যন্ত মাজুলী-নিমাতী ফেৰী সেৱা বন্ধ ৰাখিছে। পুৱাৰ ভাগত কেইখনমান ফেৰী চলাচল কৰিছিল যদিও নিমাতীঘাটত যাত্ৰীসকলৰ উঠা-নমা কৰাৰ অসুবিধা আৰু ডাৱৰীয়া বতৰ নদীৰ বুকুত কুঁৱলী পৰাৰ লগতে জলপৃষ্ঠ বৃদ্ধি হৈ থকাত দুৰ্ঘটনা হোৱাৰ আশংকা কৰিয়ে এই সিদ্ধান্ত লোৱা হৈছে বুলি জানিবলৈ দিছে। পুৱাৰ ভাগত যিহেতু নিয়মীয়াকৈ ফেৰী চলি আছিল। জলপৃষ্ঠ বৃদ্ধি হৈ থকাত ফেৰী চলাচলত অসুবিধা হোৱাৰ বাবেই আভ্যন্তৰীণ জল পৰিবহণ বিভাগে বিয়লি ভাগত মাজুলীৰ পৰা আৰু নিমাতীৰ পৰা আহিব লগা সকলো ফেৰী বন্ধ কৰি দিয়ে। কমলাবাৰী -নিমাতী আৰু অফলামুখ- নিমাতীঘাটৰ সকলো ফেৰী পুনৰ নিৰ্দেশ নিদিয়া পৰ্যন্ত নিৰ্দিষ্ট কাললৈ বন্ধ থাকিব বুলি জানিব পৰা গৈছে। পুৱাৰ ভাগত চলাচল কৰি থকা এই ফেৰী সেৱা হঠাৎ দিনৰ ১২ বজাত বন্ধ কৰি দিয়াত মাজুলীৰ পৰা বিভিন্ন কামত যোৰহাটৰ লগতে বিভিন্ন ঠাইলৈ যাব লগা আৰু যোৰহাটৰ পৰা মাজুলীলৈ আহি লগা যাত্ৰীসকলৰ মাজত হাহাকাৰ সৃষ্টি হয়। কিয়নো মাজুলীৰ পৰা বা নিমাতী পৰা অতি সহজে কম সময়ৰ ভিতৰত ফেৰী যোগেদি যাতায়াত কৰিব পাৰি। বৰ্তমান ধেমাজি বগীবিল হৈ দক্ষিণ দিশৰ লগত যাতায়াতৰ সম্ভৱ হৈ উঠিছে যদিও সেই পথেৰে বহু সময়ৰ প্ৰয়োজন হয়, যাৰ বাবে মাজুলীৰ মানুহে দিনটো বিভিন্ন কাম কৰি একেদিনাই ঘূৰি অহাটো সম্ভৱ নহয়। একপ্ৰকাৰে নিমাতী -মাজুলী ফেৰী সেৱা বন্ধ হ'লে মাজুলীৰ ৰাইজৰ হাহাকাৰ লাগে। আনহাতে, যাত্ৰীসকলৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ধেমাজি-বগীবিল হৈ যাতায়াতৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে।

## দেৱসাহায়াম পিল্লাইক

ঘোষণা কৰা প্ৰথম ভাৰতীয় ব্যক্তি হৈছে দেৱসাহায়াম পিল্লাই। অষ্টাদশ শতিকাত খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা পিল্লায়ে এনে কেতবোৰ ঘটনা ঘটাইছিল, যিবোৰৰ আঁৰত অলৌকিকতা দেখিবলৈ পোৱা গৈছিল। তেওঁৰ দ্বাৰা সংঘটিত অলৌকিক ঘটনাক ২০১৪ চনত পোপ ফ্ৰান্সিছে স্বীকৃতি দিছিল। গিৰ্জাৰ নথিত কোৱা হৈছে যে পিল্লাইৰ জন্ম ১৭১২ চনত কন্যাকুমাৰী জিলাৰ নাট্টালামত হৈছিল। কন্যাকুমাৰী তেতিয়া ট্ৰাভাংকোৰ ৰাজ্যৰ অংশ আছিল আৰু ১৭৪৫ চনত পিল্লায়ে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছিল। পিল্লায়ে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰাৰ বাবে ক্ষোভিত হৈ পৰিছিল সেই সময়ৰ ট্ৰাভাংকোৰৰ ৰজা। জানিব পৰা মতে পিল্লাই ট্ৰাভাংকোৰত থাকোতে ডাচ্চ নৌ সেনা বাহিনীৰ কেপ্টেইন ডি লনয়ে তেওঁক খ্ৰীষ্টান ধৰ্মৰ প্ৰতি আকৃষ্ট কৰিছিল। হিন্দুৰ পৰা ধৰ্মান্তৰিত হোৱাৰ পিছত তেওঁ 'লাজাৰ বা 'দেৱসহায়ম' নাম গ্ৰহণ কৰিছিল, যাৰ অৰ্থ আছিল 'ঈশ্বৰ মোৰ সহায়'। অৱশ্যে ট্ৰাভাংকোৰৰ মহাৰজাই তেওঁৰ ধৰ্মান্তকৰণ মানি ল'ব পৰা নাছিল আৰু ১৭৫২ চনৰ ১৪ জানুৱাৰীত আৱালভাইমোজিৰ অৰণ্যত তেওঁক গুলীয়াই হত্যা কৰিছিল। পিল্লাইক ২০১২ চনত নাগৰকইলত 'আশীৰ্বাদপ্ৰাপ্ত' ঘোষণা কৰা হৈছিল আৰু ২০২০ চনত ভেটিকানে তেওঁক সন্ত ঘোষণা কৰাৰ বাবে অনুমোদন জনাইছিল। তেওঁৰ নশ্বৰ দেহ ছেইণ্ট জেভিয়াৰ গিৰ্জা, কোট্টাৰ, নাগৰকইলৰ ভিতৰৰ বেদীৰ ওচৰত ৰখা হৈছিল। সেই গিৰ্জাটো এতিয়া ডায়ছেচ্ছন কেথেড্ৰেল নামেৰে জানাজাত। কেথলিক বিশ্বপ কনফাৰেন্স অৱ ইণ্ডিয়া (চিবিচিআই)ৰ সম্পাদক ভি চি ছেবাষ্টিয়ানে কয় যে দেৱসাহায়াম পিল্লাইক সন্ত ঘোষণা কৰাৰ্হ সকলোকে আনন্দিত কৰি তুলিছে। তেওঁৰ আত্মাই এতিয়া যীশুৰ আশীৰ্বাদ লাভ কৰিব বুলিও তেওঁ কয়।

## বিষাক্ত দ্ৰব্য দি নষ্ট কৰিলে

খেতিত ছটিয়াই দিয়ে অপতৃণ নাশক বিষাক্ত দ্ৰব্য। ফলত এইদৰে এমুৰৰ পৰা পৰি গ'ল বিস্তৃত কালিৰ মৰাপাট খেতিডৰা। কৃষকসকলে ন্যায় প্ৰাপ্তিৰ আশাৰে কাষ চাপে আৰক্ষীৰ আৰু দাখিল কৰে এক এজাহাৰ। উক্ত এজাহাৰৰ ভিত্তিত সোণতলী আৰক্ষীয়ে শনিবাৰে নুৰ হুছেইন, আজাহাৰ আলী, লালচান্দ আলী নামৰ তিনিজনক আটক কৰে সোণতলী আৰক্ষীয়ে। আনহাতে, ইউছুফ আলী, জোনাব আলী, জহিৰ আৰু মহিৰ উদ্দিন নামৰ চাৰিজন অভিযুক্তই পলায়ন কৰা বুলি জানিব পৰা গৈছে। মূৰৰ ঘাম মাটিত পেলাই দুখীয়া কৃষকসকলে কৰা মৰাপাট খেতিৰ উপযুক্ত ক্ষতিপূৰণ আৰু দোষীৰ শাস্তি বিহাৰ দাবী জনাইছে আৰক্ষীক।

## তৰাজুলিত নৈশ বাছত বৃহৎ

অব্যাহত ৰাখিছে যদিও এতিয়াও বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হোৱা নাই। জিলাখনৰ বান্দৰদেৱা আৰু হাৰমতীত গা কৰি উঠিছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। যোৱা শুকুৰবাৰে নিশা প্ৰায় ২.৩০ বজাত বান্দৰদেৱাৰ সমীপৱৰ্তী পথালি পাহাৰৰ তৰাজুলিত গুৱাহাটীৰ পৰা মাজুলী অভিমুখী নেটৱৰ্ক এ এছ-০১ এম চি-৭৬৩৩ নম্বৰৰ নৈশ বাছখনত বান্দৰদেৱাৰ হেমা নেৱাৰ (২৩) আৰু জিয়াউল আলী (২৪) নামৰ লোক দুগৰাকীয়ে নগাঁৱৰ পৰা বান্দৰদেৱাৰ দুই নং পাৰ্বতীপুৰত বিক্ৰী কৰিবলৈ অনাৰ পথত বিহপুৰীয়া থানাৰ অ' চি উৎপল বৰা আৰু বান্দৰদেৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নিপন গগৈৰ নেতৃত্বত বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰে। আৰক্ষীৰ অভিযান কালত দুগৰাকী মহিলাসহ মুঠ সাতজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। শেহতীয়াকৈ আৰক্ষীৰ জালত পৰা লোককেইজন হ'ল ক্ৰমে ইবুল আলী (৩২) লালুক পদ্মপুৰ, ৰিতুল ভূএঞা (২৪) দুই নং পাৰ্বতীপুৰ, ৰাহুল নেৱাৰ (২৬) দ'লহাট, বাবু খান (৩৩) দুই নং পাৰ্বতীপুৰ আৰু মায়া শৰ্মা (২৯) দুই নং পাৰ্বতীপুৰৰ নিজ গৃহৰ পৰা গ্ৰেপ্তাৰ কৰে। বৰ্তমান আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। তেওঁলোকৰ পৰা এই অভিযানত ৭টা চাবোনৰ বাকচত মুঠ ৮০.৮৪ গ্ৰাম সন্দেহজনক ড্ৰাগছ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। বান্দৰদেৱা আৰক্ষীৰ ই এক বৃহৎ সাফল্য বুলি চৰ্চা হৈছে।



# প্ৰয়াত ধীৰাজ কুমাৰ দাস ৰচনা সমগ্ৰ 'সময় অনুভৱ চেতনা' উন্মোচন

## সোঁৱৰণৰ এটি দিন উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৫ মে' ঃ** গুৱাহাটীস্থিত ঘোঁৰামাৰা বৰসজাই আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ কাৰ্যালয় প্ৰাংগণত আজি প্ৰয়াত ধীৰাজ কুমাৰ দাসৰ পৰিয়াল আৰু ঘোঁৰামাৰা বৰসজাই সাহিত্য সভাৰ সহযোগত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিতে বিশ্ববাসীৰ মঙ্গলৰ বাবে আৰু প্ৰয়াত ধীৰাজ কুমাৰ দাসৰ বিদেহী আত্মাৰ শান্তিৰ বাবে ধূপ-ধূনা আৰু নাগাৰাৰ ধ্বনিৰে পাঁচ মিনিট সময় মঙ্গলাচৰণ কৰা হয়। অনুষ্ঠানৰ প্ৰায় সত্তৰ দশকৰ পৰা লেখক, নিবন্ধকাৰ তথা পত্ৰলেখক প্ৰয়াত ধীৰাজ কুমাৰ দাসে বিভিন্ন বাতৰি কাকত, আলোচনী-পত্ৰিকাত প্ৰকাশ কৰি অহা লিখনিসমূহ একত্ৰিত কৰি প্ৰয়াত দাসৰ বায়েক স্বপ্নাৰাণী দাস তালুকদাৰ আৰু ভিনিহিয়েক সতীশ চন্দ্ৰ তালুকদাৰে সম্পাদনা কৰি উলিওৱা ৬৭৬ পৃষ্ঠাজোৰা 'সময় অনুভৱ চেতনা' নামৰ ৰচনা সমগ্ৰখনি সমৱেত ৰাইজে আগ্ৰহেৰে আঁকোৱালি লয়। ঘোঁৰামাৰা সাহিত্য সভাৰ সভাপতি নগেন্দ্ৰ নাথ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত উন্মোচক হিচাপে উপস্থিত থাকে 'দৈনিক অসম' বাতৰিকাকতৰ সহকাৰী সম্পাদক বেদব্ৰত মিশ্ৰ। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত অধ্যাপক জগদীশ চন্দ্ৰ গোস্বামী। সভাত ডেৰ শতাধিক লোকৰ উপস্থিতিলৈ চাই এটা কথাই ক'ব লাগিব যে অসমীয়া সাহিত্যৰ প্ৰতি মানুহৰ আগ্ৰহ আৰু উৎসাহ আজিও কমা নাই।



## গুণোৎসৱৰ উদুলি-মুদুলি ডুমুৰীয়া-পিকনাপাৰা প্ৰাথমিক বিদ্যালয়ৰ বাকৰি

**দৈনন্দিন বাৰ্তা সেৱা, অভয়াপুৰী, ১৫ মে' ঃ** ৰাজ্যৰ শিক্ষাখণ্ডৰ গুণগত মান মূল্যায়নৰ বাবে অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ গুণোৎসৱৰ সামৰণি পৰিল। ৰাজ্যৰ ১০খন জিলাৰ লগতে বঙাইগাঁও জিলাতো প্ৰথম পৰ্যায়ত অনুষ্ঠিত হ'ল এই গুণোৎসৱ। প্ৰথম পৰ্যায়ৰ গুণোৎসৱৰ অন্তিমটো দিনত পুৱাৰ পৰাই বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ ডুমুৰীয়া-পিকনাপাৰা প্ৰাথমিক বিদ্যালয়ত দেখা গ'ল এক উখল-মাখল পৰিৱেশ। এই দৃশ্য জিলাখনৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ ডুমুৰীয়া-পিকনাপাৰা প্ৰাথমিক বিদ্যালয়ৰ। জিলাখনৰ অন্যান্য বিদ্যালয়ৰ দৰে ডুমুৰীয়া-পিকনাপাৰা প্ৰাথমিক বিদ্যালয়তো গুণোৎসৱ উপলক্ষে এক উখল-মাখল পৰিৱেশ। প্ৰাতঃসভাত ছাত্ৰ-ছাত্ৰীসকলে শাৰীৰিক কুচকাৱাজৰ লগতে সংকল্প, মহৎ লোকৰ বাণী, ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰে। গুণোৎসৱৰ শুভমুহূৰ্তত বিদ্যালয় পৰিচালনা সমিতিৰ তৰফৰ পৰা বীৰঝাৰা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড: কৌশিক দাস, মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ছাইদুল ইছলাম, শিক্ষক জয়ন্ত কুমাৰ খাকলাৰী, মৌচুমী ৰাভা আৰু সাংবাদিক ইনামুল আহমেদক ফুলাম গামোচা, জাপি, ফলক আদিৰে সম্বৰ্ধনা জনোৱা হয়। গুণোৎসৱৰ প্ৰথম পৰ্যায়ৰ অন্তিম দিনটোত বিদ্যালয়খনত ৰাজ্যিক কাৰ্যালয়ৰ এছ্‌পিঅ', গুণোৎসৱৰ বঙাইগাঁও জিলাৰ নিৰীক্ষক পাৰ্লি ফাইজা উম্মে কুলচুম, বঙাইগাঁও জিলাৰ ডিপিঅ' গৌতম ঠাকুৰীয়া, উত্তৰ শালমাৰা মহকুমাৰ বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক আব্দুল কাদেৰ আকন্দ আৰু সৃজনগ্ৰামৰ বিদ্যালয়সমূহৰ সহঃ পৰিদৰ্শক বিজয় কৰকে ধৰি বহুকেইগৰাকী ব্যক্তিয়ে বিদ্যালয়খন পৰিদৰ্শন কৰি গুণোৎসৱৰ বুজ লয়। মুষলধাৰ বৰষুণকো নেওচি শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয় পৰিচালনা সমিতি আৰু ৰাইজৰ অংশগ্ৰহণে পুনৰবাৰ প্ৰমাণ কৰি দিলে যে ডুমুৰীয়া-পিকনাপাৰা প্ৰাথমিক বিদ্যালয়ৰ দৰে চৰকাৰী বিদ্যালয়সমূহে ফেৰ মাৰিব পাৰে নামী-দামী ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ লগত।

**বিধায়ক ৰাজবংশীয়ে দিমীলাৰ বানে ছিঙা মথাউৰি পৰিদৰ্শন কৰি যোৱাৰ পিছতো এতিয়ালৈ নহ'ল একো**

# ধাৰাসাৰ বৰষুণে টোপনি হৰিছে দুৰদুৰীয়াবাসীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৫ মে' ঃ** দৰং জিলাৰ পশ্চিমাঞ্চলৰ মাজেৰে বৈ যোৱা দিমীলা নদীৰ বাঢ়নী পানীয়ে ২০০৪ চনতে দুৰদুৰীয়াৰ সমীপত পূব দিশৰ মথাউৰিটোৰ প্ৰায় পঞ্চাশ মিটাৰ দৈৰ্ঘ্যজুৰি ছিঙি পেলায়। যাৰ পাছত আজি সুদীৰ্ঘ সোতৰটা বছৰে বিভাগে মেৰামতি নকৰাকৈয়ে পেলাই থোৱাত দুৰদুৰীয়া, নাওপোটা, চমুখা, বগাচলা, বাঘমাৰা, ঘোপেলী, গোপালপুৰ, পাটগিৰি চুবা, সোণাপুৰকে ধৰি প্ৰায় পোন্ধৰখনমান ৰাজহ গাঁৱৰ কৃষক ৰাইজৰ খেতিপথাৰ বাৰিষা সময়ত নদীখনৰ ওভতনি পানীৰ সোঁতে বিস্তৰ ক্ষতিসাধন কৰি আহিছে। মূলতঃ বাৰিষা সময়ত পানীয়ে মাৰি থকাৰ পৰিপ্ৰেক্ষিতত তিনি-চাৰিবাৰকৈ কঠীয়া ৰুইও শস্য গোটাব নোৱাৰাৰ বাবে অঞ্চলটোৰ ৯৫ শতাংশ কৃষক ৰাইজ অৰ্থনৈতিকভাৱে দুৰ্বল হৈ পৰিছে। খৰালি কালতো কৃষক ৰাইজে কৃষি বিভাগৰ পৰা বীজ-সাৰ আদি একো নোপোৱাত বজাৰৰ অত্যধিক মূল্যত ৰবিশস্যৰ বীজ-সাৰ কিনিব নোৱাৰি ঘৰৰ পোহনীয়া হাঁহ-কুকুৰা বিক্ৰী কৰি যি পাৰে তাকৰীয়াভাৱে সৰিয়হ, মটৰ, মচুৰ, মাটিমাহ আদিৰ খেতি কৰি কিবা কৰি পৰিয়ালক পোহপাল দি আহিছে। উল্লেখ্য যে প্ৰতিবছৰে মথাউৰিৰ ছিগা অংশৰে বাৰিষা সময়ত নদীৰ বাঢ়নী পানী সোমাই কৃষিজীৱী ৰাইজক নাজল-নাথল কৰি অহা ছিগা মথাউৰিৰ অংশখিনি মেৰামতি কৰাৰ বাবে ৰাইজে বিধায়ক, সাংসদ, বিভাগৰ ওচৰত বাৰম্বাৰ আবেদন-নিবেদন, অনুৰোধ কৰি ভাগৰি পৰি বাদ দিবলৈ বাধ্য হৈছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে ২০১৯ চনত তদানীন্তন বিত্তমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই চেঙেলীয়াঝাৰত নৈৰে নদীৰ বানে ছিঙা মথাউৰি পৰিদৰ্শনৰ সময়ত দুৰদুৰীয়া গাঁৱৰ গাঁওবুঢ়াগৰাকীয়ে বিষয়টো মন্ত্ৰীগৰাকীৰ ওচৰত অৱগত কৰাত তেওঁ তাত উপস্থিত থকা মঙলদৈ সংমণ্ডল জলসম্পদ বিভাগৰ অভিযন্তাক ব্যৱস্থা ল'বলৈ নিৰ্দেশ



দিছিল। ৰাইজে ভাবিছিল যে স্বয়ং হিমন্ত বিশ্ব শৰ্মাই নিৰ্দেশ দিলে যেতিয়া এইবাৰ মেৰামতি হ'বই। পিছে আজি দুটা বছৰ পাৰ হৈ যোৱাৰ পিছতো তেনেদৰেই নিৰ্দেশ নিৰ্দেশে হৈ থাকিল। ইফালে বিগত বৰ্ষত ৰাজ্যৰ বহু মথাউৰি মেৰামতি হ'ল যদিও বাদ পৰি ৰ'ল মাত্ৰ দুৰদুৰীয়াৰ দিমীলা নদীৰ ছিগা মথাউৰি। ইফালে আজি ওঠৰ বছৰে মথাউৰিৰ ছিগা অংশত বাঁহৰ সাঁকো দি ৰাইজে যাতায়াত অব্যাহত ৰাখিব লগীয়া হৈছে। বিগত পোন্ধৰটা বছৰত তদানীন্তন ছিপাঝাৰৰ বিধায়ক বিনন্দ কুমাৰ শইকীয়াই ৰাইজৰ মুখ্য সমস্যাটোক লৈ কোনো ব্যৱস্থা গ্ৰহণ নকৰি ৰামঠগন দি বিদায় লোৱাৰ পাছত বৰ্তমানৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে প্ৰায় তিনি মাহ আগতে দুৰদুৰীয়াৰ দিমীলা নদীৰ বানে ছিঙা মথাউৰি পৰিদৰ্শন কৰিছিল। ৰাইজে ভাবিছিল অন্যবোৰতকৈ কথা আৰু কামত বিকল্প বুলি চৰ্চিত বিধায়কগৰাকীয়ে পৰিদৰ্শন কৰিছে যেতিয়া অন্ততঃ এইবাৰ কিবা এটা হ'ব। ওঠৰ বছৰৰ পিছত হ'লেও বাৰিষা খেতিখিনি কৰাৰ লগতে সুচল হ'ব য়াতায়াতৰ পথ। কিন্তু আশ্চৰ্যজনকভাৱে আজিও ৰাইজে মথাউৰি মেৰামতিৰ একো কাৰ্যব্যৱস্থা দেখা নোপোৱাৰ পিছত সম্প্ৰতি যোৱা দুদিন ধৰি ধাৰাসাৰভাৱে বৰষুণ হৈ থকাত নদীখনৰ পানী বাঢ়ি উঠিছে আৰু এনেদৰে থাকিলে কোন সময়ত পানীয়ে বুৰাই পেলায় তাৰ নিশ্চয়তা নথকাত দুৰদুৰীয়াবাসী ৰাইজৰ টোপনি হৰিছে। কিয়নো বৰষুণ দিলে নদীখনৰ পানী বাঢ়িলেই মথাউৰিৰ ভগা অংশৰে নদীৰ ওভতনি পানী সোমাই দুৰদুৰীয়াকে ধৰি চাৰি-পাঁচখন গাঁৱৰ খেতিপথাৰ সাগৰসদৃশভাৱে পানীয়ে বুৰাই পেলায়।












শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৭১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি